GPH S6 01 (M/P)
Exam Code : PHP 6A

সমসাময়িক পাশ্চাত্য দর্শন

ষষ্ঠ ষাণ্মাসিক

দর্শন

খণ্ড - ২

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক, শিৱনাথ শর্মা (অৱসৰপ্রাপ্ত), দর্শন বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক সৌৰভপ্রাণ গোস্বামী, দর্শন বিভা, গুৱাহাটী বিশ্ববিদ্যালয়
প্রদীপ খাটনিয়াৰ (অৱসৰপ্রাপ্ত), সহযোগী অধ্যাপক, দর্শন বিভাগ, কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ভাস্কৰ ভট্টাচার্য্য, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৱিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
৯	ড° পাপৰী বৰুৱা	সঞ্জীৱ ফুকন লক্ষীমপুৰ কেন্দ্রীয় মহাবিদ্যালয়
১০	ড° মনালিচা কলিতা	ড° বর্ণালী বৰা উত্তৰ লক্ষীমপুৰ মহাবিদ্যালয়
১১	ড° চিমি বৰা	মাইনু দেৰী বৰুৱা
১২, ১৩	ড° পল্লৱী শর্মা	মাইনু দেৰী বৰুৱা
১৪	ড° মামনি কলিতা	মাইনু দেৰী বৰুৱা
১৫	ড° ভাস্কৰ ভট্টাচার্য্য	কীর্তিনাথ কলিতা, দর্শন অধ্যয়ন কেন্দ্র, ডিব্রুগড় বিশ্ববিদ্যালয়

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, ড° তেজসা কলিতা
ভাষা সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য
গাঁথনিক সম্পাদনা ঃ ড° ভাস্কৰ ভট্টাচার্য্য, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

আগষ্ট, ২০২৩

© কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ দ্বাৰা সর্বস্বত্ব সংৰক্ষিত,

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ লিখিত অনুমতি অবিহনে গ্রন্থস্বত্ব জাননীৰ দ্বাৰা সুৰক্ষিত এই মুদ্রণ বা ইয়াৰ যিকোনো অংশ প্রতিলিপিকৰণ, স্কেনিং, বাণীবদ্ধকৰণ তথা তথ্য সংৰক্ষণ নাইবা পুনৰুদ্ধাৰ পদ্ধতিৰ লগতে বর্তমানে জ্ঞাত বা ভৱিষ্যতে উদ্ভাৱন-সম্ভৱ যিকোনো বৈদ্যুতিক, ডিজিটেল বা যান্ত্রিক উপায়েৰে প্রকাশ, প্রেৰণ, হস্তান্তৰ বা সংৰক্ষণ কৰিব নোৱাৰিব।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মূখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

বিষয়সূচী

পৃষ্ঠা নং

অধ্যায় ৯ঃ অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ ১২৫-১৩২

৬ জন মুখ্য অস্তিত্ববাদী দার্শনিকসকল, ঈশ্বৰবাদী আৰু ঈশ্বৰবিৰোধী অস্তিত্ববাদ, অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী, অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ আৰু সামৰণি।

অধ্যায় ১০ঃ ছার্ত্রেঃ তত্ত্ব বা সাৰ আৰু অস্তিত্ব ১৩৩-১৪১

মানৰ জীৱনৰ তিনিটা স্তৰ, সৌন্দর্যাত্মক স্তৰ, নৈতিক স্তৰ আৰু ধর্মীয় স্তৰ।

অধ্যায় ১১ঃ নীৎসেৰ নৈতিকতাৰ ধাৰণা ১৪২-১৫০

নৈতিকতাৰ ওপৰত Nietzsche ৰ মতামত, শক্তিৰ প্রতি ইচ্ছা বা ইচ্ছা শক্তি, অতি মানৰ আৰু সামৰণি।

অধ্যায় ১২ঃ ছার্তেঃ সাৰমর্ম আৰু অস্তিত্ব ১৫১-১৬১

অস্তিত্ববাদ কি, ছার্তে সাৰমর্ম আৰু অস্তিত্ব, Existence Preceder Essencs, বস্তুনিষ্ঠতা বা বিষয়নিষ্ঠতাৰ বিৰুদ্ধে আত্মনিষ্ঠতা আৰু সমালোচনমূলক মূল্যায়ন।

অধ্যায় ১৩ঃ ছার্তেঃ স্বতন্ত্রতা ১৬২-১৭২

স্বতন্ত্রতা, শূন্যতা নাইবা স্বতন্ত্রতা ৰূপে চেতনা, পুনঃ পৰিভাষিত মানৰ সত্ত্বা আৰু স্বতন্ত্রতাৰ এক সমালোচনাত্মক মূল্যায়ন।

অধ্যায় ১৪ঃ ৰাইলৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা ১৭৩-১৮৫

মন বা আত্মা সম্পর্কীয় বিভিন্ন মতবাদ, ডেৰ্কাটৰ মন সম্বন্ধীয় মতবাদ (কার্টেছিয়ান দ্বৈতবাদ), ৰাইলৰ মন সম্পর্কীয় মতবাদ, প্রবর্গৰ ভ্রান্তি (Category Mistake)ৰ অর্থ আৰু ৰাইল্‌ৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা।

অধ্যায় ১৫ঃ অষ্টিনৰ কথন ক্রিয়া ১৮৬-১৯৫

অষ্টিনৰ কথন ক্রিয়া, প্রদর্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্য, প্রদর্শনমূলক আৰু বর্ণনামূলক অভিব্যক্তিৰ পার্থক্য, প্রদর্শনমূলক অভিব্যক্তিৰ অনিবার্য চর্তসমূহ, কথন ক্রিয়াৰ প্রকাৰ।

প্রসংগ পুথি ১৯৬-২০০

পাঠ্য বিষয়ৰ পৰিচয়

এই পাঠ্য বিষয়টিয়ে আপোনাক 'সমসাময়িক ভাৰতীয় দৰ্শন'ৰ লগত পৰিচয় কৰাই দিব।

এই পাঠ্যবিষয়টিত সাতটা অধ্যায় আছে। **নৱম অধ্যায়টো হ'ল** 'অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ'। এই অধ্যায়ত সন্নিবিষ্ট বিষয় সমূহ হ'ল ঃ ৬ জন মুখ্য অস্তিত্ববাদী দাৰ্শনিকসকল, ঈশ্বৰবাদী আৰু ঈশ্বৰবিৰোধী অস্তিত্ববাদ, অস্তিত্ব মৌলিকত্বৰ পূৰ্বৱৰ্তী, অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ আৰু সামৰণি।

দশম অধ্যায়টো হ'ল 'ছার্ত্রে ঃ তত্ত্ব বা সাৰ আৰু অস্তিত্ব'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- মানৰ জীৱনৰ তিনিটা স্তৰ, সৌন্দৰ্যাত্মক স্তৰ, নৈতিক স্তৰ, আৰু ধৰ্মীয় স্তৰ।

একাদশ অধ্যায়টো হ'ল ঃ 'নীৎসেৰ নৈতিকতাৰ ধাৰণা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- নৈতিকতাৰ ওপৰত Nietzsche ৰ মতামত, শক্তিৰ প্ৰতি ইচ্ছা বা ইচ্ছা শক্তি, অতি মানৰ, আৰু সামৰণি।

দ্বাদশ অধ্যায়টো হ'ল 'ছার্টে ঃ সাৰমৰ্ম আৰু অস্তিত্ব'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- অস্তিত্ববাদ কি, ছার্টে সাৰমৰ্ম আৰু অস্তিত্ব, Existence Preceder Essence, বস্তুনিষ্ঠতা বা বিষয়নিষ্ঠতাৰ বিৰুদ্ধে আত্মনিষ্ঠতা, আৰু সমালোচনমূলক মূল্যায়ন।

ত্রয়োদশ অধ্যায়টো হ'ল 'ছার্টে ঃ স্বতন্ত্রতা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল- স্বতন্ত্রতা, শূন্যতা নাইবা স্বতন্ত্রতা ৰূপে চেতনা, পুনঃ পৰিভাষিত মানৰ সত্ত্বা, আৰু স্বতন্ত্রতাৰ এক সমালোচনাত্মক মূল্যায়ন।

চতুর্দশ অধ্যায়টো হ'ল 'ৰাইলৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল— মন বা আত্মা সম্পৰ্কীয় বিভিন্ন মতবাদ, ডেৰ্কাটৰ মন সম্বন্ধীয় মতবাদ (কার্টেছিয়ান দ্বৈতবাদ), ৰাইলৰ মন সম্পৰ্কীয় মতবাদ, প্ৰবৰ্গৰ ভ্ৰান্তি (Category Mistake) ৰ অৰ্থ আৰু ৰাইল্ৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা।

পঞ্চাদশ অধ্যায়টো হ'ল 'অষ্টিনৰ কথন ক্ৰিয়া'। এই অধ্যায়ত সন্নিৱিষ্ট বিষয়সমূহ হ'ল— অষ্টিনৰ কথন ক্ৰিয়া, প্ৰদৰ্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্য, প্ৰদৰ্শনমূলক আৰু বৰ্ণনামূলক অভিব্যক্তিৰ পাৰ্থক্য, প্ৰদৰ্শনমূলক অভিব্যক্তিৰ অনিবাৰ্য চৰ্তসমূহ, কথন ক্ৰিয়াৰ প্ৰকাৰ।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰে মূল পাঠত উল্লেখ থকা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত কেইটিমান 'আৰ্হি প্ৰশ্ন'তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান 'প্ৰসঙ্গ পুথি'ৰ নাম উল্লেখ কৰা হৈছে। সেই কেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেই কেইখন অধ্যয়ন কৰিব পাৰিব ।

অধ্যায় ৯ ঃ অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ ৬ জন মুখ্য অস্তিত্ববাদী দার্শনিকসকল
৯.৪ ঈশ্বৰবাদী আৰু ঈশ্বৰবিৰোধী অস্তিত্ববাদ
৯.৫ অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী
৯.৬ অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ
৯.৭ সামৰণি
৯.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.১১ অধিক জানিবলৈ
৯.১২ অগ্রগতিৰ খতিয়ান
৯.১৩ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অস্তিত্ববাদ আন্দোলনৰ ব্যাখ্যা কৰিব পাৰিব
- ৬ জন মুখ্যতঃ অস্তিত্ববাদ সমর্থকৰ মত সম্পর্কে আলোচনা কৰিব পাৰিব
- অস্তিত্ববাদৰ প্রাথমিক বৈশিষ্ট্যৱলীৰ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব
- ঈশ্বৰবাদী আৰু ঈশ্বৰবিৰোধী অস্তিত্ববাদ সম্পর্ক ব্যাখ্যা কৰিব পাৰিব
- অস্তিত্ববাদৰ মূল তত্ব অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী সম্পর্ক ব্যাখ্যা কৰিব পাৰিব।

৯.২ পৰিচয়

জগতৰ সমস্যাৰাজিৰ বোধগম্যৰ বাবে মানুহৰ অহৰহ প্রচেষ্টাই হ'ল দর্শন। অতীজৰ পৰা সমসাময়িক সময়লৈ অস্তিত্ব সম্পর্কে প্রতিবিম্বন আৰু ব্যাখ্যাৰ সহায়ত সমস্যাৰ সমাধানৰ বাবে চেষ্টা অব্যাহত আছে। পৰম্পৰাগত পাশ্চাত্য দর্শনে এক প্রণালীবদ্ধ দর্শন প্রতিষ্ঠাৰ বাবে বৈজ্ঞানিক পদ্ধতিৰ মাধ্যমত চেষ্টা অব্যাহত আছে। এনেধৰণৰ বৌদ্ধিক দৃষ্টিভংগীয়ে মানৱৰ সমস্যা সম্পর্কে বুদ্ধিৰ সহায়ত কৰা ব্যাখ্যাৰ স্পষ্টকৈ প্রকাশ কৰিবলৈ অসমর্থ। মানৱৰ সমস্যাৱলী সম্পর্কে এনেধৰণৰ বৌদ্ধিক দৃষ্টিভংগী হেগেলৰ দর্শনত প্রতিফলিত হয়। সেই সময়ত দর্শনত পৰম্পৰাগত ব্যাখ্যাৰ বিপৰীতে মানুহৰ অস্তিত্বৰ সম্পর্কত আন্দোলন গঢ় লৈছিল আৰু যিয়েই অস্তিত্ববাদ নামেৰে জনাজাত। এই আন্দোলন সম্পূর্ণৰূপে পৰম্পৰাগত পাশ্চাত্য বৌদ্ধিক দর্শন,

প্ৰকৃতিবাদ আৰু ভাৱবাদৰ ঘোৰ বিৰোধী আছিল। অস্তিত্ববাদ হ'ল এখন দৰ্শন যিয়ে ব্যক্তিৰ স্বাধীনতা আৰু দায়িত্বৰ অস্তিত্ব সম্পৰ্কে গুৰুত্ব আৰোপ কৰে। এনেধৰণৰ দাৰ্শনিক আন্দোলনে অস্তিত্বৰ তাৎপৰ্য্য আৰু ব্যক্তি অস্তিত্বক মূল্য প্ৰদান কৰাৰ চেষ্টা কৰে। দৰ্শনৰ অন্য মায়াসমূহৰ দৰে এই মতবাদে ব্যক্তিৰ ধাৰণা আৰু ব্যক্তিনিষ্ঠ আৰু কৰ্মৰাজিৰ ওপৰত আচৰণ নকৰে। অস্তিত্ববাদীসকলৰ মতে বুদ্ধিয়ে ব্যক্তিক সাৰ্বিকতা প্ৰদান কৰাৰ চেষ্টা কৰে। তেওঁলোকৰ মতে, 'মানুহ' শব্দৰ ধাৰণাক বুদ্ধিৰ সহায়ত ব্যাখ্যা প্ৰদান কৰা অসম্ভৱ। মানৱজাতি কেতিয়াও বিধেয় হ'ব নোৱাৰে, ই হ'ল সম্পূৰ্ণ ব্যক্তিনিষ্ঠ। সেইবাবে অস্তিত্ববাদত মানৱৰ অস্তিত্ব ব্যাখ্যাৰ বাবে ওতঃপ্ৰোতভাৱে জড়িত যদিও অন্যান্য বস্তুৰ অস্তিত্ব সম্পৰ্কে বিৰোধভাৱ প্ৰদৰ্শন কৰে।

৯.৩ ৬ (ছয়) জন মুখ্য অস্তিত্ববাদী দাৰ্শনিকসকল

অস্তিত্ববাদ আন্দোলন ১৯ শতিকাৰ পৰা আৰম্ভহৈ ২০ শতিকা পৰ্য্যন্ত আছিল এক দাৰ্শনিক আন্দোলন। বিশেষকৈ চ'ৰেন কিয়েৰকেগার্ড আৰু ফ্ৰেড্ৰিক নিট্জে আছিল এই আন্দোলনৰ সমৰ্থক। অন্যান্য অস্তিত্ববাদী দাৰ্শনিকসকল হ'ল— মার্টিন হৈডেগাৰ, জা প'ল ছাঁটে, গ্ৰেৱিয়েল মার্ছেল আৰু কালজেছ্পাৰ্ছ। চ'ৰেন কিয়েৰকেগার্ড হ'ল অস্তিত্ববাদৰ মূল প্ৰৱর্তক। অস্তিত্ববাদে বিশেষকৈ মানুহৰ জীৱন নিৰ্বাহ সম্পৰ্কত, যন্ত্ৰনা আৰু ব্যক্তিৰ পছন্দৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বিংশ শতিকাৰ প্ৰাৰম্ভিকতে হোৱা বিশ্বযুদ্ধই মানুহৰ মনবোৰক ভৱিষ্যতৰ বিষয়ে অন্ধকাৰময় কৰি তোলে। সেই সময়তে কিয়েৰকেগার্ডৰ দৰ্শনত মানুহক স্বতন্ত্ৰ ব্যক্তিৰূপে আৱিষ্কাৰ কৰিবলৈ সক্ষম হয়। কিয়েৰকেগার্ড আছিল হেগেলিয়ান বৌদ্ধিক ব্যাখ্যাৰ বিৰোধী। সেইবাবে তেওঁ ব্যক্তিনিষ্ঠ সত্যতাৰ ওপৰত প্ৰাধান্য প্ৰদান কৰিছিল যদিও কৰ্মৰাজিৰ ওপৰত নহয়। জার্মান দাৰ্শনিক ফ্ৰেডেৰিক নিট্জেৰ ইচ্ছাশক্তি, অতিমানৱ আৰু নৈতিকতা ভাৱৰ প্ৰৱল সমৰ্থক আছিল। অন্য এজন অস্তিত্বাবাদী দাৰ্শনিক কালডেচপার্চৰ দৰ্শন আছিল সম্পূৰ্ণৰূপে জগত সম্পৰ্কত, জড়, জীৱন আৰু মন সম্পৰ্কত আৰু তেওঁ আত্মাৰ সম্পৰ্কত গুৰুত্বতা প্ৰদান কৰিছিল। তাৰোপৰি তেওঁৰ দৰ্শন আছিল ক্ষুধা, হতাশা আৰু মানুহৰ মৃত্যুবো প্ৰতি থকা পূৰ্ব ধাৰণা। আনহাতে দাৰ্শনিক মার্টিন হিডেগাৰে অস্তিত্বৰ সমস্যা, স্থিত আত্মা (ডেছিন) আৰু অস্তিত্বৰ প্ৰকৃততা আৰু অপ্ৰকৃততা সম্পৰ্কত গুৰুত্ব আৰোপ কৰিছিল। ফ্ৰান্স দাৰ্শনিক গ্ৰেৱিয়েল মার্ছেল মানৱৰ জীৱন নিৰ্বাহ আৰু চিন্তাৰ প্ৰতিক্ষলন দৰ্শনত কৰিছিল। তেওঁ বিশ্বজগতত মানৱক পৰিস্থিতি পৰিৱেশৰ ওপৰত ভিত্তি কৰি ব্যাখ্যা কৰাৰ চেষ্টা কৰিছিল। আনহাতে অন্য এগৰাকী ফ্ৰান্সৰ অস্তিত্ববাদী দাৰ্শনিক জ্যা-পল-ছাঁটে মানুহৰ অবাধ স্বাধীনতা সম্পৰ্কে ব্যাখ্যা আৰু অস্তিত্ববাদক সম্পূৰ্ণৰূপে মানৱতাবাদ দৰ্শন বুলি ব্যাখ্যা প্ৰদান কৰিছিল যদিও প্ৰত্যেকজনৰ চিন্তাৰ অমিল আছিল যদিও এইটো সত্য যে এনেধৰণৰ সাধাৰণ ধাৰণাবোৰ কেৱল দাৰ্শনিকৰ বাবেহে অস্তিত্ববাদে খ্যাতি অৰ্জন কৰিবলৈ সক্ষম হ'ল।

৯.৪ অস্তিত্ববাদত ঈশ্বৰবাদ আৰু ঈশ্বৰবিৰোধী মতবাদ

অস্তিত্ববাদ দুটা ভাগত বিভক্ত। এটা হ'ল ঈশ্বৰবাদী অস্তিত্ববাদ আৰু আনটো হ'ল ঈশ্বৰ বিৰোধী অস্তিত্ববাদ। অস্তিত্ববাদীসকলৰ ঈশ্বৰৰ অস্তিত্ব আৰু মানৱৰ অস্তিত্বৰ সম্পৰ্কতে এই দুই পৃথক বিভাগৰ সৃষ্টি হৈছে। ঈশ্বৰ বিশ্বাসী অস্তিত্ববাদীসকলে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস কৰে। সেইবাবে ঈশ্বৰক এক গভীৰ সত্যৰ ব্যক্তিনিষ্ঠ হিচাপে বিবেচনা কৰে। দর্শনত কিয়েৰকেগার্ড হ'ল এজন ঈশ্বৰবাদৰ সমর্থক অস্তিত্ববাদী দার্শনিক।

আনহাতে ঈশ্বৰ বিৰোধী দার্শনিকসকলে ঈশ্বৰৰ অস্তিত্ব অস্বীকাৰ কৰিছে। মানুহ হ'ল সম্পূর্ণ স্বাধীন আৰু নিজ কর্মৰ বাবে নিজেই দায়বদ্ধ। প্রত্যেক ব্যক্তিয়ে গুণ আৰু নিজৰ স্থিতি সম্পর্কে সম্পূর্ণ জ্ঞাত। ভগৱানৰ আশ্রয়ৰ কোনো প্রয়োজন নাই। ফ্রেডেৰিক নিট্‌জে হ'ল ঈশ্বৰ বিৰোধী অস্তিত্ববাদী দার্শনিক। তেওঁ ঈশ্বৰক 'মৃত' বুলি অভিহিত কৰিছে। মৃত হোৱাৰ বাবে ঈশ্বৰক অস্বীকাৰ আৰু পৰমমূল্য প্রদান কৰা অনুচিত। ঠিক সেইদৰে জাঁ পল ছাঁটে অন্য এজন ঈশ্বৰ বিৰোধী অস্তিত্ববাদী দার্শনিক আৰু মানুহ হ'ল নিজ কর্মৰ বা মূল্যৰ উদ্ভাৱনী শক্তি। সেয়ে ব্যক্তি হ'ল সম্পূর্ণ স্বাধীন আৰু তেওঁৰ স্বাধীনতাক নিজৰ বাহিৰে কোনেও নিয়ন্ত্রন কৰিব নোৱাৰে।

৯.৫ অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী

অস্তিত্ববাদৰ মূল তত্ব হ'ল অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী। তেওঁলোকৰ মতে মানুহ প্রথমে অস্তিত্বশীল আৰু তাৰ পাছতহে জগতৰ আৰু নিজৰ সম্পর্কে অৱগত হয়। লেটিন শব্দ 'Existere'ৰ পৰা ইংৰাজী 'Existence' শব্দৰ আবির্ভাৱ। ইয়াৰ অর্থ হ'ল থিয় হোৱা। অস্তিত্ববাদে সম্পূর্ণ অস্তিত্ব, আত্মচৈতন্য আৰু বর্ধিত জীৱনৰ বাবে নিজে দায়বদ্ধ বুলি অভিহিত কৰে। ব্যক্তি সম্পূর্ণৰূপে নিজৰ ওপৰত নির্ভৰশীল। ব্যক্তিৰ অস্তিত্ব সম্পর্কে সম্পূর্ণ সচেতন আৰু তাৰ পাছতহে অন্য বস্তুবোৰৰ সচেতনতাৰ প্রতি দায়বদ্ধ হয়। অস্তিত্ববাদীসকলে স্বীকাৰ কৰে যে অস্তিত্ব কেতিয়াও অর্জিত নহয়। ই হ'ল সম্পূর্ণৰূপে অভিজ্ঞতালব্ধ। দার্শনিক প্লেটোৰ গুণক অস্তিত্বৰ পূর্বৱর্তী বুলি স্বীকাৰ কৰিছিল। তেওঁৰ মতে গুণবোৰ অস্তিত্বৰ পূর্বৱর্তী। কিন্তু পাছত অস্তিত্ববাদী দার্শনিকসকলে প্লেটোৰ মতবাদক অস্বীকাৰ কৰি প্রতিষ্ঠা কৰিলে যে অস্তিত্ব গুণৰ পূর্বৱর্তী। তেওঁলোকে যুক্তি প্রদর্শন কৰিলে যে কোনো মানুহেই গুণেৰে বিভুষিত হৈ জন্ম গ্রহণ নকৰে। অস্তিত্বইহে গুণৰ আবির্ভাৱ কৰে। সেয়ে অস্তিত্ব গুণৰ পূর্বৱর্তী। জাঁ-পল-ছার্টে তেওঁৰ বিখ্যাত গ্রন্থ 'Existentialism and Humanism' ত উল্লেখ কৰিছিল যে মানুহে সকলো গুণৰ সমাহাৰ কৰিব পাৰে। মানুহে নিজ ইচ্ছা অনুসাৰে গুণৰ আৱির্ভাৱ কৰিব পাৰে। সেইবাবে ছার্টে আৰু অন্যান্য অস্তিত্ববাদী দার্শনিকসকলে কেনেডেকার্টৰ বিখ্যাত উক্তিক খণ্ডন কৰিছে। ডেকার্টৰ মতে 'মই চিন্তা কৰো সেইবাবেহে মই আছো' এই কথাষাৰ তেওঁলোকে সম্পূর্ণ অস্বীকাৰ কৰিছে। অস্তিত্ববাদীসকলে অস্তিত্বৰ পূর্বতে চিন্তা কৰা অসম্ভৱ বুলি যুক্তি প্রদর্শন কৰিছে। সেইবাবে মানুহৰ বাবে সত্য যে অস্তিত্ব মৌলিকত্বৰ পূর্বৱর্তী।

৯.৬ অস্তিত্ববাদৰ বৈশিষ্ট্যসমূহ

অস্তিত্ববাদৰ বৈশিষ্টাৱলী তলত উল্লেখ কৰা হ'ল—

অস্তিত্ববাদীসকলে মানুহৰ অস্তিত্ব সম্পর্কত মানুহৰ অভিজ্ঞতা যিহেতু শৰীৰ, জগত আৰু সমাজৰ লগত ওতঃপ্রোতভাৱে জড়িতৰ ওপৰত প্রাধান্যতা প্রদান কৰিছে। ইয়েই ব্যক্তিৰ একেজাতীয় আৰু অস্তিত্বৰ প্রাথমিকতা প্রমাণ কৰে। সেইবাবে তেওঁলোকে ব্যক্তিৰ অস্তিত্বক উচ্চতম সত্য বুলি স্বীকাৰ কৰিছে।

অস্তিত্ববাদীসকলে গুণৰ সমাহাৰক অস্বীকাৰ কৰে। গ্রীক দার্শনিক প্লেটোৰ আৰির্ভাৱৰ সময়ৰ ধাৰণা বা প্রত্যয়ৰ পৰা মানুহৰ অস্তিত্ব সম্পর্কত অৱদমনৰ সৃষ্টি হয়। সেইবাবে অস্তিত্বাদীসকলে অস্তিত্ব গুণৰ ওপৰত থকা প্রভুতৰ কথা ব্যাখ্যা কৰিবৰ চেষ্টা কৰে। মানৱৰ অস্তিত্বৰ বাবে প্রাথমিক গুণক অস্বীকাৰ কৰি অস্তিত্বক বেছি অর্থহে কৰি তুলিছে।

অস্তিত্ববাদে মানৱৰ অস্তিত্বক বেছি গুৰুত্ব প্রদান কৰিছে। অস্তিত্ববাদীসকলে ব্যক্তি জীৱনৰ বিভিন্ন অভিজ্ঞতাৰ সমষ্টি যেনে- অনুভুতি, চিন্তা, ইচ্ছা ব্যক্তিৰ ওপৰত নির্ভৰশীল। তেওঁলোকে সেইবাবে প্রাকৃতিকবাদৰ ব্যাখ্যাক প্রত্যাখান কৰিছে। মানুহক প্রাকৃতিকবাদ, ভাৱবাদ আৰু জড়সম্পর্কীয় মতবাদে কর্মক প্রাধান্যতা দিয়াৰ বাবে মানুহক চিন্তাৰ বিষয় হিচাপেহে বিবেচনা কৰে। কিন্তু মানুহৰ অভিজ্ঞতাক কেতিয়াও চিন্তা বা জটিল ৰূপান্তৰ কৰিব নোৱাৰি।

অস্তিত্ববাদীসকলে মানুহৰ স্বাধীনতা আৰু দায়িত্বক বেছি গুৰুত্ব প্রদান কৰিছে। তেওঁলোকৰ মতে মানুহ হ'ল সম্পূর্ণ স্বতন্ত্র যিয়ে নিজৰ পছন্দ আৰু সিদ্ধান্ত গ্রহণ কৰিব পাৰে। সেইবাবে মানুহৰ স্বাধীন পছন্দ আৰু সিদ্ধান্তই মানৱ জীৱনটোক অর্থবহ কৰি তোলে। নিজেই ইচ্ছামতে পছন্দ কৰিব পাৰে। সেইবাবে ছ'ৰেন কিয়েৰকেগার্ডে বিশ্বাস কৰে যে ব্যক্তি স্বাধীনতাই প্রত্যেক সিদ্ধান্তৰ মূল বা ছাৰি কাঠি ।

অস্তিত্ববাদীসকলৰ মতে, ব্যক্তিৰ নৈতিক অনুভূতি বিভিন্ন নৈতিক স্বীকার্যৰ ওপৰত প্রতিষ্ঠিত। ব্যক্তিৰ অস্তিত্বশীলতাই ব্যক্তিক প্রকৃতার্থত মুখ্য বা মাত্রা প্রদান কৰে। সেইবাবে কিয়েৰকেগার্ডৰ দর্শনত প্রকৃত ব্যক্তিক সম্পূর্ণ একমাত্র ব্যক্তিগত বুলি অভিহিত কৰিছে। দুইপ্রকাৰৰ অস্তিত্ব হ'ব পাৰে— প্রকৃত অস্তিত্ব আৰু অপ্রকৃত অস্তিত্ব। সেইবাবে প্রকৃত অস্তিত্বক ব্যক্তিসত্তাৰ উচ্চতম পর্যায় বুলি বিবেচনা কৰা হয়। অস্তিত্ববাদীসকলে হেগেলৰ পদ্ধতিগত দর্শনৰ ওপৰত নির্ভৰশীল নহয়। ই কেৱল ব্যক্তিৰ জীৱন অভিজ্ঞতাক প্রাধান্য প্রদানেৰে বিশ্লেষণ কৰে। ব্যক্তিৰ ভয়াবহতা, খং, হতাক্ষা, আশা, সম্পূর্ণৰূপে প্রেমৰ ওপৰত আধাৰিত।

সেইবাবে ব্যক্তিৰ জীৱন অভিজ্ঞতাক প্রাধান্যতা দিয়াৰ বাবে অস্তিত্ববাদে নিৰাশাবাদ বা দুখবাদলৈ ধাবিত হয়। কিন্তু অস্তিত্ববাদীসকলৰ দুখবাদ সম্পূর্ণৰূপে সক্রিয়, ই নিষ্ক্রিয় নহয়। জীৱনৰ সকলো বাধা নেওচি জীৱনটোক অর্থবহ কৰি নিজৰ অস্তিত্ব প্রমাণ কৰাৰ বাবে চেষ্টা অব্যাহত ৰাখে।

অস্তিত্ববাদ সম্পূর্ণৰূপে বৈজ্ঞানিক দর্শন আৰু চিন্তাধাৰাক বিৰোধ কৰে। বিজ্ঞান প্রযুক্তিৰ

দ্রুত উন্নয়ন, দ্রুত উদ্যোগীকৰণ আৰু নগৰীকৰণ ও সম্ভৱ হ'ব পাৰে। এনেকুৱা হ'লে ব্যক্তি সত্তা লোপ হোৱাৰ সম্ভাৱনা বেছি। বৰ্তমান সময়ত ব্যক্তিয়ে নিজৰ চিন্তা চৰ্চা পৰিহাৰ কৰি সম্পূৰ্ণ বিজ্ঞানৰ অৱদানৰ ওপৰত নিৰ্ভৰশীল হৈ পৰিছে। সেইবাবে অস্তিত্ববাদীসকলে বিবেচনা কৰে যে বিজ্ঞানে মানুহৰ মূল্যক অৰ্থহীন কৰি তুলিছে।



অগ্রগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ অস্তিত্ববাদীসকলৰ মূল বিষয়বস্তু কি?

.....

.....

প্ৰশ্ন নং ২ ঃ অস্তিত্ববাদীসকলে মানুহৰ অস্তিত্ব বাবে বৌদ্ধিক ব্যাখ্যাক বিশ্বাস কৰে নে?

.....

.....

প্ৰশ্ন নং ৩ ঃ ঈশ্বৰ বিৰোধী অস্তিত্ববাদী এজন দাৰ্শনিকৰ নাম উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ কোনটো শতিকাত অস্তিত্ববাদীসকলৰ আন্দোলন আৰম্ভ হৈছিল?

.....

.....

প্ৰশ্ন নং ৫ ঃ 'ইচ্ছাই শক্তি' কোনজন দাৰ্শনিকে উল্লেখ কৰিছে?

.....

.....

প্ৰশ্ন নং ৬ ঃ 'মৌলিকত্ব অস্তিত্বৰ পূৰ্ববৰ্তী' বুলি কোনে উল্লেখ কৰিছে?

.....

.....

৯.৭ সামৰণি

অস্তিত্ববাদ হ'ল দৰ্শনৰ এটা শাখা আৰু দৰ্শনৰ এক আন্দোলন যিয়ে ব্যক্তিৰ জগতত স্থিতি আৰু জীৱনৰ বাটত সন্মুখীন হোৱা সমস্যাৱলীৰ সম্পৰ্কে কৰা অধ্যয়ন। অস্তিত্ববাদ অনুসাৰে দৰ্শন হ'ল ব্যক্তিৰ জীৱনৰ স্থিতি আৰু সন্মুখীন হোৱা সমস্যাৱলী আলোচনা। সেইবাবে ই সকলোধৰণৰ বৌদ্ধিক ব্যাখ্যাক মানৱীয় অস্তিত্বৰ সম্পৰ্কত বিৰোধীতা কৰে। মানৱীয় অস্তিত্বক বুদ্ধিৰ সহায়ত ব্যাখ্যা কৰা বিষয় নহয়। ইয়াক কেৱল উপলব্ধ কৰাহে সম্ভৱ। সেইবাবে অস্তিত্ববাদে

মানৱীয় অস্তিত্বক ব্যক্তি নিষ্ঠাৰ সহায়তহে ব্যাখ্যা কৰা সম্ভব যদিও কৰ্মৰ দ্বাৰা নহয়। তাৰোপৰি অস্তিত্ববাদে মানৱীয় অস্তিত্বক স্বাধীনতা আৰু দায়িত্বৰ সহায়ত ব্যাখ্যা কৰা সম্ভৱ। ব্যক্তিয়ে নিজৰ স্বাধীনতাৰ জৰিয়তে ব্যাখ্যা কৰিবলৈ সক্ষম হয়। সেইবাবে অস্তিত্ববাদীসকলৰ মতে, অস্তিত্ব সদায় মৌলিকত্বৰ পূৰ্বৱৰ্তী হয়।



৯.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- মানুহৰ অস্তিত্ব সম্পৰ্কে কেৱল উপলব্ধহে সম্ভৱ। প্লেটোৱে উল্লেখ কৰাৰ দৰে ই ধাৰণা বা প্রত্যয় নহয় । সেইবাবে অস্তিত্ববাদীসকলে মানৱৰ অস্তিত্ব সম্পৰ্কে থকা পৰম্পৰাগত ব্যাখ্যাক বিৰোধীতা কৰিছে।
- বিংশ শতিকাৰ প্রথমার্ধত অস্তিত্ববাদী আন্দোলনৰ সুত্রপাত হৈছিল মৌলিকত্ববাদ, প্রকৃতিবাদ, বৌদ্ধিকতাবাদ আৰু বৈজ্ঞানীক চিন্তাৰ বিপৰীতে। অস্তিত্ববাদীসকলে মানুহৰ অর্থবহতা সম্পৰ্কে গুৰুত্ব আৰোপ কৰিছিল যি কেৱল আত্মগতহে।
- অস্তিত্ববাদীসকলে মানবীয় অস্তিত্বক ব্যক্তিসত্তাৰ জৰিয়তেহে ব্যাখ্যা প্রদান কৰিছিল। ই সম্পূর্ণ ৰূপে মানৱীয় অস্তিত্ব সম্পৰ্কে বৌদ্ধিক বিৰোধীতা কৰিছে।
- অস্তিত্ববাদীসকলৰ মতে, অস্তিত্ব মৌলিকত্বৰ পূৰ্বৱৰ্তী। অস্তিত্ব মৌলিকত্বৰ বাবে অতি প্রয়োজন। তেওঁলোকৰ মতে, জগতত প্রথমে অস্তিত্ব আৰু পাছতহে গুণবোৰ সম্ভৱ হয়।
- অস্তিত্ববাদ দুটা ভাগত বিভক্ত। এটা হ'ল সম্পূর্ণৰূপে ঈশ্বৰ বিশ্বাসী অস্তিত্ববাদ আৰু আনটো ঈশ্বৰ বিৰোধী অস্তিত্ববাদ। কিয়েৰকেগার্ড হ'ল অস্তিত্ববাদৰ প্রৱর্তক আৰু তেওঁ ঈশ্বৰ বিশ্বাসী দার্শনিক। অন্যহাতে ছার্টে আৰু নিট্‌জে হ'ল ঈশ্বৰ বিৰোধী অস্তিত্ববাদী দার্শনিক।
- অস্তিত্ববাদীসকলৰ মাজত যদিও চিন্তাৰ বৈষ্যমতা আছে তথাপি বহুক্ষেত্রত সকলোৱে সহমত পোষন কৰে। তেওঁলোক সকলোৱে বস্তুগত সত্যতা অস্বীকাৰ কৰে। তেওঁলোকে বিশ্বাস কৰে যে সত্য কেৱল আত্মগতহে। মানুহৰ অস্তিত্বক কেৱল আত্মগতভাৱেহে উপলব্ধ সম্ভৱ হয়।



৯.৯ অধিক জানিবলৈ

1) Bhadra, M. K. (2004), A Critical Survey of Phenomenology and Existentialism, New Delhi, Indian Council of Philosophical Research.

2) Sartre, J. P., (1956), Existentialism is a Humanism, translated by W.

Kaufmann, Cleveland, World Publishing, Meridian Books.

3) Solomon, C. Robert, (2005), Existentialism, New York, Oxford University Press.

4) Sinha, J. N. (2006), Introduction to Philosophy, Kolkata, New Central Book Agency Pvt. Ltd.

5) Warhock, M. (1970), Existentialism, New York, Oxford University Press.



৯.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অস্তিত্ববাদৰ আলোচ্য বিষয় হ'ল মানৱৰ অস্তিত্ব সম্পর্কেহে।

২ নং প্রশ্নৰ উত্তৰ ঃ অস্তিত্ববাদী দার্শনিকসকলে মানুহৰ অস্তিত্বৰ বাবে বৌদ্ধিক ব্যাখ্যাক প্রত্যাখ্যান কৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ জা পল ছাঁটে।

৪ নং প্রশ্নৰ উত্তৰ ঃ বিংশ শতিকাৰ পৰা অস্তিত্ববাদী চিন্তাধাৰা আন্দোলন আৰম্ভ হৈছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ ফ্রেডেৰিক নিট্‌জে।

৬ নং প্রশ্নৰ উত্তৰ ঃ প্লেটো।



৯.১১ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ অস্তিত্ববাদ দর্শনৰ জনক কোন?

প্রশ্ন ২ ঃ 'ঈশ্বৰ মৃত' বাক্য শাৰী কোনে কৈছিল?

প্রশ্ন ৩ ঃ অস্তিত্ববাদক কোনে মানৱতাবাদ বুলি অভিহিত কৰিছিল?

প্রশ্ন ৪ ঃ অস্তিত্ববাদ মতবাদত 'অস্তিত্ব' শব্দৰ অর্থ কি?

প্রশ্ন ৫ ঃ 'Cogito Ergo Sum' বাক্য শাৰীৰ সমর্থক কোন আছিল?

প্রশ্ন ৬ ঃ অস্তিত্বৰ সমস্যা লগত জড়িত থকা দার্শনিকৰ নাম উল্লেখ কৰক।

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ অস্তিত্ববাদ মতবাদৰ ঐতিহাসিক আৰু বিকাশৰ সম্পর্কে লিখক।

প্রশ্ন ২ ঃ অস্তিত্ববাদত ঈশ্বৰ বিশ্বাসী আৰু ঈশ্বৰ বিদেশী মতবাদৰ উন্মেষৰ সম্পর্কে আলোচনা কৰক।

প্রশ্ন ৩ ঃ অস্তিত্ববাদী দার্শনিক সকলে কিয় বৈজ্ঞানিক দর্শন আৰু চিন্তাধাৰাক বিৰোধ কৰিছিল?

প্ৰশ্ন ৪ ঃ অস্তিত্ববাদীসকলৰ মানৱৰ অস্তিত্ব বৌদ্ধিক ব্যাখ্যা সম্পৰ্কে আলোচনা কৰক ?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ অস্তিত্ববাদৰ বৈশিষ্ট্যবোৰ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৬ জন মুখ্য অস্তিত্ববাদী দাৰ্শনিকৰ দৰ্শনৰ সম্পৰ্কে চমুকৈ ব্যাখ্যা প্ৰদান কৰক।

প্ৰশ্ন ৩ ঃ অস্তিত্ব মৌলিকত্বৰ পূৰ্বৱৰ্তী হয়নে ? আলোচনা কৰক।

*** ***** ***

অধ্যায় ১০ ঃ কিয়েৰকেগার্ড ঃ মানৱ জীৱনৰ তিনিটা স্তৰ বা পর্যায়

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ মানৱ জীৱনৰ তিনিটা স্তৰ
১০.৪ সৌন্দর্যাত্মক স্তৰ
১০.৫ নৈতিক স্তৰ
১০.৬ ধর্মীয় স্তৰ
১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১০.৮ অধিক জানিবলৈ
১০.৯ অগ্রগতিৰ খতিয়ান
১০.১০ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মানৱ জীৱনৰ তিনিটা স্তৰ সম্পর্কে কিয়েৰকেগার্ডৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- সৌন্দর্যাত্মক স্তৰ, নৈতিক স্তৰ আৰু ধর্মীয় স্তৰৰ ধাৰণা আলোচনা কৰিব পাৰিব
- তিনিটা স্তৰৰ মাজৰ পার্থক্য ব্যাখ্যা কৰিব পাৰিব।

১০.২ পৰিচয়

কিয়েৰ্কেগার্ডক অস্তিত্ববাদী দর্শনৰ জনক হিচাপে আখ্যা দিয়া হয়। অস্তিত্ববাদী দর্শনৰ ইতিহাসত কিয়েৰ্কেগার্ড এক জনপ্রিয় নাম আৰু তেওঁ মূলতঃ ব্যক্তিগত (individual) মানৱ অস্তিত্বৰ লগত জড়িত। কিয়েৰ্কেগার্ডৰ মতে, 'অস্তিত্ববাদ' শব্দটো সেইসকল বক্তিৰ বাবে সংৰক্ষিত যিসকলে তেওঁলোকৰ চিন্তা আৰু মূল্যৰ জৰিয়তে ব্যক্তিতগতভাৱে নিজৰ অস্তিত্ব বজাই ৰাখে। কিয়েৰ্কেগার্ডে কৈছে যে ব্যক্তি কেৱল অঙ্গপ্রত্যঙ্গ বিশিষ্ট স্বাভাৱিক অবয়ব নহয়, ব্যক্তি উদ্দেশ্য ৰূপে জ্ঞাত। ব্যক্তিয়ে সচেতন সত্তাৰূপে নিজৰ অন্তর্দৃষ্টিৰে বিষয়বোৰ প্রত্যক্ষ কৰে। সেইবাবে কোনেও ব্যক্তিক বৌদ্ধিক অথবা শাৰীৰিক দিশৰ পৰা ব্যাখ্যা কৰিব নোৱাৰে। কিয়েৰ্কেগার্ডৰ মতে, আত্মা সদায়েই 'অগ্রসবৰ প্রক্রিয়া' (Process of becoming)ত থাকে।

এজন ব্যক্তিয়ে প্রায়েই জনসমুদ্রৰ মাজত নিমজ্জিত হৈ নিজৰ অস্তিত্বৰ অর্থ অনুধাৱন কৰিবলৈ চেষ্টা কৰে। কিয়েৰ্কেগার্ডৰ মতে নিজৰ অস্তিত্ব বিচাৰ কৰাৰ বাবে এইটো সঠিক পথ নহয়। তেওঁৰ মতে, ব্যক্তিয়ে ঈশ্বৰৰ লগত একান্ত সম্পর্ক স্থাপনৰ জৰিয়তে নিজৰ অস্তিত্বৰ

প্ৰকৃত অর্থ নির্ধাৰণ কৰে। ব্যক্তিয়ে প্ৰায়েই এটা ক্ষেত্ৰত সচেতন হৈ থাকে যে তেওঁৰ 'অস্তিত্বশীল আত্মা' (existential self) বিশুদ্ধ আত্মা (essential self)ৰ পৰা গভীৰভাৱে পৃথক আৰু এই সচেতনতাই সৃষ্টি কৰা মানসিক উদ্বেগ এজনে ব্যক্তিৰ জীৱনত পৰিব্যাপ্ত হৈ থাকে। এজন ব্যক্তিয়ে নিজৰ বিশুদ্ধ আত্মাক ঈশ্বৰত উপলব্ধি নকৰালৈকে এই মানসিক উদ্বেগৰ পৰা হাত সাৰিব নোৱাৰে। ব্যক্তিয়ে অসীম ঈশ্বৰৰ লগত একাত্মতা স্থাপন কৰিব পাৰিলেহে নিজৰ আত্মাক উপলব্ধি কৰিব পাৰে। কিয়েৰ্কেগার্ডৰ মতে, ব্যক্তিয়ে তেতিয়াহে নিজৰ বিশুদ্ধ আত্মাক উদ্ধাৰ কৰিব পাৰে আৰু ব্যক্তিৰ 'অগ্ৰসৰৰ প্ৰক্ৰিয়া' (Process of becoming) আৰম্ভ হোৱাৰ লগে লগে বিশুদ্ধ আত্মাক উপলব্ধি অথবা উদ্ধাৰ কৰা বাসনা জাগ্ৰত হয়।

১০.৩ মানৰ জীৱনৰ তিনিটা স্তৰ (THE THREE STAGES OF LIFE OR HUMAN EXISTENCE)

কিয়েৰ্কেগার্ডৰ মতে, ব্যক্তিৰ 'অগ্ৰসৰৰ প্ৰক্ৰিয়া' (Process of becoming) মানৰ জীৱনৰ তিনিটা স্তৰ বা পর্যায় অথবা জীৱনৰ পথৰ তিনিটা স্তৰ অথবা অস্তিত্বশীল শ্ৰেণী অথবা অস্তিত্বৰ বিকাৰৰ দ্বাৰা অনুধাৱন কৰিব পাৰি। এই তিনিটা স্তৰ হ'ল সৌন্দর্যাত্মক স্তৰ (aesthetic স্তৰ) অথবা সাংবেদনিক স্তৰ (stage of immediacy), নৈতিক স্তৰ (etnical stage) যাক অর্হতা সম্পর্কীয় স্তৰ (stage of requirement) বুলিও কোৱা হয়; আৰু ধর্মীয় স্তৰ (religions stage) যাক সম্পাদনৰ স্তৰ অথবা পৰিপূর্ণ সন্তুষ্টি (stage of requisement)ৰ স্তৰ বুলিও ক'ব পাৰি। কিয়েৰ্কেগার্ডে এই তিনিটা স্তৰৰ সহায়ত ব্যক্তিয়ে আত্মিক বিকাশৰ অনুসন্ধান কৰোঁতে সন্মুখীন হোৱা মৌলিক বিকল্পসমূহৰ উল্লেখ কৰিবলৈ চেষ্টা কৰিছে। কিয়েৰ্গার্ডে তেওঁৰ 'Eithen/or' নামৰ বিখ্যাত গ্ৰন্থখনত মানৰ জীৱন অথবা অস্তিত্বৰ স্তৰ বা পর্যায়সমূহৰ বিষয়ে অতি সহধর্মিতাৰে আৰু প্ৰচুৰ উদ্ভাৱনী চিন্তাসম্পন্নভাৱে মনোৰম ব্যাখ্যা আগবঢ়াইছে।

মানৰ জীৱনৰ প্ৰতিটো পর্যায় স্তৰবদ্ধভাৱে বিন্যাস কৰা হৈছে। এজন ব্যক্তিয়ে তেওঁৰ চেতনাত সৌন্দর্যাত্মক স্তৰৰ পৰা নৈতিক স্তৰলৈ আৰু শেহত ধর্মীয় স্তৰলৈ অগ্ৰগতি লাভ কৰে। মানৰ অস্তিত্বৰ বিভিন্ন স্তৰৰ বিকাশ স্বয়ংক্ৰিয়ভাৱে সম্পন্ন নহয়, ইয়াৰ এক আধ্যাত্মিক প্ৰকৃতি বিৰাজমান। সেইবাবে ব্যক্তিৰ এক সচেতন নির্বাচন ক্ষমতা বিকাশৰ বাবে প্ৰয়োজন হয়। ব্যক্তিয়ে এই স্বয়ংসম্পূর্ণ অৱস্থিতিসমূহত সমগ্ৰ জীৱন-যাপন কৰিব পাৰে।

কিয়েৰ্কেগার্ডে এই অস্তিত্বৰ অৱস্থিতিসমূহক চৰম আৰু কঠোৰ সূত্ৰ বুলি ব্যক্তি কৰাৰ পৰিৱর্তে অভিজ্ঞতা ব্যাখ্যাৰ আটাইতকৈ সহজ উপায় বুলি বিবেচনা কৰিছে। তেওঁৰ মতে, ব্যক্তিৰ এটা স্তৰৰ পৰা আন এটা স্তৰলৈ পৰিৱর্তন সম্ভৱ হয় এটা জাঁপ অথবা মুক্ত নির্বাচন (free choice)ৰ দ্বাৰা এটা স্তৰৰ অনুপযুক্ততা থাকিলেও অন্য এটা স্তৰ বা অৱস্থিতি নির্বাচন কৰিবই লাগিব। অৱশ্যে কিয়েৰগার্ডে কেতিয়াও কোৱা নাই যে এটা স্তৰৰ পৰা আন এটা স্তৰলৈ হোৱা পৰিৱর্তন পদ্ধতিগতভাৱে প্ৰকাশ কৰিব পাৰি অথবা এইটো এটা আৱশ্যকীয় স্তৰ। কিন্তু তেওঁ

সৌন্দর্যাত্মক স্তৰৰ সমালোচনা কৰি কৈছিল যে এই স্তৰটো পৰিত্যাগ কৰি পিছৰ প্রকাৰটো গ্রহণ কৰা উচিত।

মানৰ জীৱনৰ তিনিটা স্তৰ বা পর্যায় এটা আনটোৰ লগত সংগতিপূর্ণ নহ'লেও কেতিয়াবা নৈতিক আৰু ধর্মীয় স্তৰক একেটা স্তৰ বুলি অভিহিত কৰা হয়। এই স্তৰটো সৌন্দর্যাত্মক স্তৰৰ বিৰোধী। কিয়েৰ্কেগার্ডে তেওঁৰ লেখনিসমূহত মানৰ অস্তিত্বৰ অৱস্থিতিসমূহৰ মাজত পৰিৱর্তন নাথাকিলেও ধর্মীয় স্তৰক আটাইতকৈ উচ্চতম স্তৰ বুলি অভিহিত কৰিছে।

কিয়েৰ্কেগার্ডৰ মতে, অস্তিত্বৰ সকলো স্তৰ একে মাত্রাতে যুক্তিযুক্ত নহয় আৰু সেইবাবে কোনটো স্তৰ ব্যক্তিয়ে নির্বাচন কৰিব সেইটো গুৰুত্বপূর্ণ কথা নহয়। গুৰুত্বপূর্ণ কথাটো হ'ল যে ব্যক্তিয়ে নিজৰ নির্বাচনী ক্ষমতাৰ প্রয়োগৰ দ্বাৰা আৰু নির্বাচন সম্পন্ন কৰি, নিজকে এক ব্যক্তিৰূপে প্রমাণ কৰে। নির্বাচনৰ বাবে অস্তিত্বৰ স্তৰ বা পর্যায়সমূহ সদায় বৈধ অথবা অবৈধ সম্ভাৱনাৰূপে উপস্থাপিত হয়। এইটো কাৰণৰ বাবেই কিয়েৰ্কেগার্ড সিহঁতৰ মাজত অগ্রাধিকাৰ প্রদর্শন কৰিবলৈ সমর্থ হোৱা নাই। কিয়েৰ্কেগার্ডে তেওঁৰ গ্রন্থ 'Either/or' ত নির্বাচিত বিকল্পসমূহ বর্ণনা কৰোঁতে ছদ্মনামী বিচাৰক উইলহেম্ (Wilhem) আৰু জহানছ্ (Johannes) দৰে নিৰপেক্ষ আৰু নিযুক্ত কৃত্রিম চৰিত্রৰ অৱস্থাপন গ্রহণ কৰিছিল। তেওঁলোকে তেওঁলোকৰ কথাবার্তাৰ জৰিয়তে সৌন্দর্যাত্মক আৰু নৈতিক স্তৰৰ মূল্য আৰু সমস্যাসমূহ প্রকাশ কৰাৰ উপৰিও দুয়োটা স্তৰৰ গুণসমূহো প্রকাশ কৰিছিল। অৱশ্যে নৈতিক আৰু সৌন্দর্যাত্মক স্তৰৰ ভিতৰত কোনটো স্তৰ নির্বাচন কৰা উচিত এই সম্পর্কে তেওঁলোকে কোনো পৰামর্শ আগবঢ়োৱা নাই।

কিয়েৰ্কেগার্ডৰ মতে অনুপযুক্ততাৰ বাবে এটা স্তৰৰ পৰা আনটো স্তৰলৈ প্রকৃত অগ্রগতি সম্ভৱ হয়; আৰু এই অগ্রগতি ধার্মিক স্তৰত সমাপ্ত হয়। ধার্মিক স্তৰটো জীৱনৰ সঠিক পথ কাৰণ, কিয়েৰ্কেগার্ডৰ মতে, পূর্বৱর্তী সৌন্দর্যাত্মক আৰু নৈতিক — দুয়োটা অনুপযুক্ত আৰু দুয়োটাই নিৰাশাৰ সৃষ্টি কৰে। কিয়েৰ্কেগার্ডে এই কথাখিনি তেওঁৰ (Philosophical Frag- ments, concluding unscientific postscript Sickness Unto Death) গ্রন্থত ব্যক্ত কৰিছে।

১০.৪ সৌন্দর্যাত্মক (স্তৰ/অস্তিত্বৰ) সৌন্দর্যাত্মক প্রকাৰ (AESTHETIC STAGE/ AESTHETIC MODE OF EXISTENCE)

সৌন্দর্যাত্মক স্তৰটো হ'ল আটাইকেইটা স্তৰৰ ভিতৰত আটাইতকৈ মনোৰম আৰু কম দৃঢ় স্তৰ। বেছিসংখ্যক লোকেই এই স্তৰটো অধিগ্রহণ কৰি থাকে। এই স্তৰৰ মূল বৈশিষ্ট্য হ'ল আনন্দ আৰু সপোন তথা অলীক কল্পনাৰ মাজত জীৱনৰ এই স্তৰ বর্তি থাকে। এই স্তৰত ব্যক্তিয়ে স্বয়ংচালিত চৰিত্রত বসবাস কৰে আৰু নিজৰ আৱেগ আৰু অনুভূতি অনুযায়ী আচৰণ প্রদর্শন কৰে। সৌন্দর্যাত্মক স্তৰত ব্যক্তিয়ে ভোগ-বিলাস আৰু ইন্দ্রিয়মুখৰ দ্বাৰা পৰিচালিত হয়। কিয়েৰ্কেগার্ডৰ মতে, এই স্তৰটোৱে ব্যক্তিক কোনো স্থায়ী পৰিচয়বোধ প্রদান নকৰে আৰু ই মানুহক ব্যক্তিকেন্দ্রিকতা অথবা ব্যক্তিত্বৰ পৰা পৃথক কৰি পেলায়।

সৌন্দর্যাত্মক স্তৰৰ মূল উদ্দেশ্য হ'ল বিভিন্ন প্রকাৰৰ ইন্দ্রিয় সুখ উপভোগ কৰা। কিয়েৰ্কেগার্ডৰ মতে কর্তব্যকে আদি কৰি সকলোবোৰ ইন্দ্রিয়মুখৰ তলতীয়া। সৌন্দর্যাত্মক স্তৰত প্রত্যেকটো বিষয় খেল, উপভোগ অথবা মোহৰ বিষয় হৈ পৰে। সৌন্দর্যাত্মক স্তৰত ব্যক্তিয়ে নিজকে নৈতিক সংগ্রামৰ পৰা বিচ্ছিন্ন কৰি তোলে আৰু কেৱল সৌন্দর্যৰ সন্ধানত নিজকে ব্যস্ত ৰাখে।

জীৱনৰ সৌন্দর্যাত্মক স্তৰ এক মৃত্যুমুখী পথ। ই জীৱনক সকলো অর্থৰ পৰা বঞ্চিত কৰে আৰু জীৱনলৈ বিৰক্তি, অৱসাদ আৰু ঘৃণা কঢ়িয়াই আনে। এই স্তৰত ব্যক্তিয়ে হতাশাৰ পৰা পৰিত্রাণ পাবৰ বাবে অধিক ইন্দ্রিয়সুখ কামনা কৰে। ইয়াত ব্যক্তিয়ে ইন্দ্রিয়সুখৰ ধাৰা অব্যাহত ৰাখিবলৈ ভ্রমাত্মক জীৱন লাভ কৰিবলৈ চেষ্টা কৰে।

পৰিশেষত ক'ব পাৰি, অস্তিত্বৰ সৌন্দর্যাত্মক স্তৰত ইন্দ্রিয় পৰিতৃপ্তিৰ পুনৰাবৃত্তি ঘটে আৰু ফলত এই স্তৰ বিৰক্তিকৰ, অর্থহীন আৰু শূন্য হৈ পৰে। সৌন্দর্যাত্মক স্তৰ অর্থহীন হতাশাৰ জীৱন কঢ়িয়াই আনে। কেৱল ইন্দ্রিয় সুখ, আনন্দৰ প্রতি মতলীয়া হৈ ব্যক্তি নিজৰ প্রতি বিৰক্ত হৈ পৰে। এই উপলব্ধিয়ে ব্যক্তিক ভাৱিবলৈ বাধ্য কৰায় যে তেওঁৰ অন্তঃমৃত প্রাণে এক অধিক অর্থপূর্ণ অস্তিত্বৰ বাবে ব্যাকুল হৈ পৰিছে আৰু তেওঁৰ জীৱন দুঃসহ/অসহনীয় হৈ পৰিব যদিহে তেওঁৰ এই আধ্যাত্মিক প্রয়োজনক অৱদমিত কৰা হয়।

কিয়েৰ্কেগার্ডে এনেধৰণৰ ব্যক্তিৰ বাবে জীৱনৰ নৈতিক পথ গ্রহণৰ পৰামর্শ আগবঢ়াইছে। তেওঁৰ মতে জীৱনৰ সৌন্দর্যাত্মক স্তৰৰ পৰা নৈতিক স্তৰলৈ পৰিৱর্তন এক সিদ্ধান্ত গ্রহণ, সংকল্প/অংগীকাৰ অথবা ইচ্ছাৰ এক আইনৰ দ্বাৰাহে সম্ভৱ হ'ব পাৰে।

১০.৫ নৈতিক স্তৰ/অস্তিত্বৰ নৈতিক স্তৰ (ETHICAL STAGE/ETHICAL STAGE OF EXISTENCE)

মানৱ জীৱনৰ নৈতিক স্তৰ হ'ল অস্তিত্বৰ দ্বিতীয় পর্যায়। কিয়েৰ্কেগার্ডে এই স্তৰক নিজকে নির্বাচনৰ স্তৰ বুলি বর্ণনা কৰিছে। এই স্তৰত নৈতিক ব্যক্তিয়ে নিজকে গঢ় দিয়াৰ লগতে জীৱন ধাৰণৰ প্রণালীতো সক্রিয় ভূমিকা গ্রহণ কৰিবলগীয়া হয়। মানৰ অস্তিত্বৰ নৈতিক স্তৰটো এক যুক্তিসংগত আৰু স্থিৰ/সংগতিপূর্ণ কর্ম পদ্ধতি/নিয়মৰ ওপৰত নির্ভৰশীল। সেইবাবে এই স্তৰত মানুহ বেছি যুক্তিপূর্ণ হয়। কিয়েৰ্কেগার্ডে যুক্তিৰ দ্বাৰা প্রতিষ্ঠিত আচৰণ-পদ্ধতি সমূহক স্বীকৃতি প্রদান কৰি গ্রহণ কৰিছে আৰু এই আচৰণ পদ্ধতিসমূহ সমাজৰ উত্তৰণৰ বাবে গঠিত হয়।

কিয়েৰ্কেগার্ডে নৈতিক ব্যক্তিৰ দৃষ্টান্ত ডাঙি ধৰিবৰ বাবে বিচাৰক উইলহেম (Judge wilhelm) ৰ ছদ্মনামী চৰিত্র ব্যৱহাৰ কৰিছে। তেওঁ কৈছে যে, সৌন্দর্যাত্মক স্তৰত বহুতো বিষয় অন্তর্ভুক্ত হোৱা নাই। মানৰ অস্তিত্বৰ নৈতিক স্তৰ সৌন্দর্যাত্মক স্তৰত বিচাৰি নোপোৱা কিছুমান বিষয় প্রদান কৰিবলৈ সক্ষম হৈছে। সৌন্দর্যাত্মক স্তৰত ব্যক্তিয়ে পার্থিৰ ঘটনা, বাহ্যিক বস্তু আৰু

পৰিৱেশৰ প্ৰতি প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। এই স্তৰ সমাজৰ মংগলৰ বাবে অধিক উপযোগী নহয়। সেইবাবে কিয়েৰ্কেগার্ডে নৈতিক স্তৰৰ কথা উল্লেখ কৰিছে য'ত ব্যক্তিয়ে নিজৰ কর্তব্য নির্বাচন কৰিব পাৰে।

নৈতিক স্তৰৰ আটাইতকৈ গুৰুত্বপূর্ণ বৈশিষ্ট্য হ'ল সার্বজনীনতা (Universality) অথবা যুক্তিযুক্ততা (Pationality)। এই বৈশিষ্ট্য সকলোৰে ক্ষেত্ৰত নিৰপেক্ষভাৱে প্ৰযোজ্য হ'বলগীয়া নৈতিক নীতিৰূপে বিবেচিত নীতিৰ সমষ্টিৰ বাবেও অপৰিহার্য চর্তৰূপে অভিহিত কৰা হয়। নীতিশাস্ত্ৰবিদৰ বাবে নিজকে সার্বজনীন ব্যক্তিগত পৰিণত কৰাটো মূল কথা। নীতিশাস্ত্ৰবিদে নিজে এই কার্য ধার্য কৰে। নীতিশাস্ত্ৰবিদসকল শুদ্ধ আচৰণ, ঔচিত্য, শালীনতা, ভদ্ৰতা আদি সুন্দৰ গুণৰ অধিকাৰী। নৈতিক লোকে বিশ্বাস কৰে যে এক আদর্শ জীৱন-যাপন কৰিবলৈ হ'লে সামাজিক ঔচিত্যবোৰ অথবা নৈতিকতাৰ নিয়মসমূহ মানি চলাটো প্ৰয়োজনীয়। তেওঁ উপলব্ধি কৰে যে এক অর্থপূর্ণ অস্তিত্বৰ বাবে কেৱল ইন্দ্ৰিয়সুখ বা ইন্দ্ৰিয় পৰিতৃপ্তি যথেষ্ট নহয়। ইয়াৰ বাবে তেওঁ নিজৰ অস্তিত্বত সার্বজনীন মূল্যসমূহক মূর্তৰূপ দিবলৈ চেষ্টা কৰে।

মানৰ অস্তিত্বৰ নৈতিক স্তৰৰ অন্যান্য বৈশিষ্ট্য হ'ল সতর্ক চিন্তা (Reflection) আৰু স্ব-মূল্যায়ন (Self-assessment)। নৈতিক ব্যক্তিয়ে সতর্ক চিন্তাৰ জৰিয়তে নিজৰ জীৱনৰ গুৰুত্বতা মূল্যায়ন কৰিব পাৰে। নৈতিক স্তৰ অনুসৰণ কৰা ব্যক্তিৰ সচেতন আৰু নীতিসম্মত নির্বাচন প্ৰক্ৰিয়া বিৰাজমান। নৈতিক নিয়মৰ চুক্তিৰ সম্পকর্তো তেওঁলোকৰ কর্মৰ গুৰুত্ব আছে।

অৱশ্যে নৈতিক স্তৰৰ পৰিণতিস্বৰূপে অস্তিত্বৰ অনিশ্চয়তাৰ জন্ম হয়। কাৰণ এই স্তৰতে ব্যক্তিগত অস্তিত্বৰ বৈধতা নিশ্চিত কৰিবলৈ সক্ষম নহয় আৰু ইয়াত অভিজ্ঞতাসমূহৰ ব্যক্তিগত অর্থ নাথাকে। এই স্তৰত সার্বজনীন হ'বৰ বাবে সার্বজনীনত নিজক প্ৰকাশ কৰাৰ নৈতিক কার্যই নিজকে স্বকীয়তা/স্বকীয় বৈশিষ্ট্যৰ পৰা আঁতৰাই আনে আৰু নৈতিক ব্যক্তিয়ে সন্মুখীন হোৱা এইটো হ'ল মূল দুর্দশা/বিড়ম্বনা/দুৰৱস্থা। ইয়াৰ কাৰণ হ'ল ব্যক্তিয়ে তেওঁৰ স্বকীয়তা অক্ষুন্ন/বর্তাই ৰাখিবলৈ যাওঁতে তেওঁ সার্বজনীনতাৰ পৰা বিপথগামী হোৱাৰ অপৰাধবোধত ভোগে আৰু তেতিয়াই তেওঁ পাপ কর্মত লিপ্ত হয়; আকৌ স্বকীয়তা অক্ষুণ্ণ নাৰাখিলেও তেওঁৰ নিজকে প্ৰকৃত ৰূপত প্ৰকাশ নকৰাৰ অপৰাধবোধ হয় আৰু তেতিয়াও তেওঁ পাপ কর্মত লিপ্ত হয়। গতিকে, এজনে ব্যক্তিয়ে স্বকীয়তা অক্ষুণ্ণ ৰাখক বা নাৰাখক, তেওঁ অপৰাধবোধৰ পৰা হাত সাৰিব নোৱাৰে। কিয়েৰ্কেগার্ডৰ মতে, অপৰাধৰ অর্থ কিছুমান ভুল কার্য সম্পাদন কৰাৰ পিছত অহা অপ্ৰতিকৰ অপসর্গ নহয়; ইয়াৰ পৰিৱর্তে অভিজ্ঞতাৰ গভীৰ পর্যায়ত নিজকে আভাস দিয়াৰ অর্থ প্ৰকাশ কৰে।

জীৱনৰ নৈতিক পদক্ষেপত মানুহে অন্য সমস্যাৰ সন্মুখীন হ'বলগীয়া হয়। মানুহে যিকোনো পৰিস্থিতিতে নিজৰ কর্তব্য সম্পাদন কৰিবলগীয়া হয়, কাৰণ সামাজিক পৰিৱেশৰ সদস্য হিচাপে আৰু সামাজিক দায়বদ্ধতাৰ বাবে ব্যক্তিয়ে নিজৰ কর্তব্য সমাপন কৰিবই লাগিব। অৱশ্যে এই কর্তব্য সম্পাদন কৰোঁতে নৈতিকতাৰ মানদণ্ডই ব্যক্তিক দোমোজাত পেলায় বাস্তৱ পৰিস্থিতিত তেওঁ বিমোৱত পৰে তেওঁ বিবেকক অনুসৰণ কৰিব নে বাহ্যিক আপোচৰ দ্বাৰা

আকর্ষিত হ'ব? ব্যক্তিয়ে সমাজৰ হ'ক কর্তব্য সম্পাদন কৰিব নে ব্যক্তিগত স্বার্থৰ হকে কৰিব - এই লৈ বিমোৱত পৰে আৰু হতাশ হৈ পৰে। ইয়াৰ ফলশ্রুতিত নৈতিক ব্যক্তিজনে অৱশেষত উপলব্ধি কৰে যে তেওঁ নিজৰ কর্তব্য সম্পাদন কৰিবলৈ আৰু নৈতিক নিয়ম পালন কৰিবলৈ সমর্থ নহয়। কিছুমান বিষয় ব্যক্তিৰ নিয়ন্ত্রণ বাহিৰত আৰু সেইবোৰৰ পৰা ব্যক্তিয়ে হাত সাৰিবও নোৱাৰে। তেনেক্ষেত্রত নৈতিক ব্যক্তিয়ে নিয়ম ভংগ কৰে; লগে লগে তেওঁ স্বেচ্ছাকৃত ভাৱে আৰু পৰিনামস্বৰূপে নিজৰ অপৰাধ সম্পর্কে সচেতন হৈ পৰে। অপৰাধৰ ছাঁ ক্রমান্বয়ে অন্ধকাৰময় হৈ পৰে আৰু সকলোতে ব্যাপ্ত হৈ পৰে। ইয়াৰ ফলত ব্যক্তিৰ বাবে অপৰাধৰ আতংক আঁতৰ কৰা অথবা অতিক্রম কৰাটো অসম্ভৱ হৈ পৰে। সেই মুহূর্তত নৈতিক ব্যক্তিজনে ভাবিবলৈ আৰম্ভ কৰে যে এই পৰিস্থিতিত তেওঁক কেৱল ঈশ্বৰে সহায় কৰিব পাৰিব। কিয়েৰ্কেগার্ডৰ মতে, তেতিয়া অপৰাধ দ্বন্দাত্মক উপাদান হৈ পৰে আৰু নৈতিক বক্তিজনৰ সন্মুখত এটা নতুন 'ইটো নহ'লে যিটো' (Either/or) উপস্থাপিত হয়। এনে ক্ষেত্রত ব্যক্তিজনে তেওঁৰ নৈতিক নিয়ম আৰু কর্তব্য পালন কৰি বর্তমান স্তৰতে থাকিবনে অথবা নিজৰ সীমাবদ্ধতাখিনি উপলব্ধি কৰি আৰু ঈশ্বৰৰ লগত বিচ্ছেদ হোৱা সম্পর্কত সচেতন হৈ অস্তিত্বৰ পৰৱর্তী স্তৰ ধার্মিক পর্যায়লৈ গতি কৰিব সেইটো তেওঁৰ নির্বাচনৰ বিষয় হৈ পৰে। তেনে পৰিস্থিতিত নৈতিক ব্যক্তিজনে দায়বদ্ধতা অথবা প্রতিশ্রুতি অথবা সংকল্পৰ বিধিৰ দ্বাৰা, বিশ্বাসৰ জাঁপৰ দ্বাৰা অস্তিত্বৰ ধর্মীয় স্তৰত উপনীত হয়। কিয়েৰ্কেগার্ডৰ মতে, প্রত্যয়জনক যুক্তিৰ আৰু বস্তুনিষ্ঠ জ্ঞানৰ নিশ্চয়তা অবিহনে এই জাঁপ ক'লে জাঁপ মাৰিছে সেই কথা নজনাকৈ অজ্ঞাতলৈ মৰা জাঁপ।

১০.৬ ধর্মীয় স্তৰ/অস্তিত্বৰ ধর্মীয় স্তৰ (RELIGIONS STAGE/RELIGIONS SPHERE OF EXISTENCE)

কিয়েৰ্কেগার্ডে অস্তিত্বৰ নির্বাচিত প্রকাৰ হিচাপে ধর্মীয় স্তৰক সমর্থন কৰিছে। কিয়েৰ্কেগার্ডে তেওঁৰ 'Point of view of my work as an Author' নামৰ গ্রন্থত উল্লেখ কৰিছে যে তেওঁৰ জীৱনৰ ধর্মীয় মত পাঠকসকলৰ মাজত জাগ্রত কৰি তোলাটোৱেই হ'ল তেওঁৰ মূল উদ্দেশ্য।

মানৰ জীৱনৰ ধর্মীয় স্তৰক আস্থা বা বিশ্বাসৰ স্তৰ বুলি কোৱা হয়। এই স্তৰত ব্যক্তিয়ে ঈশ্বৰৰ লগত একাত্মতা স্থাপন কৰে; এই সম্পর্ক অদ্বিতীয় আৰু ব্যক্তিনিষ্ঠ অভিজ্ঞতা। ঈশ্বৰক বস্তুনিষ্ঠভাৱে অনুধাৱন কৰিব নোৱাৰি আৰু সেইবাবে ঈশ্বৰ আৰু মানুহৰ সম্পর্ক বস্তুনিষ্ঠভাৱে, ধাৰণাকৃতভাৱে অথবা যুক্তিপূর্ণভাৱে ব্যাখ্যা কৰিব নোৱাৰি।

কিয়েৰ্কেগার্ডৰ মতে, অস্তিত্বৰ ধর্মীয় স্তৰক উচ্চতম আৰু আটাইতকৈ সম্পূর্ণ পর্যায় বুলি অভিহিত কৰিব পাৰি। তেওঁ এই স্তৰক 'জীৱনৰ দ্বন্দ্ববাদ' (Dialectic of life) বুলি উল্লেখ কৰিছে। কিয়েৰ্কেগার্ডৰ মতে, ধর্মীয় জীৱন দুই প্রকাৰৰ হ'ব পাৰে। প্রথম প্রকাৰটো হ'ল 'ধর্ম A (ক) (Religion A)। এই প্রকাৰটো স্বাভাৱিক, অন্তর্ব্যাপী ধার্মিকতা অথবা এক প্রকাৰৰ সাধাৰণ

ধার্মিকতা য'ত ব্যক্তিয়ে তেওঁৰ নিজৰ অন্তর্নিহিত ঈশ্বৰৰ ধাৰণাৰ ওপৰত আস্থা কৰিবলৈ চেষ্টা কৰে আৰু তেওঁৰ অপৰাধবোধৰ সমস্যা সমাধা কৰে।

ধর্মীয় জীৱনৰ দ্বিতীয় প্রকাৰটো হ'ল 'ধর্ম B (খ)'(Religion B)। এই ধর্ম খ্রীষ্টান ধর্মৰ দৰে অতীন্দ্রিয়তাৰ ধর্ম (The religion of teanscendence) ধর্ম Bয়ে মানুহৰ অৱতাৰ ধাৰণ কৰা যীশুখ্রীষ্টক ঈশ্বৰ হিচাপে গ্রহণ কৰে, কাৰণ তেনে কৰিলে ঈশ্বৰ লগত মানুহৰ সম্পর্ক স্থাপন কৰাৰ উদ্দেশ্য সফল হয়। অভিব্যক্তি বা প্রকাশৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠিত 'ধর্ম' B' ক গ্রহণ কৰিবলৈ হ'লে যুক্তিক অতিক্রম কৰি বিশ্বাসৰ আৱশ্যেক হয়। ব্যক্তিয়ে ঈশ্বৰৰ প্রতি গভীৰ আস্থা বা বিশ্বাসৰ মাধ্যমেৰে ঈশ্বৰৰ লগত ব্যক্তিগত সম্পর্ক গঢ়ি তোলে।

কিয়েৰ্কেগার্ডৰ মতে, 'ধর্ম A' হ'ল সাধাৰণ লোকৰ ধর্ম। এই ধর্মত কিছুমান ৰহস্যপূর্ণ ধর্মীয় ক্রিয়া-কাণ্ড সম্পাদ কৰা হয় আৰু ইয়াত ঐশ্বৰিক/অতি প্রাকৃতিক/অলৌকিক শক্তি, ভূত-প্রেত আদিত বিশ্বাস স্থাপন কৰা হয়। এই ধর্মই নতুন মানুহৰ অস্তিত্ব কঢ়িয়াই অনাত বিফল হয়। কাৰণ অস্তিত্বৰ প্রকৃতি বুজি পোৱাত ব্যর্থতা আৰু আত্ম-নিয়োগৰ আৱশ্যকতা সম্পূর্ণ উপেক্ষাৰ দ্বাৰা এই ধর্মই প্রামাণিক অস্তিত্বৰ পথ ধ্বংস কৰাৰ উপৰিও মানুহ আৰু ঈশ্বৰৰ ধাৰণাক মিছাত পৰিণত কৰে। গতিকে মিছা আশাযুক্ত ধর্ম A ই কেৱল ব্যক্তিক দুর্বল কৰাই নহয়, ই ব্যক্তিক বিস্তৃত পৰিসৰৰ জীৱনযাত্রাৰ দিশে লৈ যোৱা দাবীও পূৰণ কৰিবলৈ অসমর্থ। তেনে প্রেক্ষাপটত ব্যক্তিয়ে ধর্ম B ৰ দিশে ধাৱমান হয়। ঈশ্বৰৰ প্রতি বিশ্বাসৰ দ্বাৰা ব্যক্তিয়ে ঈশ্বৰৰ জগতত প্রৱেশ কৰিব পাৰে। এই স্তৰত ব্যক্তিয়ে যুক্তিৰ জগত পৰিত্যাগ কৰি অন্তর্মনৰ পৰা উদ্ভৱ হোৱা ঈশ্বৰৰ প্রতি একান্ত বিশ্বাস স্থাপন কৰি জীৱন অতিবাহিত কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ অস্তিত্ববাদৰ জনক বুলি কাক অভিহিত কৰা হয়?

.....

প্রশ্ন নং ২ ঃ কিয়েৰ্কেগার্ডৰ মতে, আত্মা সদায়েই প্রক্রিয়াত থাকে।

.....

প্রশ্ন নং ৩ ঃ মানৰ অস্তিত্বৰ প্রথম স্তৰটোৰ নাম কি?

.....

প্রশ্ন নং ৪ ঃ নৈতিক স্তৰত মানুহ অধিক?

.....

প্রশ্ন নং ৫ ঃ ধর্মীয় স্তৰক উচ্চতম স্তৰ বুলি অভিহিত কৰা হয়। (সত্য/অসত্য)

.....



১০.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অস্তিত্বৰ তিনিটা অৱস্থিতি বা স্তৰ কিয়েৰ্কেগার্ডৰ আটাইতকৈ প্ৰভাৱশালী মতবাদ। তেওঁৰ মতে, ব্যক্তি এই তিনিটা স্তৰৰ যিকোনো এটাতা বৰ্তি থাকিব পাৰে। অৱশ্যে অপৰাধ আৰু হতাশৰ অভিজ্ঞতাৰ বাবে ব্যক্তি অস্তিত্বৰ তিনিটা স্তৰৰ মাজৰ গুণগত পার্থক্যৰ প্ৰতি সচেতন হৈ পৰে। এই সচেতনতাই তেওঁক ভাবিবলৈ বাধ্য কৰে যে অস্তিত্বৰ পৰৱৰ্তী স্তৰটো তেওঁৰ বৰ্তমানৰ স্তৰতকৈ অধিক বিশ্বাসযোগ্য প্ৰমাণিক (authentic)। পূৰ্বস্থিত ব্যক্তিয়ে অস্তিত্বৰ প্ৰামাণিক/বিশ্বাসযোগ্য প্ৰকাৰ। বিশ্বাস আৰু দায়বদ্ধতা হ'ল এই স্তৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। কিয়েৰ্কেগার্ডৰ মতে, প্ৰত্যেক ব্যক্তিৰ যে বিশুদ্ধ আত্মা (Essential self) আছে এই কথাটো আছে এই কথাটো 'মানুহ ঈশ্বৰৰ লগত সম্পৰ্কিত হ'ব লাগিব' এই কথাই নির্ধাৰণ কৰে।
- কিয়েৰ্কেগার্ডৰ মতে, অস্তিত্বৰ অর্থ কেৱল 'তাত থকাটো' (being these) অথবা নামবিহীন জনসমাগমৰ এক অংশ হোৱাটোৱেই নহয়। বৰঞ্চ তেওঁৰ বাবে অংশ হোৱাটোৱেই নহয়। বৰঞ্চ তেওঁৰ বাবে অস্তিত্ব হ'ল নিজৰ অস্তিত্বৰ স্তৰ নির্বাচন কৰি আৱেগপূৰ্ণ জীয়াই থকা আৰু নিজকে এক নিশ্চিত নির্দিষ্ট/জীৱন পথৰ প্ৰতি অংগীকাৰ বদ্ধ কৰা। কিয়েৰ্কেগার্ডৰ চিন্তাধাৰাই 'অস্তিত্ববাদী দর্শন' অথবা 'অস্তিত্ববাদ'ৰ সূচনা কৰে।



১০.৮ অধিক জানিবলৈ

ইংৰাজী গ্ৰন্থ ঃ

1) Bali. D.R , Introduction to Philosophy, Sterling publishers private Ltd., 1984.
2) Eliot, G (Trans), The Essence of christianity, New work, cosimo, The. 2008.
3) Gates, J, The life and thought of Kierkegaard for Everyman, philadelphia, Westminster Press, 1960.
4) Howard, S. A. A Re - Appraisal of Kierkegaard, University Press of America, 1995.
5) Price, G. The Narrow Pass. Study of Kierkegaard's concept of Man,

Londow, Hutchinson Publication, 1963.

6) Watts, M . Kierkegaard one world publications, 2007.

১০.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ কিয়েৰ্কেগার্ডক অস্তিত্ববাদৰ জনক বুলি অভিহিত কৰা হয়।

২ নং প্রশ্নৰ উত্তৰ ঃ কিয়েৰ্কেগার্ডৰ মতে, আত্মা সদায়েই অগ্রসৰৰ প্রক্রিয়াত (Process of ecoming) থাকে।

৩ নং প্রশ্নৰ উত্তৰ ঃ মানৰ অস্তিত্বৰ প্রথম স্তৰটোৰ নাম হ'ল সৌন্দর্যাত্মক স্তৰ।

৪ নং প্রশ্নৰ উত্তৰ ঃ নৈতিক স্তৰত মানুহ অধিক যুক্তিবাদী হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ধর্মীয় স্তৰক উচ্চতম স্তৰ বুলি অভিহিত কৰা হয়। (বাক্যটো সত্য)

১০.১০ আৰ্হি প্রশ্ন

ক) অতি চমু প্রশ্ন ঃ

প্রশ্ন ১ ঃ কিয়েৰ্কেগার্ডৰ যিকোনো এখন গ্রন্থৰ নাম উল্লেখ কৰা।

প্রশ্ন ২ ঃ অস্তিত্বৰ স্তৰসমূহৰ ভিতৰত কোনটো স্তৰক আটাইতকৈ মনোৰম আৰু আটাইতকৈ কম স্থায়ী/দৃঢ়/সুস্থিৰ বুলি অভিহিত কৰা হয় ?

প্রশ্ন ৩ ঃ নৈতিক স্তৰৰ আটাইতকৈ অপৰিহার্য/মৌলিক বৈশিষ্ট্য কি ?

প্রশ্ন ৪ ঃ ধর্মৰ দুটা প্রকাৰৰ নাম কি।

(খ) অতি চমু প্রশ্ন ঃ (১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ কিয়েৰ্কেগার্ডৰ মতে অস্তিত্ব বুলিলে কি বুজা ? চমুকৈ ব্যাখ্যা কৰা।

প্রশ্ন ২ ঃ মানৰ অস্তিত্বৰ তিনিটা স্তৰৰ বিন্যাসৰ বিষয়ে চমুকৈ আলোচনা কৰা।

প্রশ্ন ৩ ঃ সৌন্দর্যাত্মক ব্যক্তিৰ ওপৰত এক চমুটোকা লিখা।

প্রশ্ন ৪ ঃ সৌন্দর্যাত্মক ব্যক্তি আৰু নৈতিক ব্যক্তিৰ মাজৰ পার্থক্য ব্যাখ্যা কৰা।

প্রশ্ন ৫ ঃ অস্তিত্বৰ ধর্মীয় স্তৰৰ বিষয়ে চমুকৈ ব্যাখ্যা কৰা।

(গ) ৰচনাধর্মী প্রশ্ন ঃ (৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মানৰ অস্তিত্বৰ তিনিটা স্তৰ সম্পর্কে কিয়েৰ্কেগার্ডৰ মতবাদ ব্যাখ্যা কৰা।

প্রশ্ন ২ ঃ 'সৌন্দর্যত্মক স্তৰএক মৃত্যু মুখী পথ'। ব্যখ্যা কৰা।

প্রশ্ন ৩ ঃ নৈতিক স্তৰক কিয় ব্যক্তিৰ নিজৰ নির্বাতনৰ স্তৰ বুলি অভিহিত কৰা হয় ? ব্যখ্যা কৰা।

*** ***** ***

অধ্যায় ১১ ঃ NIETZSCHE ৰ নৈতিকতা সম্পর্কে ধাৰণা

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য
১১.২ পৰিচয়
১১.৩ নৈতিকতাৰ ওপৰত Nietzsche ৰ মতামত
১১.৪ শক্তিৰ প্ৰতি ইচ্ছা বা ইচ্ছা শক্তি
১১.৫ অতি মানৱ
১১.৬ সামৰণি
১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১১.৮ অধিক জানিবলৈ
১১.৯ অগ্ৰগতিৰ খতিয়ান
১১.১০ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- নৈতিকতাৰ সাধাৰণ ধাৰণা কৰিব পাৰিব
- Nietzsche ৰ পৰম্পৰাগত পাশ্চাত্য নৈতিকতাৰ অস্বীকৃতি
- Nietzsche ৰ অভিজাত সুলভ নৈতিকতাৰ বিষয়ে জানিব পাৰিব
- 'Will to Power' ৰ গভীৰ ধাৰণা কৰিব পাৰিব
- Nietzsche ৰ অভিজাত সুলভ নৈতিকতাক প্ৰতিনিধিত্ব কৰা হিচাপে অতিমানৱৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব।

১১.২ পৰিচয়

সাধাৰণ বোধ বা জ্ঞানত নৈতিকতা শব্দটোৱে এক সমাজ, এক সমুদায় নাইবা এক ধৰ্মৰ দ্বাৰা আগবঢ়োৱা কেতবোৰ আচৰণ বিধি নাইবা মানৱ আচৰণক নিৰ্দ্দেশ কৰে, যিবোৰ এজন ব্যক্তিৰ নিজা জীৱন পদ্ধতিৰ বাৱে স্বীকৃতি হয়। তেওঁলোকৰ কৰ্মৰ সময়ছোৱাত পথ-প্ৰদৰ্শক হিচাপে এজন ব্যক্তি নাইবা এখন সমাজৰ দ্বাৰা স্বীকৃত ই এক প্ৰমূল্যৰ বিধি, যিয়ে জীৱনৰ উদ্দেশ্য আৰু সোঁতক নিৰ্দ্ধাৰণ কৰে। নৈতিকতাৰ লক্ষ্য হৈছে এক পৰিৱেশৰ সৃষ্টি কৰা, য'ত বেয়া কৰ্মবোৰ পৰিহাৰ কৰি আৰু নৈতিক বিধিৰদ্বাৰা নিয়ন্ত্রিত হোৱা ভালকৰ্ম সম্পাদন কৰাৰ দ্বাৰা সকলো মানুহে শান্তিৰে জীয়াই থাকে। ফলস্বৰূপে, নৈতিকতাই আমাক ভাল কৰিবলৈ পথ দেখুৱায় আৰু ইয়াৰ সৈতে একেলগে ই এক বিকশিত সমাজ নাইবা ৰাষ্ট্ৰ গঠন কৰিবলৈ

প্ৰয়াস কৰে। নৈতিকতাৰ আন এটা লক্ষ্য হৈছে ঈশ্বৰ নাইবা আন কেতবোৰ অতি প্ৰাকৃতিক শক্তিৰ প্ৰতি মানুহক আজ্ঞাকাৰী ৰূপে গঢ় দিয়া। নৈতিকতা হৈছে 'কেনেকুৱা হ'ব লাগে আৰু 'কেনেদৰে ক্ৰিয়া কৰিব লাগে' ৰ বিষয়। ই শুদ্ধ, ভুল, ভাল, বেয়া, অমঙ্গল আদিৰ দৰে ধাৰণাৰ লগত সম্বন্ধিত, যিবোৰক ব্যক্তিগত মানৱ জীৱন আৰু সমাজৰ প্ৰতি প্ৰয়োগ কৰা হয়। সংস্কৃতি আৰু সমাজভেদে নৈতিকতা বেলেগ বেলেগ হ'ব পাৰে। সেয়েহে, যি কিছুমান মানুহ নাইবা সমাজৰ বাবে নৈতিক, সি আন মানুহ নাইবা সমাজৰ বাবে নহ'বও পাৰে।

১১.৩ নৈতিকতাৰ ওপৰত NIETZSCHE ৰ মতামত

এজন অস্তিত্ববাদী, দাৰ্শনিক হিচাপে আত্মবিকাশ আৰু জীৱন পুষ্টিয়েই হৈছে Nietzsche ৰ চিন্তাধাৰাৰ প্ৰাথমিক বিষয়। তেওঁৰ বাবে মানৱসত্ত্বাৰ বাবে অস্তিত্বৰ আদৰ্শ অৱস্থা হয় তেতিয়া, যেতিয়া তেওঁলোক তেওঁলোকৰ অধিকতম সম্ভাৱনীয়তাৰ প্ৰতি সমৃদ্ধিশালী হ'বলৈ নাইবা জীয়াই থাকিবলৈ সক্ষম হ'ব। স্বতন্ত্ৰতা আৰু আত্ম-বিশ্বাস হৈছে মানৱ সমৃদ্ধিৰ গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। আনহাতে, নৈতিকতাই মানুহৰ ওপৰত কেতবোৰ স্থিৰকৃত সামান্য বস্তুগত মানদণ্ড আৰোপিত কৰে আৰু প্ৰত্যেকেই যিকোনো চৰ্ত অবিহনে এইবোৰ মানদণ্ড নাইবা প্ৰমূল্যক মানি চলিব লাগে। কিন্তু এনেধৰণৰ নৈতিকতাক অস্বীকাৰ কৰি Nietzsche য়ে পোষণ কৰে যে কোনোধৰণৰ স্থিৰীকৃত সামান্য বস্তুগত প্ৰমূল্য নাই। নৈতিক প্ৰমূল্যসমূহ মানৱ ৰচনা বা নিৰ্মাণৰ বাবে আন একো নহয় আৰু সেই কাৰণে সময় আৰু পৰিস্থিতিৰ পৰিৱৰ্তনৰ সৈতে পৰিশোধিত হোৱাৰ প্ৰয়োজন আছে, যাৰ অধীনত সিহঁত বৃদ্ধি হয়। তেওঁ নিৰীক্ষণ কৰে যে এখন সমাজত দুটা শ্ৰেণী আছে— মালিক শ্ৰেণী আৰু দাস শ্ৰেণী। এই মালিক আৰু দাস শ্ৰেণীৰ মাজৰ সংঘৰ্ষৰ ভিতৰতেই সকলো প্ৰমূল্য বিকশিত হয়। মালিক শ্ৰেণী (প্ৰতাপী)ত সাহস, প্ৰভূত্ব, দৃঢ়নিশ্চয়তা আৰু আত্ম প্ৰেম আদিক 'শ্ৰেয়' (Good) হিচাপে ধৰা হয়। আনহাতে, মালিক সকলোৰ এনে প্ৰমূল্যায়ণৰ এক প্ৰতিক্ৰিয়া হিচাপে দাস সকলোৰ ভিতৰত এক পৃথক নৈতিকতাৰ বিকাশ ঘটে; সেয়া হৈছে দুৰ্বল আৰু নীচ শ্ৰেণীৰ নৈতিকতা। সেইয়া হৈছে দাস নৈতিকতা এনে ধৰণৰ নৈতিকতাৰ ক্ষেত্ৰত মালিক নৈতিকতাৰ অন্তৰ্গত যিবোৰক 'শ্ৰেয়' বুলি গন্য কৰা হয়, সেই সকলোবোৰ অমঙ্গললৈ ৰূপান্তৰিত হয় আৰু যিবোৰক 'বেয়া' (Bad) বুলি ভৱা হয় সেইবোৰ 'ভাল' বা 'শ্ৰেয়'(Good) ৰূপে প্ৰতিপন্ন হয়। সেয়ে, দাস নৈতিকতাত দয়া, সহানুভুতি, অনুকম্পা, আত্ম-বলিদান, এইসকলোবোৰ দুৰ্বল প্ৰমূল্যক উচ্চ সন্মান দিয়া হয় আৰু সেইবোৰেই 'শ্ৰেয় লৈ পৰিনত হয়। আকৌ, মালিকৰ সকলোবোৰ জীৱনৰ পুষ্টিকাৰী সৱল প্ৰমূল্যবিলাক 'অমঙ্গল' (evil) হিচাপে পৰিগনিত হয়। গতিকে এনেদৰেই কোনো আধিবৈজ্ঞানিক আধিভৌতিক প্ৰতিবন্ধৰ অবিহনে এই দুটা সমাজৰ শ্ৰেণীৰ মাজত হোৱা সংঘৰ্ষৰ হেতু 'শ্ৰেয়''বেয়া' 'অমঙ্গল' এই সকলোবোৰৰ বিকাশ সংঘটিত হয়। Nietzsche য়ে আনকি খ্ৰীষ্টীয় নৈতিকতাকো অস্বীকাৰ কৰিছে, যিয়ে তেওঁৰ সময়ছোৱাত পশ্চিমীয় দেশবোৰক ইয়াৰ অধীন কৰি থৈছিল। তেওঁ খ্ৰীষ্টান নৈতিকতা বা

নীতি শাস্ত্ৰক অস্বীকাৰ কৰিছিল দুটা কাৰণত —(ক) খ্ৰীষ্টান ধৰ্মীয় নীতিশাস্ত্ৰ ঈশ্বৰৰ ওপৰত ভিত্তিশীল। চৰ্তবিহীনভাৱে ঈশ্বৰৰ আজ্ঞাবোৰক সকলোৱে মানি চলিবই লাগিব। সকলোৱে এই পৰম নৈতিক নীতিৰ দ্বাৰা তেওঁলোকৰ জীৱন যাপন কৰিব লাগিব। ই Nietzsche ৰ দৃঢ় বিশ্বাসৰ বিপৰীতে যায় যে কোনো সাৰ্বিক পৰম নৈতিক আদেশ নাই বৰঞ্চ আছে কেৱল আত্মনিষ্ঠভাৱে ব্যাখ্যা কৰা নৈতিকতাসমূহ, যিবোৰ কোনো বাহ্যিক প্ৰতিবন্ধকতাৰ অবিহনে মানুহৰ নিজা সৃষ্টি হ'বই লাগিব আৰু এনেধৰণৰ নৈতিকতাসমূহ আকৌ সময়ৰ পৰিৱৰ্ত্তন আৰু বিকাশৰ সৈতে পৰিৱৰ্ত্তিত হৈ থাকে। (খ) আকৌ, খ্ৰীষ্টানধৰ্মী নীতিশাস্ত্ৰত এজন মানুহৰ জীৱনত ঈশ্বৰৰ সাম্ৰাজ্য আৰু তেওঁৰ নীতিপৰায়ণতা বা ধাৰ্মিকতাক সন্ধান কৰাটোৱেই হৈছে মানুহৰ বাবে 'উচ্চতম শ্ৰেয়' 'সৰ্বশ্ৰেষ্ঠ শ্ৰেয়'। ইয়াত প্ৰত্যেকেই কৰ্ম সম্পাদন কৰে, যাতে তেওঁলোকে মৃত্যুৰ পাছত এক আনন্দময় জীৱন পাব পাৰে। Nietzsche য়ে ইয়াক আপত্তি কৰিছিল আৰু উল্লেখ কৰিছিল যে কৰ্ম সম্পাদনে এই পাৰ্থিব জীৱনটোকহে প্ৰমূল্য প্ৰদান কৰে, যি হৈছে একমাত্ৰ জীৱন; কেতবোৰ অতীন্দ্ৰিয় শাশ্বত জীৱন (After life) ক প্ৰমূল্য দিয়াটো উপহাস যোগ্য।

সেয়েহে, Nietzsche য়ে নৈতিকতাৰ ক্ষেত্ৰখনক অস্বীকাৰ কৰিছে। কিন্তু একে সময়তে তেওঁ এক আভিজাত্য সুলভ নৈতিকতা আগবঢ়াবলৈ ইচ্ছা কৰিছিল, যাৰ অধীনত মানুহৰ সৃজনশীলতা আৰু সম্ভাৱনীয়তাক প্ৰকাশ কৰিব পাৰি।

১১.৩ 'WILL TO POWER' শক্তিৰ ইচ্ছা বা ইচ্ছা শক্তি

অভিজাতসূলভ নৈতিকতা (Aristocratic Morality) ৰ ধাৰণাটো ব্যাখ্যা কৰিবলৈ Nietzsche য়ে will to Power ৰ ধাৰণাটো আগবঢ়াইছে। ই হৈছে সৃষ্টিৰ ইচ্ছা, আত্ম জয়ৰ ইচ্ছা আৰু নিজকে আত্ম বিকাশৰ অবিৰত প্ৰতিক্ৰিয়াত জড়িত কৰাৰ ইচ্ছা। Nietzsche ৰ 'Will to Power' ধাৰণাটোত 'Power' শব্দটোৱে শক্তিৰ বাবে লোভ নাইবা আনৰ ওপৰত থকা প্ৰভুত্বক নিৰ্দেশ কৰা নাই। ই হৈছে সৃষ্টিৰ বাবে শক্তি। ই এক সকাৰত্মক বল, যিয়ে জীৱনৰ প্ৰতি 'হয়' কবলৈ অনুমতি দিয়ে। সকলো মানৱ কৰ্ম আৰু আচৰনৰ পিছত থকা প্ৰধান প্ৰেৰক হৈছে 'Will to Power'। Nietzsche ৰ বাবে জীৱনৰ সকলো প্ৰমূল্য Will to Power ৰ সৃষ্টি আৰু সেই হিচাপে নৈতিকতাৰ কোনো আধিবৈজ্ঞানিক ভিত্তি থাকিব নোৱাৰে, যি মানুহে ঢুকি পোৱাৰ উৰ্দ্ধত অৱস্থান কৰে। Nietzsche য়ে উল্লেখ কৰিছিল যে এনেধৰণৰ ইচ্ছাৰ শক্তি থকা মানুহে নিজস্ব প্ৰমূল্যক তৈয়াৰ কৰিব পাৰে, যিয়ে তেওঁক সহায় কৰে এটা 'জন্তুৰ জুম' (Herd Animal) ক সৃষ্টি কৰা পৰম্পৰাৰ পুৰনিকলীয়া প্ৰমূল্যবোৰক অনুসৰণ কৰাৰ পৰিৱৰ্তে তেওঁৰ সৃজনশীলতাক প্ৰদৰ্শন কৰিবলৈ। সেয়েহে, 'Will to Power' হৈছে সকলো পূৰ্ব প্ৰতিষ্ঠিত আৰু স্থিৰ নৈতিকতাৰ পুনঃপ্ৰমূল্যকৰণৰ পিছত থকা বল (Force) বা প্ৰভাৱ। এনেধৰণৰ পুণঃ প্ৰমূল্যকৰণৰ প্ৰক্ৰিয়াত কেৱল সেইসমূহ প্ৰমূল্যক গ্ৰহণ কৰিব পৰা যাব যিসমূহে মানুহক তেওঁৰ ইচ্ছাৰ শক্তিক বাধা প্ৰদান নকৰে। অন্যথা, প্ৰমূল্যক মানৱ অস্তিত্বক দুৰ্বল কৰা হিচাপে গণ্য কৰা

হ'ব আৰু সেয়ে ইয়াক তৎক্ষণাত নিষ্কাসিত কৰা হ'ব। 'Will to Power' ধাৰণাটো পৰিচয় কৰাই দিয়াৰ দ্বাৰা Nietzsche য়ে জীৱনৰ প্ৰতি স্বীকৃতি আৰু সৃজণশীলতাক সংযোজন কৰি জীৱনৰ সৈতে এক ডাঙৰ 'হয়' (Yes) ক যোগ কৰিছিল। এই 'Will to Power'ৰ ওপৰত ভিত্তি কৰি Nietzsche য়ে পূৰ্ব প্ৰতিষ্ঠিত সকলোবোৰ প্ৰমূল্যক পুনঃপ্ৰমূল্যকৰণ কৰিবলৈ বিচাৰিছিল। কাৰণ, 'Will to Power' হৈছে এনে এক শক্তি যিয়ে ব্যাখ্যা কৰে, যিয়ে নিৰ্দ্ধাৰণ কৰে, যিয়ে সৃজন কৰে।

১১.৫ অতিমানৰ (SUPERMAN)

'Will to Power' এই ধাৰণাটোৱে Nietzsche ৰ Super-man (অতিমানৰ) ৰ আদৰ্শমূলক ধাৰণাত নিজৰ শ্ৰেষ্ঠ প্ৰকাশ লাভ কৰিছে। অতিমানৰ হৈছে এনে এজন ব্যক্তি, যিজনে নিজকে আত্মজয়ৰ অবিৰত প্ৰক্ৰিয়াত জড়িত কৰে। তেওঁ তেওঁৰ ইচ্ছাশক্তিক প্ৰকাশ কৰাৰ জৰিয়তে সৃষ্টিমূলকভাৱে জীয়াই থাকে। এজন অতিমানৰ হ'বলৈ এজন ব্যক্তিয়ে অন্ধভাৱে আচৰণবিধিবোৰক গ্ৰহণ কৰাৰ পৰিৱৰ্তে প্ৰত্যেক নিৰ্দ্ধাৰিত নৈতিকতাৰ আচৰণনামাক পৰীক্ষা-নিৰীক্ষা কৰিবই লাগিব। অতিমানৱে 'Hard Morality'ৰ বিৰোধীতা কৰিবই লাগিব, যি কেতবোৰ সাধাৰণ নীতিক অনুসৰণ কৰাৰ দ্বাৰা সাধাৰণলোকে স্বীকাৰ কৰিবই লাগিব। এই সাধাৰণ নীতিসমূহ হয় তেওঁলোকৰ ধৰ্ম নহয় ধৰ্মগুৰুসকলৰ দ্বাৰা নিৰ্দ্ধাৰিত হয়। এনেধৰণৰ নৈতিকতাত এজন মানুহ সেই জুম (Herd) ৰ এজন সদস্য হৈ পৰে আৰু জীৱনত তেওঁৰ প্ৰধান নীতি হৈছে তেওঁৰ নিজস্ব শক্তি আৰু বলৰ অবিহনে প্ৰত্যেক পৰিস্থিতিত তাক অনুসৰণ কৰিব লাগে। অতিমানৰ হৈছে এনে এজন লোক, যিয়ে কেতিয়াও নিজৰ বৰ্তমান প্ৰাপ্তিৰ সৈতে সন্তুষ্ট নহয়, বৰঞ্চ সদায় আত্ম-জয়ৰ অবিৰত প্ৰক্ৰিয়াৰ জৰিয়তে নিজকে শ্ৰেষ্ঠতৰ কৰিবলৈ প্ৰয়াস কৰে। এনেদৰেই অতিমানৱে তেওঁৰ সৃজণশীলতাক দৃঢ় কৰে। এইদৰে অতিমানৰ 'Will to Power' ৰ 'সৰ্বশ্ৰেষ্ঠ অভিব্যক্তি' (The Highest Manifestation) হৈ পৰে। প্ৰত্যেক মানুহে যিকোনো সাৰ্বিক নিৰ্দ্দেশনামাৰ অনুসৰণৰ অবিহনেই নিজস্ব উৎকৃষ্টতাৰ জৰিয়তে এজন অতিমানৰ হ'বলৈ আকাংক্ষা কৰিব লাগে। অতিমানৰ হোৱাৰ বিশেষ কৰ্মৰ সৈতে প্ৰত্যেক মানুহে নিজৰ মাজত এক প্ৰযোজনা। অপ্ৰতিবন্ধিত সৃজনাত্মক শক্তিৰ সমৰ্থবান এজন ব্যক্তি হিচাপে অতিমানৰ আদৰ্শক Nietzsche য়ে অৰ্পন কৰিছিল। এনেধৰণৰ সৃজনশীলতাক উপলব্ধি কৰিবলৈ আৰু এনেধৰণৰ জীৱন অতিবাহিত কৰিবলৈ মানুহে তেওঁলোকৰ বৰ্তমানৰ অৱস্থাক জয় কৰি নিজকে এজন অতিমানৱৰ শাৰীলৈ ৰূপান্তৰ কৰিব লাগে। Nietzsche য়ে বিকাশৰ তিনিটা স্থিতি কথা উল্লেখ কৰিছে, যাৰ দ্বাৰা মানুহে নিজকে জয় কৰিব পাৰে আৰু অতিমানৱৰ মৰ্য্যদা লাভ কৰিব পাৰে— (ক) উট্, ই সাধাৰণ মানুহক প্ৰতিনিধিত্ব কৰে, যিসকলে কোনো বিৰোধীতা নকৰাকৈয়ে সমাজৰ দ্বাৰা নিৰ্দ্দেশিত কৰ্তব্য আৰু আদৰ্শবোৰক গ্ৰহণ কৰে আৰু এনেদৰেই তেওঁলোকৰ পিঠিত সমাজৰ বোজা কঢ়িয়ায়। (খ) দ্বিতীয় স্থিতিটো হৈছে সিংহৰ স্থিতি। এই স্থিতিত উট্‌টো সিংহ হৈ পৰে। ইয়াত তেওঁ নিজৰ

ব্যক্তিগত সৃজণশীলতা আৰু স্বতন্ত্রতাক স্বীকৃতি দিয়ে, সেয়ে তেওঁ সমাজৰ দ্বাৰা নির্দ্দেশিত প্রতিটো কর্তব্য আৰু আদর্শক 'নহয়' কয়। (গ) তৃতীয় স্থিতিটো হৈছে শিশুৰ স্থিতি যিদৰে এটা শিশুৱে এক কোনো পূর্ব ধাৰণাৰ অবিহনে জীৱনৰ এক নতুন আৰম্ভনী আৰু জ্ঞান গ্রহণ কৰে; ঠিক একে ধৰণেৰে ইয়াতো এজন ব্যক্তিয়ে সকলো বাধাৰ পৰা মুক্ত জীৱনৰ প্রতি এক নতুন আৰম্ভনী লাভ কৰে যিয়ে তেওঁক সৰলভাৱে 'জুম' ৰ এজন সদস্য ৰূপে গঢ় দিয়ে। এই নতুন দৃষ্টিভঙ্গীৰে এজন ব্যক্তিয়ে জীৱনত উচ্চতম স্থান পাবলৈ প্রয়াস কৰে। ইয়ে Nietzsche ৰ 'অতিমানৱ'ৰ ধাৰণাটোক প্রতিনিধিত্ব কৰে; যিয়ে জীৱনৰ প্রতি হয়' কয় আৰু তেওঁৰ নিজস্ব প্রমূল্যসমূহৰ সৃষ্টি কৰে।

ইয়াত এই কথা উল্লেখ কৰিবলগীয়া যে যেতিয়া Nietzsche য়ে তেওঁৰ অতিমানৱৰ ধাৰণাটো অর্পন কৰিছিল, তেতিয়া তেওঁ মানুহক জীৱনৰ সকলো বিধিক ভঙ্গ কৰি বনৰীয়া জন্তু হৈ পৰিবলৈ আৰু নিজৰ সঙ্গীতৰ সুৰত নৃত্য কৰিবলৈ কোৱা নাছিল । ইয়াৰ পৰিৱর্ত্তে তেওঁ 'Will to Power' ৰ ওপৰত প্রতিষ্ঠিত তেওঁৰ অভিজাতসুলভ মহান নৈতিকতাৰ জৰিয়তে জীৱন সংজ্ঞা দিবলৈ বিচাৰিছিল। এনেধৰণৰ নৈতিকতাৰ মূল্য উদ্দেশ্য হৈছে মানুহৰ মাজত সৃজনশীলতা আৰু সম্ভাৱনীয়তাক জাগ্রত কৰা। এনেধৰণৰ নৈতিকতাই আন কেতবোৰ অন্য-পার্থিব আশাৰ গ্রহণ কৰাৰ পৰিবর্ত্তে এই পার্থিৱ জীৱনতে প্রমূল্য আৰু হর্ষ-উল্লাসৰ পথ মুকলি কৰি দিয়ে। সেয়েহে, এজন ব্যক্তিয়ে এক 'হয় কোৱা' জীৱন আৰু এক অভিজাত্য সূলভ নৈতিকতাকো উপভোগ কৰিব পাৰে।

১১.৬ সামৰণী

Nietzsche ৰ 'অতিমানৱ' ধাৰণাটোৱে নৈতিকতাৰ লক্ষ্যক বাহাল ৰাখিব পাৰে সাধাৰণ কল্যাণ। অতিমানৱ সকলো নৈতিকতাৰে এক ধ্বংসকর্ত্তা নহয় আৰু সেই হিচাপে সমাজত ই বিশৃংখলতা বা অনিয়মৰ সৃষ্টি কৰে। ইয়াৰ ঠাইত তেওঁ এনে এক ব্যক্তি যিয়ে এক অভিজাতসুলভ নৈতিকতাক বিশ্বাস কৰে। এই সন্দর্ভত ই অভিজাতসূলভ যে তেওঁ জুমৰ মানসিকতা আৰু সমাজৰ প্রচলিত প্রমূল্যসমূহক অনুসৰণ কৰাৰ পৰা মুক্ত। এই প্রক্রিয়াত এজন লোকে তেওঁ উন্নত আৰু শ্রেষ্ঠতৰ দৃষ্টিভঙ্গীৰ জৰিয়তে এক বেছি ভাল সমাজৰ গঢ় দিব পাৰে। এই কথাও ক'ব পৰা যায়যে Nietzsche য়ে মানুহৰ ওপৰত এক বাহ্যিক আইন জাপি দিয়া পৰিৱর্ত্তে এক আন্তৰিক প্রয়োজনীয়তা ৰূপে নৈতিকতাক গঠন কৰিব বিচাৰিছিল। তেওঁৰ গুণ এইখিনিতে আছে যে প্রদত্ত নীতি বা বিধিসমূহ অন্ধভাৱে অনুসৰণ কৰাৰ পৰিৱর্তে নৈতিকতাৰ প্রমূল্যক মূল্যায়ণ কৰিবলৈ তেওঁ আমাৰ চকু মুকলি কৰি দিছে। তেওঁ পতিত আৰু জীৱনক নুই কৰা মনোভাৱৰ হেতু প্রভাৱী নৈতিকতাক পৰিত্যাগ কৰিছিল। কিন্তু তেওঁ এজন 'মহান অভিজাতসূলভ নৈতিকতা'ক পোষণ কৰিছিল, যিয়ে মানুহক সৃজনশীল, ফলপ্রসূ আৰু আত্ম-জয়ৰ অনুমোদন আগবঢ়ায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ Nietzscheৰ অস্তিত্বমূলক চিন্তাধাৰাৰ মৌলিক বিষয় কি?

.....

.....

প্ৰশ্ন নং ২ ঃ Nietzsche ৰ মতে মানৱ জাতিৰ বাবে অস্তিত্বৰ আদৰ্শ কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ Nietzsche ৰ মতে এখন সমাজৰ থকা দুই ধৰণৰ শ্ৰেণী কি কি?

.....

.....

প্ৰশ্ন নং ৪ ঃ মালিক শ্ৰেণীত শ্ৰেয় হিচাপে স্বীকৃত প্ৰমূল্যসমূগ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৫ ঃ দাস শ্ৰেণীত শ্ৰেয় হিচাপে স্বীকৃত প্ৰমূল্যসমূগ কি কি?

.....

.....

প্ৰশ্ন নং ৬ ঃ খ্ৰীষ্টান নীতিশাস্ত্ৰত মানুহৰ সৰ্বশ্ৰেষ্ঠ শ্ৰেয় কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ মানুহৰ সকলো ধৰ্ম আৰু আচৰণৰ পিছত থকা প্ৰধান প্ৰেৰক কি?

.....

.....

প্ৰশ্ন নং ৮ ঃ Nietzsche ৰ নৈতিকতাৰ লক্ষ্য কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ তিনিটা স্থিতি কি কি, যাৰ জৰিয়তে এজন মানুহে নিজকে 'অতিমানৱ'লৈ উন্নীত কৰিব পাৰে?

.....

.....

প্ৰশ্ন নং ১০ ঃ Nietzsche ৰ 'Will to Power' অত Power শব্দই কি নিৰ্দেশ কৰিছে?

.....

.....



১১.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- নৈতিকতাৰ লক্ষ্য হৈছে এক পৰিৱেশ সৃষ্টি কৰা, য'ত বেয়া কৰ্মবোৰ পৰিহাৰ কৰি আৰু নৈতিক আচৰণবিধিৰ দ্বাৰা পৰিচালিত হৈ ভাল কামৰ দ্বাৰা মানুহে জীয়াই থাকে।
- নৈতিকতাই আমাক ভাল কৰাৰ লগতে এক বিকশিত ৰাষ্ট্ৰ নাইবা সমাজ প্ৰতিষ্ঠা কৰিবলৈ প্ৰয়াস কৰে।
- Nietzsche দৰ্শনত মানৱ সত্ত্বা আৰু তেওঁৰ বিকাশও আত্ম সৃষ্টি মূল কথা।
- Nietzsche য়ে নিৰীক্ষন কৰিছিল যে সমাজত দুই প্ৰকাৰৰ শ্ৰেণী থাকে মালিক শ্ৰেণী আৰু দাস শ্ৰেণী। মালিক আৰু দাস শ্ৰেণীৰ মাজত সংঘৰ্ষৰ ফলতে সকলো প্ৰমূল্যৰ বিকাশ ঘটে।
- মালিক শ্ৰেণী (শক্তিশালী শ্ৰেণী)ত সাহস, প্ৰভুত্ব, সকৰাত্মকতা আত্ম প্ৰেম আদিক 'শ্ৰেয়' ৰূপে স্বীকাৰ কৰা হয়।
- দাস শ্ৰেণী (দূৰ্বল শ্ৰেণী)ত দুখ, সহানুভূতি, দয়া আত্ম বলিদানক উচ্চ সন্মান প্ৰদান কৰা হয় আৰু 'শ্ৰেয়' ৰূপে স্বীকাৰ কৰা হয়।
- Will to Power হৈছে আত্মবিকাশৰ অবিৰত প্ৰতিক্ৰিয়াত নিজকে জড়িত কৰিবলৈ ইচ্ছা 'সৃষ্টিৰ ইচ্ছা', আত্মজয়ৰ ইচ্ছা' ইত্যাদি।
- Will to Power অত Power শব্দটোৱে সৃষ্টি কৰাৰ শক্তিক নিৰ্দেশ কৰে। ই হৈছে এক সকাত্মক বল যিয়ে আমাক জীৱনৰ প্ৰতি 'হয়' ক'বলৈ অনুমোদন জনায়।
- Nietzsche ৰ নৈতিকতাৰ ধাৰণাৰ মূল লক্ষ্য মানুহৰ মাজত সৃজনশীলতা আৰু সম্ভাৱনীয়তাক জাগ্ৰত কৰা। এনেধৰণৰ নৈতিকতাই কেতবোৰ অন্য জাগতিক আশাৰ দ্বাৰা অৱশোষিত হোৱাৰ পৰিৱৰ্তে এই পাৰ্থিক জীৱনকে প্ৰমূল্য আৰু উল্লাস প্ৰদান কৰে।
- Nietzsche ৰ বাবে জীৱনৰ সকলো প্ৰমূল্য 'Will to Power' ৰ সৃষ্টি আৰু সেই হিচাপে নৈতিকতাৰ কোনো আধিবৈজ্ঞানিক ভিত্তি (Other Worldly Values) নাই, যিবোৰ মানুহৰ স্পৰ্শৰ উৰ্দ্ধত থাকে।
- Nietzsche ৰ আদৰ্শ ধাৰণা 'অতিমানৱ' অত Will to Power য়ে নিজস্ব সৰ্বশ্ৰেষ্ঠ অভিব্যক্তি লাভ কৰিছে।
- কোনো সাৰ্বিক নিৰ্দেশনামা অনুসৰণ নকৰাকৈয়ে নিজা উৎকৃষ্টতাৰ জৰিয়তে প্ৰত্যেক মানুহে এজন 'অতিমানৱ' হ'বলৈ চেষ্টা কৰিব লাগে।
- 'অতিমানৱ' 'Hard Morality' ৰ বিৰোধী যাক ধৰ্ম নাইবা ধৰ্ম-যাজকৰ দ্বাৰা নিৰ্দেশিত কেতবোৰ সাধাৰণ আইন মানি চলা সাধাৰণ লোকে স্বীকাৰ কৰে।
- 'অতিমানৱ' সকলো নৈতিকতাৰ ধ্বংসকৰ্তা নহয় আৰু সেই হিচাপে সমাজত বিশৃংখল

সৃষ্টি কৰে। ইয়াৰ পৰিৱৰ্তে তেওঁ এক অভিজাতসূলভ নৈতিকতাক বিশ্বাস কৰে।

- মানুহৰ ওপৰত এক বাহ্যিক আইন জাপি দিয়াৰ পৰিৱৰ্ত্তে Nietzsche য়ে নৈতিকতাক এক আন্তৰিক প্ৰয়োজনীয়তা হিচাপেহে গঢ় দিবলৈ বিচাৰিছিল।



১১.৮ অধিক জানিবলৈ

1) Kauffmam, Walter (1974) Nitzsche Philosopher, Psychologist, Antichrist. Prineeton: Princeton University Press.

2) Hollingdale, R. J. (1973). Neitzsche The Man and His Philosophy, Routledge of Kegan Paul.

3) Leiter, Brian, (2003). Rultedge Philosophy Guidelbook to Neitzsche on morality, Rutledge.

4) May. Simon (1999). Neitzsche's Ethics and his war on Moralily, Rutledge.

5) Surft, Paul. A. (2005). Becoming Neitzsche, Lexington Books.



১১.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আত্ম বিকাশ আৰু জীৱন পুষ্টি হৈছে Nietzsche ৰ অস্তিত্বমূলক চিন্তাধাৰাৰ প্ৰাথমিক বিষয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ Nietzsche ৰ মতে, মানৱ সত্ত্বাৰ বাবে অস্তিত্বৰ আদৰ্শ স্থিতি হৈছে, যেতিয়া তেওঁলোকৰ সম্ভাৱনীয়তাৰ সৈতে তেওঁলোক জীয়াই থাকিবলৈ সক্ষম হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ সমাজৰ দুটা শ্ৰেণী হৈছে — মালিক শ্ৰেণী আৰু দাস শ্ৰেণী।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মালিক শ্ৰেণী (শক্তিশালী শ্ৰেণী)ত 'শ্ৰেয়' ৰূপে স্বীকৃত প্ৰমূল্যসমূহ হ'ল সাহস, প্ৰভূত্ব, সকাৰাত্মকতা আৰু আত্মপ্ৰেম।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ দাস শ্ৰেণীত সকলো দূৰ্বল প্ৰমূল্য যেনে - দুখ, সহানুভূতি, দয়া, বলিদান আদিক 'শ্ৰেয়' হিচাপে স্বীকাৰ কৰা হয়।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ খ্ৰীষ্ট্ৰীয় ধৰ্মীয় নীতি শাস্ত্ৰত মানুহৰ সৰ্বশ্ৰেষ্ঠ 'শ্ৰেয়' (Highistgood) হৈছে মানুহৰ নিজৰ জীৱনত ঈশ্বৰৰ সাম্ৰাজ্য আৰু তেওঁৰ ন্যায়পৰ্ণতাৰ সন্ধান কৰা।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ সকলো মানৱ কৰ্ম আৰু আচৰণৰ পিছত থকা প্ৰধান প্ৰেৰক হৈছে Will to Power।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ Nietzsche ৰ নৈতিকতাৰ মূল উদ্দেশ্য হৈছে মানুহৰ মাজত সৃজণশীলতা আৰু সম্ভাৱনীয়তাক জগায় তোলা।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ তিনিটা স্থিতি, যাৰ জৰিয়তে মানুহে নিজকে 'অতিমানৱ'লৈ ৰূপান্তৰ কৰে, সেয়া হল উট্, সিংহ আৰু শিশু।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ Nietzsche ৰ 'Will to Power' ধাৰণাটোত Power শব্দটোৱে আন মানুহৰ ওপৰত শক্তি আৰু প্ৰভূত্ব বিস্তাৰৰ বাবে থকা লোভক নিৰ্দেশ কৰা নাই। ই হৈছে সৃষ্টি কৰাৰ শক্তি । ই হৈছে এক সকাত্মক শক্তি বা বল, যিয়ে আমাক জীৱনৰ প্ৰতি 'হয়' ক'বলৈ অনুমতি দিয়ে।



১১.১০ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ Nietzsche ৰ সকলো মানৱ কৰ্মৰ পিছত থকা প্ৰধান প্ৰেৰক কি?

প্ৰশ্ন ২ ঃ কি প্ৰকাৰৰ নৈতিকতাত Nietzsche য়ে বিশ্বাস কৰিছিল?

প্ৰশ্ন ৩ ঃ Nietzsche ৰ বাবে কি হ'বলৈ সকলো মানুহে পৰিযোজনা কৰে?

প্ৰশ্ন ৪ ঃ Nietzsche ৰ দৰ্শনৰ কেন্দ্ৰবিন্দু কি?

প্ৰশ্ন ৫ ঃ Nietzsche ৰ নৈতিকতাৰ লক্ষ্য কি?

(খ) চমু প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ নৈতিকতাৰ কি?

প্ৰশ্ন ২ ঃ Nietzsche ৰ Will to Power ধাৰণাটোত Power শব্দটো অৰ্থ কি?

প্ৰশ্ন ৩ ঃ অতিমানৱ সকলো প্ৰমূল্যৰে ধ্বংসকৰ্তা হয়নে ?

প্ৰশ্ন ৪ ঃ Nietzsche ৰ অভিজাতসুলভ নৈতিকতা কি?

প্ৰশ্ন ৫ ঃ Nietzsche ৰ খ্ৰীষ্টানধৰ্মী নৈতিকতাক খণ্ডন কৰণৰ দুটা কাৰণ দৰ্শাওক।

প্ৰশ্ন ৬ ঃ Herd Morality কি ?

প্ৰশ্ন ৭ ঃ তিনিটা স্থিতি কি কি, যাৰ জৰিয়তে মানুহে নিজকে অতিমানৱলৈ ৰূপান্তৰ কৰে?

(গ) দীঘল প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ Nietzsche য়ে সাৰ্বিক স্থিত নৈতিকতাক অস্বীকাৰ কৰিছিল?

প্ৰশ্ন ২ ঃ Nietzsche ৰ Will to Power ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ Nietzsche ৰ দৰ্শনত 'অতিমানৱ'ৰ ধাৰণাটোৰ বিষয়ে লিখক।

প্ৰশ্ন ৪ ঃ মালিক নৈতিকতা আৰু দাস নৈতিকতা কি?

*** ***** ***

অধ্যায় ১২ ঃ ছার্তে ঃ তত্ব বা সাৰ আৰু অস্তিত্ব

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ অস্তিত্ববাদ কি
১২.৪ ছার্তে সাৰমর্ম আৰু অস্তিত্ব
১২.৫ Existence Preceder Essence
১২.৬ বস্তুনিষ্ঠতা বা বিষয়নিষ্ঠতাৰ বিৰুদ্ধে আত্মনিষ্ঠতা
১২.৭ সমালোচনমূলক মূল্যায়ণ
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবলৈ
১২.১০ অগ্রগতিৰ খতিয়ান
১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- ছার্তেৰ মতে অস্তিত্ববাদ কি, তাৰ সংজ্ঞা দিবলৈ পাৰিব
- Existence Preceder Essence উক্তিটো বিশ্লেষণ কৰিব পাৰিব
- ছার্তেই আগবঢ়োৱাৰ দৰে আত্মনিষ্ঠতা আৰু বস্তুনিষ্ঠতাৰ মাজত পার্থক্য আলোচনা কৰিবলৈ পাৰিব
- সমালোচনামূলকভাৱে 'অস্তিত্ব' আৰু 'সাৰ' ৰ ওপৰত ছার্তেৰ মতামতক ব্যাখ্যা কৰিব পাৰিব।

১২.২ পৰিচয়

এই অধ্যায়টিত আমি মানৰ সাৰ আৰু অস্তিত্বৰ ওপৰত ফ্রান্সীয় অস্তিত্ববাদী দার্শনিক জ্যাঁ পল্ ছার্তেৰ মতামতসমূহ আলোচনা কৰিম। ছার্তেৰ মানৰ সাৰ আৰু অস্তিত্বৰ ব্যাখ্যা বহুলভাৱে তেওঁৰ নিৰীশ্বৰবাদী স্থিতিৰ ওপৰত প্রতিষ্ঠিত; যাক তেওঁ নিজৰ দার্শনিক আৰু সাহিত্যিক কর্মৰাজিৰ সকলোতে বাহাল ৰাখিছে। মানৰ অস্তিত্বৰ প্রাথমিকতাৰ ওপৰত মহত্ব প্রদান কৰি ছার্তে য়ে খ্রীষ্টিয়ান পৰিৱেশত বিশিষ্ট (Individual) মানৰ সত্ত্বাৰ আপত্তিজনক স্থিতিক পুনৰ আবিষ্কাৰ কৰিবলৈ প্রয়াস কৰিছে। তেওঁ পূর্ব সজ্জিত সত্ত্বাৰ সৈতে এক নিষ্ক্রিয় জীৱন যাপনৰ পৰিৱর্ত্তে প্রত্যেক ব্যক্তিৰ এক সক্রিয় আৰু ব্যস্ত জীৱনৰ ওপৰত জোৰ দিছে। ছার্তেৰ মানৰ অস্তিত্বৰ

মতবাদৰ এইসমূহ বৈশিষ্ট্য ধ্যানত ৰাখি ইয়াত আমি আলোচনা কৰিম যে ছার্টেয়ে কিদৰে মানৰ অস্তিত্বৰ প্রাথমিকতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি অস্তিত্ববাদৰ এক নিজস্ব ৰূপ আগবঢ়াইছে।

১২.৩ অস্তিত্ববাদ কি ?

অস্তিত্ববাদৰ মৌলিক বৈশিষ্ট্যসমূহ আলোচনা কৰোঁতে আমি ইতিমধ্যে জানিব পাৰিছো যে অস্তিত্ববাদে প্রাথমিকভাৱে সাৰবস্তু বা তত্ত্ব (Essence) তকৈ অস্তিত্বৰ (Existence) ওপৰতহে অধিক জোৰ দিছে। অস্তিত্ববাদৰ প্রধান লক্ষ্য হৈছে এজন সচেতন আৰু সক্রিয় বিষয় হিচাপে মানুহৰ মর্য্যদাক প্রতিষ্ঠা কৰা। তথাপি, মানুহৰ মর্য্যদাক সাৱস্ত্য কৰিবলৈ অস্তিত্ববাদীসকলৰ দ্বাৰা আগবঢ়োৱা দার্শনিক যুক্তিবোৰ বিভিন্ন আৰু আপত্তিজনক। এই প্রবৃত্তিত ভিতৰত বহুতো পার্থক্যও আছে। ইয়াত কোনো বিশেষ নীতি নাই, যাক অনুসৰণ কৰি প্রতিপাদকসকলে নিজা নিজা মতামত আগবঢ়ায়। ইয়াৰ পৰিৱর্তে, বেছিভাগ অস্তিত্ববাদী দার্শনিকে অস্তিত্ববাদীৰ বান্ধক অস্বীকাৰ কৰে। সংক্ষেপে, দার্শনিকসকল যিয়ে মানৰ স্থিতি আৰু ব্যক্তিগত প্রামানিকৰণতাৰ বিষয়ে কৈছে, তেওঁলোকে অস্তিত্ববাদৰ পৰিসৰৰ ভিতৰত থাকিয়েই আলোচনা কৰিছে। (Kierkegaard) আৰু (Heidegger)ৰ দৰে দার্শনিকসকলে ইচ্ছাকৃত ভাৱে 'অস্তিত্ববাদী'ৰ নামটো কেতিয়াও গ্রহণ কৰা নাই। কিন্তু, তেওঁলোকৰ মতামতসমূহে তেনেদৰে গ্রহণ কৰাত সহায় কৰিছে। অস্তিত্ববাদক এক দার্শনিক মতবাদ ৰূপে আখ্যা দিব পাৰি, যিয়ে মানৰ অস্তিত্বক বুজিবলৈ সত্যতাৰ প্রবর্গবোৰৰ বাবে অনুসন্ধান চলায়।

অস্তিত্ববাদৰ সংজ্ঞাটোক পৰিষ্কাৰ কৰি ছার্টেই কয় যে অস্তিত্ববাদ দুই প্রকাৰ আছে, আস্তিক (Theistic) আৰু নাস্তিক (Atheistic)। আস্তিক নাইবা খ্রীষ্টানধর্মী অস্তিত্ববাদীসকলে Keirkegaard, Karl Jaspers, Gabriel Marcal আদিৰ দৰে দার্শনিকসকলক অন্তর্ভুক্ত কৰে। যিটো শাখাত Sartre আৰু Martin Heidegger অন্তর্ভুক্ত, তাক নাস্তিক অস্তিত্ববাদ বোলা হয়, যিয়ে ঈশ্বৰ অস্তিত্বৰ ওপৰত বিশ্বাস নকৰে। তেওঁলোকৰ সাধাৰণ বিশ্বাস এইয়ে 'Existence Preceder Essence' নাইবা আত্মনিষ্ঠতাই হৈছে আৰম্ভ স্থল। ইয়াৰ দ্বাৰা তেওঁলোকে অস্তিত্ববাদকেই নির্দ্দেশ কৰিছে।

১২.৪ ছার্টে ঃ সাৰমর্ম আৰু অস্তিত্ব

Sartreয়ে ১৯৪৫ চনৰ অক্টোৰৰ মাহত পেৰিছত দিয়া তেওঁৰ বিখ্যাত ভাষণ 'Existentialism is a Humanism' অত 'অস্তিত্ব'ৰ নিজা মতবাদ আগবঢ়াইছিল। ইয়াত তেওঁ প্লেট'ৰ সাৰবাদ বা তত্ববাদ (Essentialism) ৰ বিৰুদ্ধে এক মতামত দাঙি ধৰিছিল। প্লেট'ৰ মতে মানৰ তত্ব তেওঁৰ অস্তিত্বৰ পূর্ববৎ। Sartre য়ে মানৰ অস্তিত্বৰ ওপৰত প্রাথমিকতা প্রদান কৰিছিল আৰু ঘোষণা কৰিছিল যে মানুহৰ সন্দর্ভত তেওঁৰ অস্তিত্বহে আগত আহে (Existence Preceder Essence)। ই হৈছে প্লেট'ৰ উক্তিৰ এক বিপৰীত উক্তি, যিয়ে সাব্যস্ত

কৰে যে মানৰ তত্ব বা সাৰ তেওঁৰ অস্তিত্বৰ পূৰ্বেই আহে। আন আন নাস্তিক অস্তিত্ববাদীৰ দৰে Sartre য়ে এই উক্তিটো (Existence Preceder Essence) ৰ জৰিয়তে বিষয় বা আত্মাৰ প্রাথমিকতা প্রকাশ কৰিবলৈ চেষ্টা কৰিছে। তেওঁ সাব্যস্ত কৰে যে এজন সচেতন প্রতিনিধি হিচাপে জন্ম গ্রহণ কৰাৰ পাছত তেওঁৰ নিজস্ব সাৰ বা তত্ত্বক কাৰিকৰী প্রদান কৰাত প্রত্যেকজন অস্তিত্বশীল ব্যক্তি মহত্ত্বপূর্ণ। 'Sartre Subjectivity must be our point of departure.'



জানি থোৱা ভাল

ইয়াত আমি এই সত্যটো টোকি ল'ব পাৰো যে 'Existentialism is a Humanism' হৈছে এক য'ত১৯৪৫ চনৰ ২৯ অক্টোৱৰ সোমবাৰে পেৰিছত Sartre য়ে আগবঢ়োৱা এটা ভাষণক তেওঁ অংশলিপিত লিখি উলিয়াইছে। Sartre য়ে তেওঁৰ ভাষণ প্রকাশ হোৱাত গুৰুত্ব দিয়া নাছিল আৰু তেওঁ কাচিৎহে এই অংশলিপিৰ সংশোধন কৰিছিল। এই ভাষণটো গ্রন্থ আকাৰে প্রকাশিত হয়। Nagel ৰ দ্বাৰা ১৯৪৬ চনত।

ছার্টেৰ অস্তিত্ববাদক ব্যক্তিগত আত্মনিষ্ঠতাক আওকাণ কৰিবলৈ আৰু দবাই ৰাখিবলৈ কৰা সকলো প্রচেষ্টাৰ বিৰুদ্ধে মানুহৰ বিদ্রোহক প্রতিনিধিত্ব কৰা বর্ত্তমান যুগৰ এক বৈপ্লৱিক দর্শন ৰূপে আখ্যা দিব পাৰি। 'Existence Preceder Essence' হৈছে Sartre ৰ দর্শনক প্রকাশ কৰাৰ এক উক্তি, য'ৰ পৰা আমি মানুহে নিজে ৰূপ দিয়া নিজৰ পৰিচয়ৰ সক্রিয় আৰু দায়িত্বশীল জীৱন যাপনৰ গুৰুত্বক বিচাৰি পাওঁ। Sartre ৰ মতে মানুহে প্রবৃত্ত (Giuens) সমূহক অতিক্রম কৰিব পাৰে আৰু এজন যথার্থ সত্বা হোৱাৰ সম্ভাৱনীয়তাক কঢ়িয়াব পাৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ Sartre কোন দেশৰ বাসিন্দা?

.....

.....

প্রশ্ন নং ২ ঃ অস্তিত্ববাদৰ দুটা বিভাগ কি কি?

.....

.....

১২.৫ 'EXISTENCE PRECEDER ESSENCE'

এতিয়া, 'Existence Preceder Essence' কথাষাৰৰ দ্বাৰা Sartre য়ে কি বুজাব বিচাৰিছে? তেওঁৰ মূল লক্ষ্য হৈছে এক সম্পূর্ণ মানৱতাবাদক অনুমোদন কৰা, যি মানুহৰ সৈতে আৰম্ভ হয় আৰু মানুহতে শেষ হয়। সেইবাবে তেওঁ সক্রিয় মানুহৰ দর্শনৰ ওপৰত অধিক গুৰুত্ব

প্রদান কৰিছে, যিয়ে নিষ্ক্রিয়ভাৱে পূর্বতে সজ্জিত জীৱনক অনুসৰন নকৰে, বৰঞ্চ তেওঁৰ নিজা পৰিচয় নিজে সৃষ্টি কৰে। 'Existence Preceder Essence' য়ে মানৱৰ বাস্তৱতাৰ ওপৰত আলোকপাত কৰে, যিটো কোনো উচ্চ প্রাধিকৰণৰ দ্বাৰা নির্মাণ কৰা নহয় বৰঞ্চ মানুহে তেওঁৰ নিজা পছন্দৰ কার্যকলাপৰ দ্বাৰা গঠিত হয়। ইয়াত এই কথা গুৰুত্ব দিয়াটো মহত্বপূর্ণ যে 'Existence Preceder Essence' উক্তিটো জার্মান অস্তিত্ববাদী দার্শনিক Soren Kierkegarrd য়ে পোন প্রথমবাৰৰ বাবে পৃষ্ঠপোষকতা কৰিছিল। Sartre য়ে এই বাক্যাংশ গ্রহণ কৰিছে আৰু যেতিয়া মানৱ অস্তিত্ব আৰু সাৰৰ বিষয়ে বিশ্লেষণ কৰিছিল, তেতিয়া তেওঁ ইয়াক অধিক বাহুল্যকৈ ব্যৱহাৰ কৰিছিল।

Sartre ৰ মতে মানুহৰ কোনো পূর্ব সজ্জিত স্বভাৱ নাথাকে। অন্যান্য নির্মিত বস্তুসমূহৰ প্রকৃতি ব্যাখ্যা কৰাৰ দৰে আমি মানুহৰ প্রকৃতি ব্যাখ্যা কৰিব নোৱাৰো। মানুহ আৰু অন্যান্য নির্মিত বস্তুবোৰৰ মাজৰ পার্থক্যক দেখুওৱাবলৈ তেওঁ এক কাগজৰ চুৰীৰ উদাহৰণ আগবঢ়াইছে। এখন কাগজৰ ছুৰী কোনো লোকৰ দ্বাৰা নির্মিত হয়, যাৰ মনত ইয়াৰ ধাৰণাটো থাকে। সেয়ে, কাগজৰ চুৰীখন এক বিশেষ উদ্দেশ্যে নির্মান কৰা হয়। ৰ মতে কাগজৰ চুৰী নির্মাণ কর্ত্তা আৰু ইয়াৰ ব্যৱহাৰৰ উদ্দেশ্যই যদি ইয়াৰ সাৰ বা তত্ব হয়, তেন্তে আমি দেখোঁ যে কাগজৰ চুৰীখনৰ সাৰ ইয়াৰ অস্তিত্বৰ আগেয়ে আহে। ইয়াৰ সাৰ (Essence) পূর্ব নির্দ্ধাৰিত।

এতিয়া, যদি আমি একেটা দৃষ্টিকোণৰ পৰা মানুহক বুজিবলৈ চেষ্টা কৰোঁ, তেতিয়া ঈশ্বৰৰ মনত মানুহৰ ধাৰণাটোক নির্মাণকর্ত্তাৰ মনত থকা কাগজৰ চুৰীৰ ধাৰণাটোৰ লগত তুলনা কৰিব পাৰো। ই সম্ভৱ হয়, যদিহে আমি ঈশ্বৰৰ অস্তিত্বক বিশ্বাস কৰোঁ। এখন কাগজৰ চুৰী যিদৰে নির্মাণকর্ত্তাজনৰ এক নির্দ্দিষ্ট ধাৰণাৰ পুর্তি আৰু উপলব্ধ, ঠিক তেনেদৰে মানুহৰ সাৰ বা তত্ত্বও ঈশ্বৰৰ দ্বাৰা পূর্ব- কল্পিত হ'ব পাৰে আৰু মানুহ কেৱল ইয়াৰ এক পুর্তিহে মাথোন। যদি এই মত স্বীকাৰ কৰা হয়, তেতিয়া মানুহৰ ক্ষেত্রতো আমি ক'ব লাগিব যে তেওঁৰ সাৰ (Essence) তেওঁৰ অস্তিত্বৰ পূর্ব। কিন্তু (Sartre) ৰ যুক্তিত ঈশ্বৰৰ ধাৰণাটোৱে এক আত্ম-বিৰোধী ধাৰণাক প্রকাশিত কৰে। তেওঁৰ মতে যিয়েই অস্তিত্বশীল, সি আকষ্মিক হ'বই লাগিব। যদিহে ঈশ্বৰৰ অস্তিত্ব আছে, তেন্তে ঈশ্বৰৰ অস্তিত্বও আকষ্মিক হ'ব লাগিব। কিন্তু এই মতটো ঈশ্বৰৰ আস্তিক মতৰ বিৰুদ্ধে যায়, যিয়ে ঈশ্বৰৰ অনিবার্য্য অস্তিত্বক স্বীকাৰ কৰে। Sartre য়ে আঙুলিয়াই দিয়ে যে অনিবার্য্যতা আৰু অস্তিত্ব একেলগে হ'ব নোৱাৰে। সেয়ে ঈশ্বৰৰ ধাৰণাটো আত্ম-বিৰোধী হৈ পৰে আৰু সেয়েহে ইয়াক অস্বীকাৰ কৰা হৈছে। তথাপি, দর্শনত এই সাধাৰণ প্রবৃত্তি এনেধৰণৰ মতামতসমূহৰ সৈতে আগনাবাঢ়ে। দার্শনিক অনুসন্ধানত এক পূর্ব-কল্পিত মানৱ স্বৰূপক প্রশ্নবিহীনভাৱে স্বীকাৰ কৰি লোৱা হৈছিল। Sartre য়ে শোক প্রকাশ কৰে যে আনকি Kant ৰ সময়ছোৱালৈকে এই প্রবৃত্তিটো দার্শনিক পৰম্পৰাত বাহাল আছিল। তেওঁলোকে এক নির্দিষ্ট 'মানৱ প্রকৃতি'ত বিশ্বাস কৰে, যাক এক বিশ্বজনীন ধাৰণাৰ দৰে সকলো মানুহৰ মাজত দেখা যায়।

Sartre য়ে এনেধৰণৰ স্থিতিক নুই কৰিছে আৰু দাবী কৰিছে যে ঈশ্বৰৰ অ-অস্তিত্বশীলতাই এই কথা প্রমাণ কৰে যে ঈশ্বৰৰ মনত মানুহ সম্পর্কে কোনো পূর্ব ধাৰণা নাথাকে। মানুহ কাগজ ছুৰীৰ দৰে নহয়। তেওঁৰ এক নিদৃষ্ট উদ্দেশ্যেৰে গঠিত এক পূর্বকল্পিত স্বৰূপ নাই। যিহেতু ঈশ্বৰ অস্তিত্বহীন, সেয়েহে অতি কমেও এজন সত্বা আছে, যাৰ মাজত তেওঁৰ অস্তিত্ব সাৰ পূর্বেই থাকে। সেয়া হৈছে মানুহ, যিয়ে জগতত অস্তিত্বশীল হোৱাৰ পাছত নিজে নিজৰ সাৰ বা তত্বক সৃষ্টি কৰি লয়। যেতিয়াই Sartre য়ে অস্তিত্ববাদক নির্দ্দেশ কৰে, তেওঁ বুজায়, 'man first exist . he materializes in the world, encounters himself, and only afterwards defines himself ..... Thus, there is no human nature since there is no god to conceive of it ..... man is nothing other than what he makes of himself. This is the first principle of existentialism'. অর্থাৎ, 'মানুহ প্রথমে অস্তিত্বশীল জগতত তেওঁ মুর্ত্ত ৰূপ ধাৰণ কৰে, নিজৰ সৈতে মুখামুখী হয় আৰু কেৱল তাৰপাছতহে নিজকে সংজ্ঞা প্রদান কৰে ..... সেয়ে, যিহেতু ইয়াক ধাৰণ কৰিবলৈ কোনো ঈশ্বৰ নাই, মানুহৰো কোনো স্বৰূপ নাই ..... মানুহে নিজে নিজকে সৃষ্টি কৰাৰ বাদে আন একো নাই। ইয়েই হৈছে অস্তিত্ববাদৰ প্রথম নীতি।'

১২.৬ বস্তুনিষ্ঠতাৰ বিৰুদ্ধে আত্মনিষ্ঠতা

'আত্মনিষ্ঠতাই সত্য আৰু সত্যই আত্মনিষ্ঠতা' Keirkegaard ৰ এই মতটোক Sartre য়ে স্বীকাৰ কৰে। সেয়ে, তেওঁ আত্মনিষ্ঠতাৰ ওপৰত অধিক গুৰুত্ব প্রদান কৰিছে। তেতিয়া হ'লে আত্মনিষ্ঠতাৰ অর্থ কি? যেতিয়া আমি আত্মনিষ্ঠতা সম্পর্কে কথা পাতো, তেতিয়া সাধাৰণ বোধগম্যতাত ই এক ভ্রান্তিজনক শব্দ হ'ব পাৰে। সৰলভাৱে বুজিবলৈ, দর্শনত আত্মনিষ্ঠতা (Subjectivity) শব্দই নির্দ্দেশ কৰে এজন সক্রিয়, সচেতন সত্বা নাইবা মানুহক, যি ভৌতিক বস্তুসমূহৰ বিপৰীত। Sartre ৰ দর্শনত এই দুটা ধাৰণা বিষয় (Subject) আৰু বস্তু (Object) ক 'bing for itself' আৰু 'being in itself' ৰ শীর্ষত বহলভাৱে আলোচনা কৰিছে।

'Being in itself'

'Being in itself' য়ে চেতনাবিহীন, নিষ্ক্রিয়, বস্তুবোৰৰ দৰে অস্তিত্বক নির্দ্দেশ কৰে। ই যি, সিয়ে হয়। ইয়াৰ সাৰ বা তত্বক পছন্দ কৰা নাইবা সৃষ্টি কৰাৰ কোনো ক্ষমতা নাথাকে। আত্ম সচেতনতাৰ দৰে ইয়াৰ নিজৰ ওপৰত প্রতিবিম্বিত কৰাৰ ক্ষমতাও নাই। সাধাৰণভাৱে ইয়াক সাংখ্য দর্শনৰ 'প্রকৃতি' ৰ ধাৰণাৰ সৈতে একে বুলিব পৰা যায়, যি স্বভাৱত বস্তুগত কঠিন, অচেতন আৰু নিষ্ক্রিয়। Sartre ৰ মতে, 'Being in itself' নিষ্প্রভ, পূর্ণ আৰু নিজৰ মাজতে সামগ্রিকভাৱে পৰিপূর্ণ। সৰলভাৱে ই যেনেকুৱা তেনেকুৱাই । ইয়াৰ পৰিৱর্ত্তে, 'Being in itself' নাইবা চেতনা (Consciousness)ক এনে এক সত্বাৰ ৰূপত বর্ণনা কৰা হয়, যি ই নহয়। 'in itself' ৰ ভিতৰৰ পৰা প্রকাশ কৰিবলৈ একো নাই, যিহেতু ইয়াৰ কোনো গোপনীয়তা নাথাকে। অৱস্থান্তৰ

(Transition), পৰমসত্ত্বা (Becoming) আদিৰ দৰে শব্দবোৰে বৰ্ধনৰ কিছুমান পদ্ধতিৰ পৰামর্শ দিয়ে, যি নীতি বহিভূত। যদিও ইয়াক এক বস্তুগত অস্তিত্ব ৰূপে বুজা যায়, কিন্তু ইয়াক কোনো বস্তুৰ নির্দ্দেশৰ দ্বাৰা দৃষ্টান্তসহ বর্ণনা কৰিব পৰা নাযায়, যিহেতু এটা বস্তুৰে তাৰ নাম লাভ কৰে কেৱল তেতিয়াহে, যেতিয়া ইয়াক মানৰ চেতনাৰ দ্বাৰা ব্যাখ্যা কৰা হয়। ইয়াৰ ঠাইত ই বস্তুবোৰ দৃশ্যমান হোৱাৰ বাবে পটভূমিৰ অৱস্থা ৰূপেহে কাম কৰে। কিন্তু এই কথা মনত ৰাখিবলগীয়া যে আমাৰ সাধাৰণ জীৱন ধাৰণত বহুতো পার্থক্যমূলক বস্তু যেনে গছ, ঘৰ, কলম, কিতাপ আদিৰ অভিজ্ঞতা লাভ কৰোঁ যিয়ে স্পষ্টকৈ দেখুওৱাই যে এইটো সেইটো নহয়; এজোপা গছ কেতিয়াও এটা ঘৰ হ'ব নোৱাৰে। তেতিয়াহ'লে অভাৱ বা শূণ্যতা (Nothingness) ক কেনেকৈ স্পষ্টৰূপত পোৱা যাব? সেইকাৰণে, ই সেই প্রজ্ঞালৈ লৈ যায় যে 'bing in itself' কোনো বেলেগ সত্ত্বাৰ দ্বাৰা প্রভাৱিত হ'ব লাগিব, যাৰ গুণ নুই কৰা বা শূন্য কৰা। ইয়াতে 'bing' ৰ দ্বিতীয়টো ৰূপ দৃশ্যমান হয়, চেতনাৰ সত্ত্বা, যাক Sartre য়ে নামাকৰণ কৰিছে 'Being for itself' বুলি।

"Being for itself"

'Being for itself' ক চেতনাৰ সত্ত্বা বোলা হয়। ই মানুহৰ সাৰ বা তত্ত্বৰ বাদে আন একো নহয়, অ-পৃথকীকৃত পদার্থ নাইবা 'Being for itself' ৰ পৰা এটা বস্তুক আন এটাৰ পৰা পৃথক কৰাৰ দ্বাৰা আমাৰ ইন্দ্রিয়গ্রাহ্য জগতখনক সজাই উলিয়াব পৰা ক্ষমতা থকা চেতনা হিচাপে মানুহক Sartre য়ে প্রদর্শন কৰাইছে। তেওঁ 'Being for itself' ৰ সংজ্ঞা সত্ত্বাৰ সচেতন, সাৰহীন আৰু বিষয়বস্তুহীন ৰূপ বা আকাৰ হিচাপে দিছে, যি সদায় ইয়াৰ মুক্ত যোজনাৰ জৰিয়তে সত্ত্বাৰ অর্থৰ পিনে অতিক্রমণ কৰে। প্রত্যেক মুহূর্তত মানুহে তেওঁৰ নিজস্ব কার্যাৱলীক মনোনীত কৰিব লাগে আৰু এই আত্মমনোনীত কার্যৰ মাজেৰে নিজৰ সাৰ বা তত্বক সৃষ্টি কৰাৰ পথত অগ্রসৰ হ'বলগীয়া হয়। মানুহ, 'Being for itself' হিচাপে নির্দ্ধাৰিত, যি সদায় জন্মৰ সময়ত তেওঁ যি তাতকৈ অধিক।



জানি থোৱা ভাল

Sartre ৰ মতে, দুই প্রকাৰৰ সত্ত্বা যেনে 'Being in itself (en-soi) আৰু 'Being for itself' (pour-soi) ৰ উপৰিও আন এক প্রকাৰৰ সত্ত্বা আছে, যাক কোৱা হয় 'Being for others' (pour autrui)। ই হৈছে আত্ম প্রধানৰ সত্ত্বা। Sartre ৰ অস্তিত্ববাদৰ অন্তৰ বিষয়ক আলোচনাসমূহত ই যথোচিত।

'Being for itself" বাক্যাংশৰ জৰিয়তে Sartre য়ে এজন সক্রিয় আৰু ব্যস্ত চেতনা হিচাপে মানুহৰ সংজ্ঞাৰ প্রতি এক নতুন কল্পনা প্রদান কৰিছে। মানৰ সত্যতা বা বাস্তৱতা কোনো প্রাধিকাৰীৰ দ্বাৰা নির্দ্ধাৰিত পূর্ব পৰিভাসিত মানৰ প্রকৃতিৰ সজাৰ পৰা মুক্ত। যিহেতু কোনো ঈশ্বৰ নাই, সেয়ে Sartre ৰ মতে, মানুহৰ ক্ষেত্রত কোনো পূর্ব নির্দ্ধাৰিত সাৰ থকাৰ কোনো

সম্ভাৱনা নাই। অস্তিত্বৰ পূৰ্বে এটা বস্তুৰ সাৰক যিদৰে নির্দ্ধাৰণ কৰা হয়, মানুহৰ ক্ষেত্রত কিন্তু তেনে কোনো সম্ভাৱনীয়তা নাই। Heidegger ৰ দৰে Sartre য়েও মানি চলে যে মানুহক পৃথিৱীলৈ দলিয়াই দিয়া হয় এক পৰিত্যক্ত পৰিস্থিতিত, য'ত তেওঁ কেৱল শূণ্যতা বা অভাৱৰ মুখামুখী হ'ব পাৰে। মানুহৰ তাত্বিক সংগঠন এনে ধৰনৰ যে কোনো নির্দ্ধাৰিত অর্হতাৰ পৰা তেওঁ মানুহৰ সাংগঠনিক স্বতন্ত্রতাৰ ওপৰত গুৰুত্ব দি Sartre য়ে মানুহৰ সংজ্ঞা স্বাধীনতা বা স্বাতন্ত্র্যতা হিচাপে আগবঢ়াইছে। যিহেতু জন্মৰ কালত মানুহ কোনো সাৰ বা তত্ব দিয়া নাই, সেয়ে তেওঁ বাছি ল'ব লগা হয়। মুক্ত বিচাৰেই হৈ পৰে সাৰ নির্মাণৰ বাবে আগলৈ তেওঁ যোজনাবোৰৰ মাপকাঠি। বিভিন্ন সুযোগবোৰৰ মাজত মানুহে তেওঁৰ কর্মসমূহে বাছি ল'ব লাগে, যাক তেওঁ তেওঁৰ পৰিচয় গঢ়াৰ বাবে উৎকৃষ্ট হিচাপে গ্রহণ কৰিব পাৰে। এই প্রক্রিয়াটো তেওঁৰ জীৱনৰ শেষ মূহুর্তলৈকে চলি থাকে। আগলৈ, প্রত্যেক বিচাৰে প্রতিবদ্ধতা আৰু দায়বদ্ধতাক দাবী কৰে। সেয়েহে, Sartre য়ে মানুহৰ উদ্বেগৰ বিষয়ে কৈছে, যিহেতু, মানুহ, নিজৰ বিষয়টো বাছনি কৰিবলৈ আৰু তেওঁৰ পচন্দৰ বোজা কঢ়িয়াবলৈ বাধ্য।

এইবোৰ বাছনি, দায়বদ্ধতা আৰু উদ্বেগ আদি প্রত্যেক মূহুর্তত মানুহৰ সাৰ তত্ত্বৰ সৃষ্টি আৰু পুণঃ সৃষ্টি কৰে আৰু এই প্রক্রিয়া তেওঁ জীয়াই থকালৈকে চলি থাকে। সেয়ে, মানুহ প্রদত্ত নাম আৰু পৰিচয়ৰ উর্দ্ধত থাকে। তেওঁ সাৰ নাইবা পৰিচয়, যিয়েই নহওঁক, সি সদায় নির্মানৰ মাজত থাকে। সেয়েহে, মানুহৰ ক্ষেত্রত, Sartre য়ে পোষণ কৰে যে তেওঁৰ অস্তিত্ব সাৰৰ পূৰ্বে আহে (Existence Precedes Essence)। Sartre ৰ ভাষাত, 'by..... existence precedes essence' we mean that man first exists. he materializes in the world, encounters himself and only afterwards defines him self', তেওঁৰ ভাগ্যক নিয়ন্ত্রণ কৰিবলৈ কোনো ঈশ্বৰ নাই, মানৱ প্রমূল্যক প্রভাৱান্বিত কৰিবলৈ কোনো নীতি নাই। মানুহৰ পৰিচয় পোৱাৰ উদ্দেশ্য কর্ম কৰা আৰু ব্যস্ত হোৱাটেৰেই হ'ল একমাত্র নীতি। মানুহে নিজৰ পৰিচয়ৰ বাবে যিকোনো বস্তু বা বিষয়ৰ ওপৰত অস্তিত্বৰ দ্বাৰা যিকোনো ভৰসাৰে পৰা মুক্ত হ'ব পাৰে। এজন ব্যক্তিয়ে তেওঁৰ বাস্তৱিকতাৰ প্রদত্ত পৃষ্ঠভূমি নাই তথ্যাত্মকতাক অতিক্রম কৰা হিচাপে জীৱনটো অনুপম কৰি তোলে, যি তেওঁৰ সংস্কৃতি পৰম্পৰা, পৰিৱেশ, ভাষা আদিৰ ৰূপত একেদৰে আহে। নিজৰ শূন্যতাত মানুহ সদায় তেওঁৰ অস্তিত্বৰ উর্দ্ধত। মানুহৰ সাৰ বা তত্ত্ব গঠন হোৱাৰ অৱস্থাত থাকে। পোন প্রথমে মানুহ অস্তিত্বশীল আৰু তাৰপাছতহে স্বতন্ত্রতাৰ প্রয়োগ বা অভ্যাসৰ দ্বাৰা তেওঁ নিজে নিজৰ সাৰ তত্ত্বক প্রস্তুত কৰে। সেয়ে Sartre য়ে কয় 'Man is nothing other than he makes of himself. সেয়ে, Sartre য়ে আন যিকোনো পদার্থ সামগ্রীৰ ওপৰতকৈ মানুহক বেছি মর্য্যাদা নিয়োগ কৰাৰ দ্বাৰা বস্তু নিষ্ঠতাৰ বিপক্ষে আত্মনিষ্ঠতাৰ ওপৰত জোৰ দিছে। ই মানুহৰ সক্রিয় অস্তিত্বৰ ওপৰত গুৰুত্ব দিয়ে, যাৰ সাৰ বা তত্ত্ব প্রদত্ত নহয়, বৰঞ্চ তেওঁৰ, আত্ম পৰিযোজনাৰ জৰিয়তে বাছনি কৰি লোৱা হয়। Sartre য়ে কয় 'বাস্তৱতে মানুহ এক প্রকল্প যাৰ এক আত্মনিষ্ঠ অস্তিত্ব আছে; কিন্তু শৈলুৰৈৰ এক তৰপ, এক বিয়োপি যোৱা ভেকুঁৰ নাইবা এক ফুলকবিৰ দৰে নহয়। আত্মাৰ সেই প্রক্ষেপনৰ পূৰ্বে একোৱে

অস্তিত্ব নাথাকে, আনকি দিব্য প্রজ্ঞা বা জ্ঞানৰো.....। "(Man is indeed a project that has a subjective existence rather unlike that of a patch of moss, a spreading fungus or a cauliflower. Prior to that projection of the self nothing exists, not even a divine inteligence.....)"



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ শুদ্ধ উত্তৰত ☑ চিন দিয়ক।

(ক) 'Being in itself ' চেতন/অচেতন

(খ) 'Being for itself' সক্রিয়/নিষ্ক্রিয়

(গ) মানৰ সত্যতাৰ সংজ্ঞা 'Being in itself'/'Being for itself'ৰ জৰিয়তে দিয়া হয়।

.....

.....

প্রশ্ন ৪ঃ তলৰ উক্তিসমূহ সত্য নে অসত্য উল্লেখ কৰক ।

(ক) Sartre এজন নাস্তিকবাদী দার্শনিক। (সত্য/অসত্য)

(খ) মানুহৰ এটা পূর্ব-কল্পিত প্রকৃতি আছে। (সত্য/অসত্য)

(গ) মানুহে নিজৰ সাহ সৃষ্টিৰ বাবে ঈশ্বৰৰ আশীর্বাদৰ ওপৰত বিশ্বাস কৰে। (সত্য/অসত্য)

প্রশ্ন ৫ঃ 'Existence Preceder Essence' বাক্যাংশৰ দ্বাৰা Sartre য়ে কি বুজাইছে?

.....

.....

১২.৭ সমালোচনামূলক মূল্যায়ণ

Sartre ৰ অস্তিত্ব আৰু সাৰৰ মতবাদ সম্পর্কে বিভিন্ন সমালোচনা থকা দেখা যায় । Sartre ৰ 'Existence Preceder Essence' উক্তিটোৰ বিপক্ষে সাধাৰণ প্রক্রিয়াটো হৈছে যে ই এক অত্যাধিক আত্মনিষ্ঠ ব্যাখ্যা। Sartre ক ব্যক্তিগত বিষয় আৰু মুক্ত পচন্দৰ ওপৰত তেওঁৰ একাগ্রতাৰ বাবে আত্মনিষ্ঠাৰ এজন আধিবৈজ্ঞানিক ৰূপে দাবী কৰিব পৰা যায়। তথাপি, Sartre ৰ 'অস্তিত্ব'ৰ বিষয়টোৰ এক পৰিষ্কাৰ বোধে আমাক এই কথা বিচাৰিবলৈ সহায় কৰে যে ব্যক্তিগত অস্তিত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ দ্বাৰা, Sartre যে কেতবোৰ বিশৃংখলতাক প্রদর্শন কৰা নাই। তাৰ ঠাইত, তেওঁৰ মতবাদে এই যান্ত্রিক জগতত মানৰ মর্য্যাদাক পুনর্জীৱিত কৰিবলৈ চেষ্টা কৰিছে, য'ত ব্যক্তিগত আত্মনিষ্ঠতা বিভিন্ন ধৰণৰ মনোভাৱৰ নীতিৰ দ্বাৰা শাসিত হয়। বাস্তৱিকতে, ইয়েই হৈছে Sartre ৰ অস্তিত্ববাদৰ প্রধান লক্ষ্য। সাৰৰ পূর্বে মানৰ অস্তিত্বৰ

প্রাথমিকতাক দাবী কৰাৰ দ্বাৰা Sartre য়ে গুৰুত্ব দিবলৈ চেষ্টা কৰিছে যে কাগজৰ চুৰীৰ দৰে অচেতন বস্তুবোৰৰ তুলনাত, মানুহৰ এক উচ্চ মর্য্যাদা আছে। মানুহ এক সক্রিয় সত্ত্বা, যিয়ে সকলো সময়তে তেওঁৰ মুক্তভাৱে বাছনি কৰি লোৱা কার্য্যকলাপৰ জৰিয়তে নিজা সাৰ বা তত্ত্বক সৃষ্টি আৰু পুণঃ সৃষ্টি কৰে। তেওঁ ভৱিষ্যতৰ প্রতি এক পৰিযোজনা।

আগলৈ, যিকোনো উচ্চাধিকাৰীৰ দ্বাৰা নির্দ্ধাৰিত এক বিশেষ দিশত বাছনি কৰিবলৈ মানুহৰ বাবে কোনো নির্দেশনামা নাথাকে। মানুহক তেওঁৰ নিজৰ ক্রিয়া বিধিক বাছনি কৰিবলৈ অন্তর্ভুক্ত কৰা হয়, যি এক সামগ্রিকতা ৰূপে মানৱ জাতিৰ অৱস্থা অনুসাৰেও হয়। যিহেতু মানুহৰ বাছনিৰ বাবে দোষি সাব্যস্ত কৰিবলৈ কোনো নাথাকে, সেয়ে মানুহেই হৈছে তেওঁৰ সমগ্র জীৱনৰ কার্যকলাপৰ মুখ্য দায়িত্বশীল সত্ত্বা। মানুহৰ প্রতিৰূপ সৃষ্টি কৰিবলৈ আৰু ধাৰণ কৰিবলৈ কোনো ঈশ্বৰ নাই। এইটো মানুহ নিজে, যিজন তেওঁৰ যোজনা বাছনি কৰাৰ দ্বাৰা এক আন্তৰ বিষয়ক মঞ্চত তেওঁৰ প্রতিৰূপ সৃষ্টি কৰিবলৈ দায়বদ্ধ। তথাপি, এনেধৰণৰ মুক্ত বাছনিসমূহ বিশৃংখল নহয়। এজন মানুহৰ বাছনিক সত্য বা বিশ্বাসযোগ্য বুলিব পাৰি কেৱল তেতিয়াহে, যেতিয়া ইয়াৰ বাবে দায়িত্বক স্বীকাৰ কৰি লোৱাৰ দ্বাৰা স্বতন্ত্রতাৰ সৈতে ইয়াক প্রস্তুত কৰা হয়। এক সমগ্রতা হিচাপে আত্মনিষ্ঠতা মানুহৰ মনত ৰাখি বাছনি কৰা হয়। Sartre য়ে এক আন্ত বিষয়ক সমাজৰ বিষয়ে কৈছে, য'ত এই কথা মনত ৰাখি বাছনি কৰিব লাগে যে যেতিয়া তেওঁ বাছনি কৰে, তেতিয়া তেওঁ এক সমগ্রতাৰ ৰূপত মানৱ জাতিৰ বাবে বাছনি কৰি আছে। যদি মানুহৰ সাৰ বা তত্ত্বক নিজতকৈ আন কোনো প্রাধিকাৰীৰ দ্বাৰা নির্দ্ধাৰিত নাইবা ইতিমধ্যে প্রদত্ত হিচাপে ধাৰণা কৰা হয়, তেন্তে যিকোনো অনিচ্ছাকৃত কার্যকলাপ বা পৰিনামৰ বাবে এজনৰ ভাগ্য নাইবা আন কোনো কাৰকক দোষাৰোপ কৰাটো সহজ হৈ পৰিব। কিন্তু Sartre য়ে এনে ধৰণৰ কোনো ক্ষেত্র এৰা নাই। তেওঁ মানুহক কেৱল তেওঁৰ আত্ম বাছক দায়বদ্ধতামূলক কার্যকলাপৰ মাজেৰেই বুজে, য'ত কোনো পলায়নতা নাই, আছে কেৱল কর্ম আৰু প্রতিবদ্ধতা গতিকে, 'Existence Preceder Essence' মতবাদৰ দ্বাৰা Sartre য়ে মানুহৰ এক সক্রিয় আৰু বদ্ধ দর্শনক আগবঢ়াইছে।



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি Sartre ৰ 'অস্তিত্ব আৰু সাৰৰ' ওপৰত থকা মতামতসমূহ আলোচনা কৰিলো। তলত উল্লেখ কৰা সংকেতবোৰৰ জৰিয়তে অধ্যায়টিৰ সমীক্ষা কৰোঁ আহঁক ঃ

- Sartre য়ে তেওঁৰ বিখ্যাত মতবাদ 'Existence Preceder Essence'ৰ জৰিয়তে অস্তিত্ব আৰু সাৰৰ ওপৰত তেওঁৰ মতামত আগবঢ়াইছে।
- ই দাবী কৰে যে মানুহ প্রথমে অস্তিত্বশীল, আৰু ইয়াৰ পাছত তেওঁ মুক্তভাৱে বাছনি কৰা কার্যকলাপবোৰৰ জৰিয়তে নিজৰ সাৰৰ সৃষ্টি কৰে।

- Sartre য়ে মানৰ প্ৰকৃতিৰ সৃষ্টিকৰ্তাৰ ৰূপত ঈশ্বৰৰ অস্তিত্বক অস্বীকাৰ কৰিছে, যিহেতু ঈশ্বৰ নিজে এক বিৰোধাত্মক ধাৰণা আৰু সেয়ে অস্বীকৃত।
- যিহেতু মানৰ সাৰক নিৰ্দ্ধাৰণ কৰিবলৈ কোনো ঈশ্বৰ নাই, সেয়ে মানুহে নিজে নিজৰ কৰ্মৰ বিষয়ক বাছনি কৰিব লাগে আৰু তেওঁৰ ভৱিষ্যতৰ গঢ় দিব লাগে। যিকোনো বস্তুৰ প্ৰতি তেওঁৰ আত্মনিষ্ঠতা পূৰ্বগামী। Sartre য়ে কয় যে 'আত্মনিষ্ঠতা আমাৰ প্ৰস্থানৰ বিন্দু হ'বই লাগে। (Subjectivity must be our point of departure)
- Being in itself আৰু Being for itself বাক্যাংশ্য দুটাৰ পাৰ্থক্যৰ জৰিয়তে বিষয় (Sub-ect) আৰু বস্তু (Object) ৰ মাজৰ পাৰ্থক্যক আলোচনা কৰা হৈছে। Being for itself সক্রিয়, সচেতন আৰু মুক্ত আৰু সাৰহীন, যি মানুহৰ সংজ্ঞাৰ বাবে স্থিত। আনহাতে, Being in itself অচেতন, নিষ্ক্রিয় আৰু দৃঢ়, যিয়ে অৰ্থপূৰ্ণ হ'বলৈ মানুহৰ হস্তক্ষেপৰ প্ৰয়োজন আছে।
- Sartre য়ে আন যিকোনো পদাৰ্থতকৈ মানুহৰ ওপৰত অধিক মৰ্যাদা আৰোপ কৰিছে। ই মানুহৰ সক্রিয় অস্তিত্বৰ ওপৰত জোৰ দিছে, যাৰ সাৰ প্ৰদত্ত নহয়, বৰঞ্চ তেওঁৰ স্বয়ংক্রিয় যোজনাৰ জৰিয়তে নিৰ্বাচিত।
- 'Existence Preceder Essence' মতবাদে মানুহৰ এক সক্রিয় আৰু বদ্ধ দৰ্শনক উপস্থিত কৰাইছে।



১২.৯ অধিক জানিবলৈ

1) Cox, G. (2006), Sartre . A Guide for the Perplexed New York: Continum.
2) Sartre, J. P. (2007). Existenlialism is a Humanism. (C. Macomber, Trans.) London : York University Press.
3) Sartre, J. P. (1992). Being and Nothingness. An Essay on Phenomenological ontology. New York : Washington Square Press.



১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ ফ্রান্স।

২ নং প্ৰশ্নৰ উত্তৰ ঃ আস্তিক আৰু নাস্তিক অস্তিত্ববাদ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অচেতন (খ) সক্রিয় (গ) Being for itself

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সত্য

(খ) অসত্য

(গ) অসত্য

৫ নং প্রশ্নৰ উত্তৰ ঃ 'Existence Preceder Essence' বাক্যাংশ্যৰ দ্বাৰা Sartre য়ে প্রস্তাৱ কৰে যে মানুহৰ সাৰৰ ৰূপ দিবলৈ আৰু তাক নির্দ্ধাৰণ কৰিবলৈ ঈশ্বৰৰ দৰে কোনো অতিৰিক্ত সত্বা নাই। যিদৰে এটা বস্তুৰ স্বৰূপক ব্যাখ্যা কৰা যায়, ঠিক সেইদৰে মানুহৰ স্বৰূপক ব্যাখ্যা কৰাটো সম্ভৱ নহয়। মানুহ এক সাৰহীন সত্বা হিচাপে জগতত অস্তিত্বশীল হয়, তাৰ পাছতহে তেওঁৰ পচন্দ অনুযায়ী প্রদর্শন কৰণ কার্যকলাপৰ জৰিয়তে তেওঁ নিজৰ সাৰ সৃষ্টি কৰে। Sartre ৰ ভাষাত, 'by existence procedes essence' We mean that man first exist; he materializes in the world, encounters himself and only afterwards define himself". তেওঁৰ ভাগ্য নিয়ন্ত্রণ কৰিবলৈ কোনো ঈশ্বৰ নাই, মানৱ প্রমূল্যক প্রভাৱান্বিত কৰিবলৈ কোনো নীতি নাই ।



১২.১১ আৰ্হি প্রশ্ন

(ক) অতি চমু প্রশ্ন

প্রশ্ন ১ ঃ কোনখন গ্রন্থত Sartre য়ে মানৱ অস্তিত্ব আৰু সাৰৰ ধাৰণাটো বিস্তৃতভাৱে আলোচনা কৰিছে?

প্রশ্ন ২ ঃ Sartre ৰ অস্তিত্ববাদৰ বাবে প্রস্থানৰ বিন্দু হিচাপে কি ধাৰণা কৰা হৈছে?

প্রশ্ন ৩ ঃ কোনে প্রথমবাৰৰ বাবে 'Existence Preceder Essence' বাক্যাংশ্য প্রতিপাদিত কৰিছিল ?

(খ) চমু প্রশ্ন (প্রায় ১৫০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ মানৱ সাৰৰ গঠনৰ ক্ষেত্রত পচন্দৰ ভূমিকা কি?

প্রশ্ন ২ ঃ 'Being for itself'ৰ কেনেকৈ 'Being in itself'ৰ পৰা পৃথক? চমুকৈ আলোচনা কৰক?

প্রশ্ন ৩ ঃ আমি যিদৰে নির্মিত বস্তুবোৰৰ স্বৰূপক ব্যাখ্যা কৰোঁ, ঠিক তেনেদৰে আমি মানুহৰ স্বৰূপক ব্যাখ্যা কৰিব নোৱাৰো। আলোচনা কৰক।

(গ) দীঘল প্রশ্ন (প্রায় ৩০০-৫০০ শব্দৰ ভিতৰত প্রতিটো প্রশ্নৰ উত্তৰ দিয়ক)

প্রশ্ন ১ ঃ Sartre য়ে কিদৰে বস্তুনিষ্ঠতাতকৈ আত্মনিষ্ঠতাৰ ওপৰত অগ্রাধিকাৰ প্রদান কৰিছে? আলোচনা কৰক।

প্রশ্ন ২ ঃ Sartreৰ মতবাদ 'Existence Preceder Essence'ৰ ওপৰত এটি সমালোচনাত্মক টোকা লিখক।

*** ***** ***

অধ্যায় ১৩ ঃ ছার্টে ঃ স্বতন্ত্রতা

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ স্বতন্ত্রতা
১৩.৪ শূন্যতা নাইবা স্বতন্ত্রতা ৰূপে চেতনা
১৩.৫ পুনঃ পৰিভাষিত মানৱ সত্ত্বা
১৩.৬ স্বতন্ত্রতাৰ এক সমালোচনাত্মক মূল্যায়ণ
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবলৈ
১৩.৯ অগ্রগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- স্বতন্ত্রতাৰ সংজ্ঞা নিৰুপণ কৰিবলৈ সক্ষম হ'ব
- চেতনা, শূণ্যতাক আৰু স্বতন্ত্রতাৰ মাজত থকা সম্পর্ক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- স্বতন্ত্রতাই কিদৰে মানুহক পুনঃ পৰিভাষিত কৰে, তাক ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- বিশ্বাসযোগ্য আৰু অবিশ্বাসযোগ্য নির্বাচনৰ মাজত পার্থক্য নির্ণয় কৰিবলৈ সক্ষম হ'ব
- সমালোচনমূলকভাৱে ছার্টেৰ স্বতন্ত্রতাৰ বিষয়টোক আলোচনা কৰিবলৈ পাৰিব।

১৩.২ পৰিচয়

এই অধ্যায়টিত আমি জ্যাঁ পল ছার্টেৰ স্বতন্ত্রতাৰ ধাৰণাক তাৰ অভপর্য্য আৰু বিভিন্ন নিহিতার্থৰ সৈতে আলোচনা কৰিম। স্বতন্ত্রতাৰ ধাৰণাটোক ছার্টেৰ দর্শনৰ কেন্দ্রীয় প্রসঙ্গ বিষয় হিচাপে গ্রহণ কৰিব পাৰি, যাৰ চাৰিওফালে তেওঁৰ সমগ্র দার্শনিক যুক্তি প্রদর্শনে অগ্রগমণ কৰে। এক মুক্ত বিষয় হিচাপে মানুহৰ অনন্যতাক প্রকাশ কৰাটোৱেই ছার্টেৰ আদর্শনীতি বচন, যাৰ পৰা সকলোৱে অর্থ লাভ কৰে। ছার্টেয়ে উপলব্ধি কৰে যে, মানুহৰ মর্য্যদাৰ উন্নয়ন সাধন কৰিবলৈ মানুহক কেৱল এক বুদ্ধিবৃত্তিসম্পন্ন জীৱ হিচাপে সংজ্ঞা দিলেই যথেষ্ট নহয়। তেওঁৰ মতে মানুহৰ গঠনত বুদ্ধি বৃত্তি আৰু প্রাণীবৃত্তি উপৰিও বহুত বেছি অন্তর্ভুক্ত হৈ থাকে। মানুহৰ সুপ্রতিষ্ঠিত সংজ্ঞাবোৰৰ বিপক্ষে তেওঁ তেওঁৰ দার্শনিক যুক্তিবোৰ উপস্থাপন কৰিছে, যিয়ে মানুহক হয় ভাষা ব্যৱহাৰকাৰী, চিহ্ন ব্যৱহাৰকাৰী, নাইবা সজুঁলি ব্যৱহাৰকাৰী হিচাপে গণ্য কৰে। আগলৈ তেওঁ

মানুহক ঈশ্বৰৰ কল্পনাত সৃষ্টি হোৱা এজন সত্তা হিচাপে নুই কৰিছে।

আমি ইতিমধ্যে অধ্যয়ন কৰিছো যে ছার্টেয়ে মানুহক এজন সত্ত্বা ৰূপে বর্ণনা কৰিছে, যি প্ৰথমে অস্তিত্বশীল আৰু তাৰ পাছতহে তেওঁৰ স্ব-নির্বাচিত যোজনাৰ জৰিয়তে নিজে নিজৰ সাৰ বা তত্বক সৃষ্টি কৰে। মানুহৰ সংজ্ঞা নিৰূপনৰ সময়ত ছার্টেয়ে পোষণ কৰে যে মানুহৰ অস্তিত্ব সাৰৰ পূর্বগামী "Existence Precedes essence"; স্বতন্ত্রতাৰ ওপৰত জোৰ দিয়া তেওঁ আগলৈ দাবী কৰে যে, ইয়াৰ বিপৰীতে ই হৈছে মানুহৰ স্বতন্ত্রতা, যিয়ে সাৰ বা তত্বৰ পূর্ববর্ত্তী। ছার্টেয়ে নিয়তিবাদৰ বিভিন্ন প্ৰকাৰৰ মতবাদৰ বিপক্ষে তেওঁৰ স্বাতন্ত্রতাৰ মতবাদটোক উন্নত কৰিছে, যিয়ে সকলো ঘটনা অনিবার্য্যভাৱে আৰু অৱশ্যাম্ভীভাৱে ঘটিব পাৰে বুলি দাবী কৰে। পৰম্পৰাগত বাদ বিবাদত মুক্ত ইচ্ছা বা স্বাধীন ইচ্ছাৰ ধাৰণাই কোনো অভপর্য্যমূলক গুৰুত্ব পোৱা নাছিল। গুৰুত্ব পাইছিল কেৱল এই সত্যতাই যে এক ৰহস্যময় ক্ষমতা ৰূপে ই মানুহৰ মাজত নিবাস কৰে। ছার্টেয়ে মানুহৰ উদ্দেশ্যপূর্ণ যত্নৰ, তেওঁৰ দায়ৱদ্ধতা, প্ৰতিশ্রুতি আৰু নৈতিকতাৰ প্ৰতি এক প্ৰকৃত ভীতি বা হুমকাৰ হিচাপে ইয়াক উপলব্ধি কৰিছে। তেওঁৰ প্ৰপঞ্চবাদমূলক বিশ্লেষণৰ জৰিয়তে তেওঁ ইয়াক ৰহস্যময় নিবাসৰ পৰা বোধ বা জ্ঞানৰ অভিজ্ঞতামূলক স্তৰলৈ লৈ আনিছে আৰু মানৱ সত্তাৰ স্বকীয় আৰু অনিবার্য্যৰ অৱস্থা ৰূপে স্বতন্ত্র ইচ্ছাক প্ৰতিষ্ঠা কৰিছে। মানুহৰ অপ্ৰতিহত স্বতন্ত্রতাক উপলব্ধি কৰিব পৰা যায় স্ব-নিমিত্ত অস্তিত্ব (being for itself) ৰূপে চেতনাৰ নিতান্ত গঠন প্ৰণালীত। স্ব-নির্মিত অস্তিত্বৰ জৰিয়তে ছার্টেয়ে স্বতন্ত্র আৰু সক্রিয় মানুহৰ এক অদ্বিতীয় ধাৰণা আগবঢ়াইছে, যিজনে অনিবার্য্যভাৱে সংঘটিত হোৱা ঘটনাবোৰক অনুসৰণ নকৰে, বৰঞ্চ পৰিস্থিতিতহে তেওঁ তেওঁৰ কর্মৰ বিষয়েবোৰ নির্বাচন কৰে।

১৩.৩ স্বতন্ত্রতা আৰু নিয়তিবাদ

ছার্টেয়ে যেতিয়া স্বতন্ত্রতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল, তেতিয়া তেওঁস্বতন্ত্র ইচ্ছা আৰু নিয়তিবাদৰ মাজত তাৎপর্য্য মূলকভাৱে সঙ্গতিক বাহাল ৰাখিছিল। তথাপিও, এনেধৰণৰ সঙ্গঁতিৰ বিষয়ে কোৱা আন বহুতো দার্শনিক আছিল। কিন্তু, যেতিয়া মানুহৰ উদ্দেশ্যমূলক যত্নক সহজতৰ কৰিবলৈ তেওঁৰ ক্ষমতাতা স্বতন্ত্র ইচ্ছাক লৈ অনাৰ অভিপ্রায় আহি পৰে, তেতিয়া এইবোৰ যুক্তিয়ে তাৰবাবে পর্যাপ্ত ভিত্তিৰ যোগান ধৰিবলৈ ব্যর্থ হৈ পৰে। উদাৰণ স্বৰূপেঃ ডেকার্টে পোষণ কৰে যে স্বতন্ত্র ইচ্ছা আৰু নিয়তিবাদ সঙ্গতিপূর্ণ হ'বই লাগিব, কিন্তু ইয়াৰ সম্বন্ধ মানুহৰ দ্বাৰা বোধগম্য নহয়, যিহেতু তেওঁৰ মতে এনেধৰণৰ ক্রম ঈশ্বৰে বজাই ৰাখে। লাইব্‌নিজে ডেকার্টক সমালোচনা কৰিছে আৰু কৈছে যে ডেকার্টে এইবোৰ গাঁথিব পাক খুলিব পৰা নাই..... বৰঞ্চ সিহঁতক তৰোৱালেৰে কাটি পেলোৱাতহে প্ৰাধান্যতাক দিছে। তথাপি, এই একেই সমস্যা লাইবনিজৰ ক্ষেত্রটো থকা দেখা যায়, যিহেতু স্বতন্ত্র ইচ্ছা আৰু নিয়তিবাদৰ সঙ্গতিক দেখুওৱাৰ বাবে তেওঁ আগবঢ়োৱা পৰামর্শবোৰো পৰমসত্তাৰ নিয়ন্ত্রণৰ অধীন। সেয়ে, ঈশ্বৰৰ সর্বজ্ঞানৰ

পৰিধিৰ মাজত প্ৰায়ে আলোচিত স্বতন্ত্ৰ ইচ্ছাৰ ধাৰণাটো এক সমস্যাজনিত বিষয় হিচাপেই থাকি যায়। যদি স্বতন্ত্ৰতাক ঈশ্বৰৰ নিয়ন্ত্ৰণৰ মাজত এক ক্ষমতা হিচাপে ধৰা হয়, তেতিয়া মানৰ স্বতন্ত্ৰ ইচ্ছা প্ৰকৃত তাৎপৰ্য্যৰ পৰা বঞ্চিত হয়। যদিও স্বতন্ত্ৰতা নিয়তিবাদৰ সৈতে আহে, তথাপিপৰমসত্তা নাইবা ঈশ্বৰৰ পৰা অহা দৃঢ় সংকল্প মানুহৰ স্বতন্ত্ৰতাৰ ওপৰত অধিক শক্তিশালী হিচাপে পৰিণত হয়। সেয়েহে, শূন্যতা হিচাপে চেতনাৰ গঠনৰ জৰিয়তে প্ৰচাৰিতছার্টেৰ অস্তিত্বমূলক প্ৰপঞ্চবাদ বা সংবৃত্তিবাদ (Existential Phenomenology)ত নিয়তিবাদৰ সম্বন্ধত স্বতন্ত্ৰতাৰ এক মানৰ তত্ত্ববিদ্যা (ontology) পাবলৈ এক প্ৰয়াস কৰা হৈছে।

১৩.৪ শূন্যতা বা স্বতন্ত্ৰতা ৰূপে চেতনা

আমি ইতিমধ্যে পাইছো যে ছার্টেই এক সম্পূৰ্ণ নিৰীশ্বৰবাদী দৰ্শনক সমৰ্থন কৰিছে আৰু মুক্ত মানুহৰ ওপৰত সকলো বস্তুকে স্থাপন কৰিছে, যিজন যিকোনো পৰমসত্তা নাইবা ঈশ্বৰৰ নিয়ন্ত্ৰণৰপৰা মুক্ত। আগলৈ আমি দেখো যে পৰমসত্তা (being) আৰু শূন্যতা (nothingness)অত সত্তাৰ দুটা প্ৰকাৰৰ কথা কৈছে আৰু মানৰ চেতনাৰ সংজ্ঞা এইদুটা প্ৰকাৰৰ বিপৰীত প্ৰকৃতিৰ জৰিয়তে আগবঢ়াইছে। সত্তাৰ এই দুটা প্ৰকাৰৰ জৰিয়তে ছাটেয়ে চেতন বিষয় আৰু অচেতন বস্তুৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিছে। বিষয়ৰ সত্তাটোক স্ব-নিমিত্ত-অস্তিত্ব (being for itself, pour- soi) বোলা হয় আৰু বস্তুৰ সত্তাক স্বৰূপ অস্তিত্ব (being in itself, en-soi) বোলা হয়। স্বৰূপ সত্তা অটুট বা কঠিন, নিষ্ক্ৰিয়, অপৃথকীকৃত উপাদান, যিয়ে নিজকে এটা অৰ্থ প্ৰদান কৰিব নোৱাৰে, কিয়নো ই নিজৰ নাইবা আন কোনো বস্তুৰ ওপৰত ক্ৰিয়া কৰিবলৈ সচেতন নহয়। সেয়ে, ছাটেয়ে ইয়াক 'যেনে আছে তেনে ভাৱে' হিচাপে সংজ্ঞা দিছে। আনহাতে, স্ব-নিমিত্ত অস্তিত্ব (being for itself) হৈছে চেতনা। ইয়াৰ কোনো স্থিৰ আন্তৰ সত্ত্বা (essence) নাই। ই সকলো সময়তে সক্ৰিয় আৰু স্বৰূপ অস্তিত্বৰ অপৃথকীকৃত উপাদানৰ পৰা অৰ্থপূৰ্ণ প্ৰাণবন্ত জগতৰ সৃষ্টি কৰিব পাৰে। স্বৰূপ অস্তিত্ব আৰু স্ব-নিমিত্ত অস্তিত্বৰ মাজত সম্পৰ্ক দেখুৱাবলৈ ছার্টেই Husserline ৰ চেতনাৰ অভিপ্ৰায়সূচক ধাৰণাটো লৈ আহিছে। অভিপ্ৰায়সূচক ধাৰণাই চেতনাৰ বস্তুৰ নিদৃষ্টতাক নিৰ্দ্দেশ কৰে। চেতনাৰ নিজৰ মাজত একো নাই । ইয়াৰ বিপৰীতে, ই সদায় বাহ্যিক জগতৰ প্ৰতি নিজকে নিৰ্দ্দেশ কৰে। এনেধৰণৰ নিৰ্দিষ্টকৰণৰ বাবেই আমি ক'ব পাৰো যে আমি এইটো নাইবা সিটোৰ প্ৰতি সচেতন। চেতনা হৈছে সামগ্ৰিক শূণ্যতা, যি সদায় বস্তুবোৰ প্ৰতি ইচ্ছুক হয়। স্বভাৱত অভিপ্ৰায়ী হোৱাৰ হেতু ই নিজকে সম্পূৰ্ণৰূপে বাহিৰলৈ প্ৰবাহিত কৰে; ই কেতিয়াও আত্মনিহিত হৈ নাথাকে। সকলো ইন্দ্ৰিয়জ, মানসিক —শাৰীৰিক, আৰু আত্মিক বস্তুসমূহ, সকলো সত্যতা, আৰু প্ৰমূল্য হৈছে বাহিৰৰ চেতনা বা বাহ্যিক চেতনা। অভিপ্ৰায়ী হোৱাৰ বাবে চেতনা নিজতে শূন্য। সেয়ে, স্বৰূপ অস্তিত্ব (being for itself) ক যিদৰে 'ই যি নহয়'- হিচাপে সংজ্ঞা দিয়া হয়, স্ব-নিমিত্ত অস্তিত্ব (being for itself)ৰ সংজ্ঞা 'ই কি নহয়'- ৰূপে দিয়া হৈছে। (being for itself) বুলি কৈ ছার্টেই চেতনাৰ সৈতে মানৰ সত্তাক

অনুৰূপ হিচাপে দেখুওৱাইছে। (for-itself) সদায় (in-itself) নোহোৱাৰ ক্ষেত্রত সচেতন যি বিষয়ৰে পূর্ণ, স্থিৰ, অ-সচেতন, নিষ্ক্রিয় আৰু অ-মুক্ত। অধিক সঠিকভাৱে ইয়াক শৰীৰী চেতনা নাইবা সক্রিয় শৰীৰ ৰূপে ব্যাখ্যা কৰা হৈছে। (being- for-itself) আন্তসত্ত্বা নাইবা চেতনা হৈছে যি দিয়া হয়, তাক অস্বীকাৰ কৰা।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ছার্টেয়ে কাক স্বতন্ত্রতাৰ বৈশিষ্টসমূহ আৰোপ কৰিছে?

.....

.....

প্রশ্ন নং ২ ঃ সত্তাৰ দুটা ৰূপ কি কি?

.....

.....

স্ব-নিমিত্ত-অস্তিত্ব (being- for - itself) ৰ তাত্বিক ভিত্তি হৈছে নিজৰ মাজতে উপস্থিত থকা। প্রত্যেক মুহূর্ত্তত ই অস্বীকাৰ কৰে আৰু ইয়াৰ অভিন্নতা বা পৰিচয়ক আৱিষ্কাৰ কৰে। ই সামগ্রিকভাৱে নিজে নিজৰ নহয়। ই ইয়াকে বুজায় যে চেতনাৰ সত্বাই কেতিয়াও এক পুর্ণ সমতাত নিজৰ সৈতে মিলিত নহয়। ই হৈছে এক অভাৱ, যিয়ে সদায় তাৰ সম্ভাৱনাক পৰিপূর্ণ কৰিবলৈ অতিক্রম কৰে। এই 'অভাৱ'- য়ে 'স্ব-নিমিত্ত অস্তিত্ব'ত শূন্যতাৰ বৈশিষ্ট্যসমূহক নির্দ্দেশ কৰে। সেয়েহে, তাত্বিক ভাৱে ব্যাখ্যা কৰা ছার্টেৰ প্রপাঞ্চমূলক বা সংকৃতিমূলক তত্ব বিজ্ঞানে চেতনাৰ সত্তাত নাইবা স্ব- নিমিও অস্তিত্বত শূণ্যতা (nolhingness) ৰূপে, স্বৰূপ-অস্তিত্বৰ অস্তিত্বহীনতা ৰূপে আৰু আগলৈ মানৱ সত্তাৰ গঠনৰ লগত একেলগে স্বতন্ত্রতাৰ ধাৰণাত 'শূণ্যতা' ক লৈ আনিছে। ছার্টেৰ মতে, 'স্ব-নিমিত্ত' (for itself) শূণ্যতা হোৱাৰ বাবে আৰু প্রদত্ত আন্তসত্তা নথকাৰ বাবে ইয়াৰ নিজস্ব আন্তৰসত্তাক সৃষ্টি কৰিবলৈ মুক্ত বা স্বাধীন।

১৩.৫ পুনঃ পৰিভাষিত মানৱসত্তা

স্বতন্ত্র ইচ্ছাক কেৱল চেতনাৰ এক অৱস্থা ৰূপে সংজ্ঞা দিবলৈ অগ্রাধিকাৰ দিয়া নাছিল। ইয়াৰ বিপৰীতে তেওঁৰ মতে, যদিহে ই মুক্ত, তেন্তে অস্তিত্বহীনতাৰ শক্তিৰ সৈতে অনিবার্য্যভাৱে নঞার্থক। ছার্টেৰ চেতনা আৰু স্বতন্ত্রতাৰ ব্যাখ্যাত নিষেধ আৰু কল্পনায়ে প্রধান ভূমিকা লৈ আছে। নিষেধ আৰু কল্পনাৰ সংগঠনৰ সৈতে স্বতন্ত্রতাই স্ব-নিমিত্ত অস্তিত্ব, সক্রিয় আৰু প্রলিপ্ত চেতনা হিচাপে মানুহৰ এক নতুন ধাৰণা আগবঢ়াইছে। অনিবার্য্যভাৱে স্বাধীন, আনকি ঈশ্বৰৰ নিয়ন্ত্রণৰ পৰাও মুক্ত মানুহে তেওঁৰ পৰিচয়মূলক সৃষ্টিৰ দায়িত্ব বহন কৰিব লগীয়া হয়। মানুহে তেওঁৰ পৰিচয় গঠন কৰিবলৈ ভৱিষ্যতৰ ঘটনাসমূহৰ বাবে অলসভাৱে বাট নাচায়, কাৰণ তেওঁৰ ভবিষ্যতক নির্দ্ধাৰণ কৰিবলৈ কোনো নাথাকে। মানুহে হাতত লোৱা পৰিকল্পনাবোৰৰ জৰিয়তে

সময়ে অর্থ লাভ কৰে। এইটো এনে নহয় যে মুক্ত বা স্বাধীন হোৱাৰ উদ্দেশ্যে মানুহ প্রথমে অস্তিত্বশীল আৰু এক পৰৱর্তী মহুর্ত্তত স্বাধীন হৈ পৰিব। ইয়াৰ বিপৰীতে তেওঁ জোৰ দিয়ে যে মানুহ স্বাধীন বা স্বতন্ত্রভাৱেই অস্তিত্বশীল। সেয়ে, মানুহৰ গুণ হিচাপে স্বতন্ত্রতাক সংজ্ঞা দিয়াতকৈ ছার্টেয়ে মানুহৰ সংজ্ঞা স্বতন্ত্রতা ৰূপে আগবঢ়াইছে। তেওঁ যুক্তি দেখুওৱাইছে যে, ('My fredom is not a quality added on a property of my nature, It is very exactly the stuff of my being.....')

মানৱ চেতনাৰ গঠন এনেধৰণৰ হয় যে ই সদায় উর্দ্ধলৈ গতি কৰে বা অতিক্রম কৰে। পৰিস্থিতিৰ দ্বাৰা সৃষ্ট বাধাসমূহক বশ কৰাৰ দ্বাৰা মানুহক বুজা যায় ছার্টেয়ে বিপৰীত পৰিস্থিতিবোৰক তথ্যাত্মকতা (facticity) ৰূপে নামাকৰণ কৰিছে। পৰম সত্তা (being) আৰু শূণ্যতা (nothingness) ত তথ্যত্মকতাক তেওঁ (Coefficient of adversity of things) হিচাপে সংজ্ঞা নিৰূপণ কৰিছে। তথ্যাত্মকতাই মানুহৰ প্রতি সকলো প্রকাৰৰ বাধাক পৰিস্থিতিমূলক জটিলতা আৰু অসুবিধাৰ ৰূপত উপস্থাপন কৰে। কিন্তু চেতনাৰ গঠন প্রণালী এনেধৰণৰ হয়, যাতে মানুহে তথ্যাত্মকতাত লাগি ধৰিব নোৱাৰে। তাৰ বিপৰীতে, এই সকলোবোৰে তেওঁৰ স্বতন্ত্রতাৰ অনুশীলনৰ বাবে ভেঁটি নির্মাণ কৰে, সাৰ উর্দ্ধলৈ গৈ তেওঁ তেওঁৰ নির্বাচিত পথত নিজৰ সংজ্ঞা নিৰূপণ কৰে। মানুহৰ ক্রিয়াবোৰ সদায় তথ্যাত্মকতাক অতিক্রম কৰাৰ এক প্রয়াস। সকলো সময়তে তেওঁ তেওঁৰ পছন্দ বা নির্বাচনৰ স্বতন্ত্রতাৰ অনুশীলন কৰিব লগা হয়। যদি এটা সম্ভাৱনীয়তা অৱৰুদ্ধ হৈ পৰে, তেওঁ আন এটাক সৃষ্টি কৰিবলৈ প্রয়াস কৰিব লাগে আৰু এনেদৰেই তেওঁৰ আন্তৰ সত্তাক সংজ্ঞা দিয়া আৰু পুনঃ সংজ্ঞা দিয়া কামটো চলি থাকে। স্বতন্ত্রতাৰ এই অনুশীলন হৈছে এক অপৰিৱর্তিত বা স্থিৰ প্রচেষ্টা, যাক মানুহে প্রতিষেধ কৰিব নোৱাৰে যদিহে তেওঁ এজন বিশ্বাসযোগ্য সত্তা হিচাপে থিয় দিব বিচাৰে।



জানি থোৱা ভাল

ছার্টৰ দর্শনক দুটা পর্যায়ত আলোচনা কৰিব পৰা যায়- পূর্ব আৰু পশ্চাৎ। পূর্বৰ পর্যায়ত ছার্টেয়ে ব্যক্তিৰ পৰম স্বতন্ত্রতাক পৰিস্থিতিমূলক বাধাৰ অবিহনেই আলোচনা কৰিছে। কিন্তু তেওঁৰ পিছৰ লিখনিসমূহত পৰিস্থিতিমূলক জটিলতাবোৰ আনিছে আৰু স্বতন্ত্রতাক সামাজিক ৰাজনৈতিক পৰিবেশৰ মাজত আলোচনা কৰিছে আৰু ইয়াৰ সীমাবদ্ধতাক স্বীকাৰ কৰিছে। অৱশ্যে, ধাৰণাটো অব্যাহত হৈয়ে ৰয়।

মানুহে তেওঁৰ ভাগ্যক নিয়ন্ত্রণ কৰিবলৈ নাইবা তেওঁৰ মূল্যবোধৰ সিধান্তক পথ-প্রদর্শন কৰিবলৈ যিকোনো নীতিৰ বাবে ঈশ্বৰৰ বাবে আপেক্ষা কৰিব নোৱাৰে। ঈশ্বৰৰ ধাৰণাৰ প্রতি উদাসীনতাত সম্বন্ধযুক্ত হৈ এইটো বাহাল ৰখা হয় যে যিকোনো মানৱ ক্রিয়াকলাপৰ বাবে অৱধাৰণৰ ভিত্তি ৰূপে পৰিচর্যা কৰা কোনো অভিজ্ঞতাপূর্ব প্রমূল্য নাথাকো ছার্টেয়ে ঈশ্বৰৰ

অস্তিত্বৰ সম্ভাৱনীয়তা নাইবা কোনো উচ্চতৰ কর্তৃত্ব বা নীতিৰ বিপক্ষে তেওঁৰ নৈতিক যুক্তিসমূহ গঠন কৰিছে। মানুহৰ মৌলিক নৈতিক বিচাৰ বা অৱধাৰণ প্ৰতিষ্ঠাৰ মাজত যিহেতু ঈশ্বৰৰ কোনো ভূমিকা নাথাকে, সেয়ে, প্ৰমূল্যসমূহ অৱশেষত মুক্ত বা স্বতন্ত্ৰ ব্যক্তিগত নিৰ্বাচনৰ ওপৰত নিৰ্ভৰশীল। মানুহৰ সৈতে থকাএকমাত্ৰ নতিহৈছে কৰ্ম কৰা, সৃষ্টি কৰা আৰু মানুহৰ পৰিচয়ক বাহাল ৰখা। ছার্টেই মানি চলে "মানুহ তেওঁৰ নিজা পৰিকল্পনাৰ বাহিৰে আন একো নহয়..... তেওঁ তেওঁৰসমূহ কামবোৰতকৈ অধিক একো নহয়...."। পৰম ব্যক্তিগত স্বতন্ত্ৰতা, সত্তা আৰু শূণ্যতাৰ ওপৰত জোৰ দি তেওঁ পোষম কৰে যে স্বতন্ত্ৰতাৰ নিজৰ বাহিৰে মানৱ স্বতন্ত্ৰতাৰ কোনো সীমাৱদ্ধতা নাথাকে। গ্ৰহণ কৰা আৰু স্বীকাৰ কৰাৰ বাহিৰে তেওঁৰ বাবে কোনো তৈয়াৰী নাথাকে। নিতান্তই মানুহ হৈছে স্বতন্ত্ৰতা। মানুহ কেতিয়াবা দাস আৰু কেতিয়াবাৰ মুক্ত হ'ব নোৱাৰে, তেওঁ সামগ্ৰিকভাৱে সদায়ৰ কাৰণে মুক্ত বা স্বতন্ত্ৰ নাইবা তেওঁ মুঠতে মুক্ত নহয়। তেওঁ এক পৰিৱেশত পৰিত্যক্ত হৈ থাকে। য'ৰ পৰা তেওঁ নিজকে নিৰ্বাচন কৰি উঠি আহিব লাগে। কিয়নো '.....for human reality to be is to choose oneself '.

ছৰ্টেয়ে উল্লেখ কৰিছে "মানুহ স্বতন্ত্ৰ হোৱাটো তেওঁৰ দণ্ড" কাৰণ, আত্মা-চালনা, যাক কোৱা হয় 'বেয়া বিশ্বাস' (bad faith), তাৰ বাদে দায়বদ্ধতাৰ পৰা পলাই যোৱাৰ কোনো পথ নাই। নিৰ্বাচনৰ অবিহনে স্বতন্ত্ৰতাৰ অনুশীলনৰ নোহোৱাকৈ মানুহৰ কোনো অর্থ নাথাকে। তেওঁ নিৰ্বচনৰ পৰাও হাত সাৰিব নোৱাৰে। কিয়নো, নিৰ্বাচন নকৰাটোৱেও আনকি নিৰ্বাচনকে বুজায়। এয়া হৈছে কেৱল মানুহ, যি গঠনৰ ফালৰ পৰা এই বস্তুগত জগতৰ পৰা পৃথক। যদিও, এটা পার্থিব বস্তু হোৱা স্বত্তেও তেওঁ জগতত এক, চেতনা হোৱাৰ হেতু তেওঁ সদায় প্ৰশ্ন কৰিব পাৰে আৰু ইয়াৰ উৰ্দ্ধলৈ গতি কৰিব পাৰে।তেওঁৰ স্বতন্ত্ৰতাৰ বাহিৰে মানুহক সংজ্ঞা দিবলৈ আন কোনো পথ নাই। প্ৰত্যেক দিনাই নিজকে আৱিষ্কাৰ কৰিবলৈ মানুহ বাধ্য। ছার্টেয়ে দাবী কৰে যে, আমাৰ কার্যকলাপৰ জৰিয়তে আমাৰ জীৱনৰ কালছোৱাৰ মাজত আমি আমাৰ ধাৰণাৰ সৃষ্টি কৰিব পাৰো। জীৱনটোৰ এবাৰ পৰিসমাপ্তি ঘটিলে এই ধাৰণাক পৰিৱর্তন নাইবা উন্নীত কৰাৰ কোনো সম্ভাৱনা নাথাকে।

ছার্টেয়ে অস্তিত্বৰ দুটা স্তৰৰ বিষয়ে কৈছে- অবিশ্বাসনীয় আৰু বিশ্বসনীয়। মানৱ জীৱন অবিশ্বাসনীয় হয়, যদিহে আমাৰ স্বতন্ত্ৰতা নাইবা কেতবোৰ বিকল্প দিশত পৰিৱেশ দিয়াৰ ক্ষমতাৰ বিষয়ে আমি পাহৰি থাকো। ইয়াক কোৱা হয় 'বেয়া বা অসৎ বিশ্বাস'। সৱল বোধগম্যতাত ইয়াক এক প্ৰকাৰৰ স্ব ব্যাকুলতা বুলি ক'ব পাৰি। যেতিয়া এজন মানুহে তথ্যাত্মকতা নাইবা প্ৰদত্ত পৰিস্থিতি অতিক্ৰম কৰিবলৈ অস্বীকাৰ কৰে, সি হয় এক মনোভাৱ আৰু সেয়ে, বস্তুৰূপে নিজকে নিৰ্বাচন কৰি স্বতন্ত্ৰতাবিহীন হৈয়ে ৰয়। ই এক মর্য্যদা, যেতিয়া মানুহে নিৰ্বাচন নকৰাক নিৰ্বাচন কৰাৰ দ্বাৰা তেওঁলোকৰ ক্ৰিয়াসমূহৰ বাবে দায়িত্ব বহন কৰিবলৈ দূৰত থাকে। তথাপিও, পৃথকভাৱে আলোচনা কৰিবলৈ ইয়াৰ বৃহত্তৰ অর্থ আছে। ইয়াৰ বিপৰীত মনোভাৱটো হৈছে 'ভাল বা সৎ বিশ্বাস' (good faith) নাইবা বিশ্বাসযোগ্যতা। য'ত অবিশ্বাসযোগ্যতা এই সত্যৰ এক অস্বাকাৰ বা নিষেধ যে আমি স্বতন্ত্ৰ আৰু দায়বদ্ধ, তেনেস্থলত, বিশ্বাসযোগ্যতা হৈছে স্বীকৃতি নাইবা

ইয়াকে অনুশীলন। ছার্টেৰ মতে, বিশ্বাসযোগ্য হ'বলৈ হ'লে পৰিৱেশত এজনৰ সত্তাক বুজি পাবলৈ আৰু পৰিৱেশক পৰাভূত কৰাৰ উদ্দেশ্য তেওঁৰ স্বতন্ত্র নির্বাচনসমূহৰ অনুশীলন দায়িত্বপূর্ণভাৱে সম্পন্ন কৰিব লাগিব। ই হৈছে ভাল বিশ্বাসত নিজৰ আৰু সামগ্রিকভাৱে মানৱজাতিৰ প্রতি গ্রহণ কৰা এজনৰ দায়িত্ববোধক নির্বাচন কৰা। ছার্টেয়ে যুক্তি দিয়ে যে দৈনন্দিন স্তৰত মানুহ প্রায়ে বেয়া বা অসৎ বিশ্বাসক অবিশ্বাসনীয় অনুশীলনতেই থাকি যায়। কিন্তু মানুহ প্রকৃত লক্ষ্য হৈছে এক বিশ্বাসযোগ্য জীৱন যাপন কৰা।



চিন্তা চর্চা কৰক ১৩.১

এটা নৈতিক পদ্ধতি গঠনত ছার্টেৰ স্বতন্ত্র তাৰ ধাৰণাটোৰ প্রাসঙ্গিকতা আলোচনা কৰক।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ উত্তৰত ☑ চিন দিয়ক।

(ক) ছার্টেৰ মতে চেতনা শূণ্য/পূর্ণ

(খ) স্বতন্ত্র নির্বাচন দায়ৱদ্ধ/দায়বদ্ধ নহয় ।

(গ) চেতনাৰ আন্তসত্তা নঞৰ্থক/সমদর্থক।

প্রশ্ন নং ৪ ঃ তলত উল্লেখ কৰা উক্তিসমূহ সত্য নে অসত্য?

(ক) স্বতন্ত্রতা চেতনাৰ কেৱল এক গুণ (সত্য/অসত্য)

(খ) মানুহ কেতিয়াবা স্বতন্ত্র, কেতিয়াবা দাস বা গোলাম। (সত্য/অসত্য)

(গ) অভিপ্রায়িকতাই চেতনাৰ নির্দ্দেশনাত্মকতাক বুজায়। (সত্য/অসত্য)

প্রশ্ন নং ৫ ঃ ছার্টেয়ে চেতনাৰ অভিপ্রায়িকতাৰ দ্বাৰা কি বুজাইছে?

.....

.....

১৩.৬ স্বতন্ত্রতাৰ এক সমালোচনাত্মক মূল্যায়ণ

ছার্টেৰ অস্তিত্ববাদৰ সকলো ধাৰণাৰ ভিতৰত স্বাতন্ত্রতাৰ ধাৰণাটোকে আটাইতকৈ বেছি কঠোৰভাৱে সমালোচিত ধাৰণা বুলিব পাৰি। সমালোচনাবোৰক যেতিয়া সম্বোধন কৰা হয়, তেতিয়া ছার্টেৰ স্বতন্ত্রতাৰ মতবাদটোৰ এক স্পষ্ট বোধ বা জ্ঞান আমাৰ থাকিব লাগে।

স্বতন্ত্রতাৰ মতবাদটোক অমুর্ত্ত, সহজাত, অবাস্তৱ, ত্রাসজনক আৰু দুখবাদী বুলি অভিযুক্তি কৰা হৈছে। তথাপিও, ছার্টেৰ স্বতন্ত্রতাৰ ধাৰণাটোৰ ব্যাখ্যাৰ মাজত বৈধ কেতবোৰ দিলো আছে, যাৰ সহায়ত তেওঁৰ স্থিতিক তাৎপর্য্যমূলকভাৱে ৰক্ষা কৰিব পৰা যায়। আনকি যদিও ছার্টেৰ স্বতন্ত্রতাক কঠোৰভাৱে সমালোচনা কৰা হয়, তথাপি কেতবোৰ সমালোচক আছে, যিসকলে ছার্টেক স্বতন্ত্রতাৰ ধাৰণাত লুকাই থকা গভীৰ নৈতিক আন্তসত্তাৰ ভিত্তিত অতি গুৰুত্বপূর্ণ নীতিজ্ঞ

বা নীতিশাস্ত্রবিদসকলৰ মাজৰ এজন হিচাপে গ্রহণ কৰে। ইয়াৰ উপেক্ষিত হৈ ৰোৱা সদর্থক দিশৰ ধাৰণাটোক বুজিবলৈ সমালোচকসক বিফল হোৱাটোৱেই হ'ল ইয়াৰ কাৰণ। এই কথা স্পষ্ট কৰাটো উচিত যে ছার্টেয়ে মানুহক স্বতন্ত্রতাৰ সৈতে অনুৰূপ কৰাৰ দ্বাৰা মানুহক অনিয়ন্ত্রিত হৈ জীয়াই থকাক বুজোৱা নাই। ইয়াৰ বিপৰীতে, তেওঁ এই ধাৰণাটোৰ জৰিয়তে দায়বদ্ধ ব্যস্ততাৰ এক দর্শনৰ পৃষ্ঠপোষকতা কৰিছে। যিকোনো উচ্চতৰ নীতিৰ অনুপস্থিতিত, মানুহেই হৈছে একমাত্র সত্তা, যি তেওঁৰ পৰিকল্পনাক নির্বাচন কৰাৰ দ্বাৰা এক অন্তৰবিষয়গত মঞ্চ বা সমতলত তেওঁৰ প্রতিচ্ছৰি সৃষ্টি কৰাৰ বাবে দায়বদ্ধ। তৎস্বত্তেও, এনেধৰণৰ স্বতন্ত্র নির্বাচনসমূহ বিশৃঙ্খল হ'ব নোৱাৰে। এজন মানুহৰ নির্বাচনক বিশ্বাসযোগ্য বুলি ক'ব পৰা যায় কেৱল তেতিয়া যেতিয়া ইয়াৰ বাবে দায়ৱদ্ধতাক স্বীকাৰ কৰি প্রতিবদ্ধ স্বাধীনতাৰ সৈতে ইয়াক তৈয়াৰ কৰা হয়। মানৰ আত্মানিষ্ঠতাক সামগ্রিক হিচাপে মনত ৰাখি এটা নির্বাচনক গঠন কৰিব লাগে। ছার্টেয়ে এক আন্তৰ বিষয়নিষ্ঠ সমাজৰ বিষয়ে কৈছে, য'ত এজন মানুহে নির্বাচন কৰে, তেতিয়া তেওঁ মনত ৰখাটো উচিত যে যেতিয়া তেওঁ নির্বাচন কৰে, তেতিয়া তেওঁ মানৱজাতিৰ সমগ্রতাৰ বাবে নির্বাচন কৰে, তেতিয়া তেওঁ মানৱজাতিৰ সমগ্রতাৰ বাবে নির্বাচন কৰে। সেয়েহে, স্বতন্ত্র নির্বাচন এজন ব্যক্তিগত মানুহৰ নির্বাচন হ'ব নোৱাৰে। ছার্টেক আগলৈ স্বতন্ত্র আৰু অস্বতন্ত্রৰ মাজত থকা পার্থক্যক মানি নচলা বুলিও সমালোচনা কৰিছে; যিহেতু তেওঁ স্বতন্ত্র মানৰ পৰিকল্পনাৰ পথত অহা পৰিস্থিতিমূলক বাধাবোৰক উপেক্ষা কৰাৰ কথা গৈছে। এই কথা মন কৰিব লগীয়া যে এইবোৰ সমালোচনা ছার্টেৰ প্রকৃত বা আচল স্বতন্ত্রতাৰ ধাৰণাতে সীমাৱদ্ধ। ধাৰণাটোৰ বহল অর্থক ইয়াত উপেক্ষা কৰা হৈছে। ছার্টেয়ে নিশ্চিতভাৱে আচল আৰু পৰিস্থিতিমূলকৰ মাজত এক পার্থক্যক বাহাল ৰাখিছে, যি সমালোচকসকলৰ দ্বাৰা অৱহেলিত হৈছে।

ছার্টেৰ মতে, যেতিয়া আমি সদায় আমাৰ নিজৰ লক্ষ্যক যথাস্থানত ৰাখিবলৈ স্বতন্ত্র, আমি উপায়বোৰৰ বিষয়ে সিদ্ধান্তও গঠন কৰিবই লাগিব, যাক আমি সেই লক্ষ্যত উপনীত হ'বলৈ সদ্ব্যৱহাৰ কৰিম। এইবোৰ সিদ্ধান্ত সদায় এক বিশেষ ৰূপায়িত প্রসঙ্গত এক প্রদত্ত পৰিস্থিতিত গঠন হয়, আৰু এই পৰিস্থিতিয়ে তাৰ মাজত বস্তুৰ কেতবোৰ বস্তুগত সম্বন্ধক নিহিত কৰি ৰাখে, যিয়ে আমাৰ স্বতন্ত্রতাত বাধা ৰূপে কাম কৰে আৰু কিছু দূৰত্ব লৈ উপায়বোৰক দমণ কৰে, যি আমাৰ লক্ষ্যৰ উপলব্ধিৰ বাবে প্রযোজ্য। ছার্টেয়ে ইয়াক আমাৰ পৰিস্থিতিৰ প্রতিকুলৰ সহকাৰী কাৰণ।

স্বতন্ত্রতাৰ মতবাদটোত স্বতন্ত্রতা আৰু তথ্যাত্মকতা বিজৰিত ধাৰণা। স্বতন্ত্রতাই কেৱল এক প্রতিৰোধক জগতত ব্যস্ত হোৱাতহে অর্থ লাভ কৰে। স্বতন্ত্রতাৰ সদায় এক পৰিস্থিতিৰ আৱশ্যকতা থাকে। সেয়ে, পৰিস্থিতি স্বতন্ত্রতাৰ ওপৰত জোৰ দি ছার্টেৰ অস্তিত্বমূলক সংবৃত্তিবাদে স্বতন্ত্রতা আৰু নিয়তি বাদক এক উপযুক্ত সমতলত স্থাপন কৰিছে। যিহেতু ছার্টেয়ে পোষণ কৰে যে প্রত্যেক মানুহ ভৰিষ্যতৰ এজন সত্তা, সেয়েহে, () - য়ে অনিবার্য্যভাৱে ভৰিষ্যতৰ প্রতি ইয়াক অতিক্রম কৰাৰ উদ্দেশ্য এক প্রদত্ত সত্তাৰ আৱশ্যকতা আছে। ছার্টেয়ে বিশ্বাস কৰে যে যদিও আমাৰ পৰিস্থিতিবোৰে আমাৰ সমস্তাৱনীয়তা, আৰু নির্বাচনৰ প্রতি সীমাবদ্ধতা দিয়ে,

তথাপি এইবোৰে কেতবোৰ স্পষ্টতাও নিহিত কৰি ৰাখে আৰু এইটো আমাৰ ওপৰত নির্ভৰ কৰে যে আমি কেনেকৈ এইবোৰ প্রশস্ত সম্ভাৱনাৰ জৰিয়তে আমাৰ নির্বাচনবোৰ গঠন কৰোঁ।

গতিকে, যেতিয়া সমালোচনাত্মকভাৱে ব্যাখ্যা কৰা হয়, আমি দেখোঁ যে ছার্টেৰ স্বতন্ত্রতাৰ সতবাদৰ তাৎপর্য্য স্বতন্ত্রতা হিচাপে মানুহক চিনাক্ত কৰাত অৱস্থান কৰে, যাৰ জৰিয়তে তেওঁ নিয়োগৰ এক দর্শন প্রতিপাদিত কৰিছে। আগলৈ, এই গুৰুত্ব সদায়ে তাত আছে যে স্বতন্ত্রতাই সদায় নিজৰ লগত প্রতিবদ্ধতা আৰু দায়ৱদ্ধতাৰ সীমাবদ্ধ বৈশিষ্ট্যবোৰ কঢ়িয়াই থাকে। স্বতন্ত্রতাই এজন মানুহক প্রত্যেক নির্বাচনাৰ বাবে গভীৰভাৱে প্রতিবদ্ধ আৰু দায়বদ্ধ কৰি তোলে। সেয়েহে ছার্টেয়ে ইয়াক মানবতাবাদ হিচাপে দাবী কৰে। গতিকে ই মানুহৰ সক্রিয় জীৱন, আৰম্ভ কৰা যোজনা অনুযায়ী তেওঁৰ পৰিচয়ক আকাৰ দিয়া আৰু তেওঁৰ নৈতিক জীৱনৰ লগতে এক সফল সংবাদমূলক সমতালৰ বাবে সেৱা আগবঢ়ায়। তথাপিও, এই মতাবদটোৰ মাজত কেতবোৰ সীমাবদ্ধতা আছে, যিয়ে ইয়াক ব্যৱহাৰিক পৰিবেশও মানৱ আচৰণৰ এক সার্বজনীন মতবাদ হিচাপে স্বীকৃতি পোৱাৰ পৰা প্রতিৰোধ কৰে।



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টিত আমি স্বতন্ত্রতাৰ ওপৰত জ্যাঁ পল ছার্টেৰ মতামতসমূহ আলোচনা কৰিলোঁ। এতিয়া আমি এই অধ্যায়টিৰ পুনৰীক্ষণ তলত দিয়াৰ দৰে কৰোঁ আহক।

- ছার্টেৰ অস্তিত্ববাদৰ কেন্দ্রিয় তথা প্রধান বিষয়টো হৈছে স্বতন্ত্রতা।
- ই দাবী কৰে যে, স্বতন্ত্রতাৰ দৰেই মানুহ স্বতন্ত্র বা মুক্ত আৰু যেতিয়া তেওঁ জগতত অস্তিত্বশীল আৰু নিজৰ পৰিকল্পনাৰ নির্বাচনৰ ক্ষেত্রত স্বতন্ত্র ৰূপে দণ্ডিত।
- অতিক্রমণৰ গঠনৰ বাবে মানৱ চেতনাক শূণ্যতা আখ্যা দিয়া হৈছে। চেতনা নিজৰ মাজতে শূণ্য। ই সদায় বস্তু নির্দেশক।
- প্রদত্ত পৰিৱেশৰ বিপক্ষে স্বতন্ত্রতাক সদায় অনুশীলন কৰা হয়। সেইবোৰে, স্বতন্ত্রতা পৰিৱেশমূলক বাধাৰ সৈতে বন্দী হৈ থাকে, যাক কোৱা হয় তথ্যাত্মকতা আৰু এইবোৰক বশীভুত কৰাৰ মানুহৰ ক্ষমতাকে কোৱা হয় অতিক্রমণ (Transcendence)।
- স্বতন্ত্র নিবাচন কেতিয়াও বিশৃঙ্খল নহয়। প্রত্যেক নির্বাচনক নির্দিষ্ট পৰিৱেশত গঠন কৰা হয় আৰু ই কর্ত্তাজনৰ প্রতিবদ্ধতা আৰু দায়বদ্ধতাক দাবী কৰে।
- সৎ বিশ্বাসত গঠিত নির্বাচনে সদায় মানৱ আত্ম নিষ্ঠতাক এক সমগ্রৰ ৰূপত মনত ৰাখে। সেয়েহে স্বতন্ত্র নির্বাচনক এজন একক ব্যক্তিৰ নির্বাচন বুলি ক'ব নোৱাৰি।
- ছার্টেৰ স্বতন্ত্রতাৰ মতবাদটোৱে এক অন্তৰ বিষয়গত ৰূপতত এজন নৈতিক মানুহৰ এক ব্যস্ত দর্শনৰ প্রচাৰ কৰে।
- সেয়ে, ছার্টেয়ে ইয়াক মানৱতাবাদ আখ্যা দিছে।

- লকৰ মতে সমাজৰ গৰিষ্ঠসংখ্যক লোকৰ বাবে সমস্যাৰ সৃষ্টি নকৰা সৰু-সুৰা দোষত চৰকাৰক ক্ষমতাৰ পৰা আঁতৰোৱাটো অনুচিত।



১৩.৮ অধিক জানিবলৈ

1) Cox. G. (2006) Sartre: A Guide for the perplexed. New York: Continum.
2) Sartre, J. P. (2007), Existentialism is a Humanism. (C. Macomber, Trans). London: Yale University Press.
3) Sarte, J. P (1992). Being and Nothingness: An Essay on Phenomenological Ontodogy. New York: Washington Square Press.



১৩.৯ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ মানুহঞ্চ

২ নং প্রশ্নৰ উত্তৰ ঃ স্বৰূপ অস্তিত্ব আৰু স্বনিমিও অস্তিত্ব।

৩ নং প্রশ্নৰ উত্তৰ ঃ (ক) শূণ্য (খ) দায়ৱদ্ধ (গ) নিষেধ বা নঞৰ্থক।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) অসত্য (F) (খ) অসত্য (F) (গ) সত্য (T)

৫ নং প্রশ্নৰ উত্তৰ ঃ উদ্দেশ্যমূলকতা ( ) হৈছে সংকৃতিমূলক পৰম্পৰাত এড্‌মাণ্ড হুচাৰেশ্‌ ( ) ৰ দ্বাৰা প্রতিপাদিত এক ধাৰণা। ই বিষয় মৰু (সচেতন সত্তা) আৰু বস্তু মৰু (ইন্দ্রিয়জ জগত বা অভিজ্ঞতাৰ জগত) ৰ মাজত প্রধান সংযোজক বৈশিষ্ট্য। যেতিয়া ( ) য়ে উদ্দেশ্যমূলতাক চেতনাৰ এক বিশেষ বৈশিষ্ট্য ৰূপে গ্রহণ কৰিছে, ছার্টেয়ে তেতিয়া উদ্দেশ্যমূলকতাক চেতনাৰ সৈতে অনুৰূপ কৰাইছে আৰু পোষণ কৰিছে যে চেতনাৰ কোনো বিষয় নাই। চেতনা সদায় কিবা এক বস্তুৰ চেতনা । ইয়াৰ সমগ্র সত্তা বস্তু নাইবা জগতৰ প্রতি ইয়াৰ পৰিচালনত গঠিত হয়। ই সম্পূর্ণ শূণ্যতা, যিয়ে সদায় বস্তুৰ প্রতি অভিলাষী হয়।



১৩.১০ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন-

প্রশ্ন ১ ঃ জ্যাঁ পল ছার্টে এজন অস্তিত্ববাদী দার্শনিক হয়নে? (Is Jean Paul Sartre an

existential Philosopher?)

প্রশ্ন ২ ঃ ছার্টেয়ে উল্লেখ কৰা অস্তিত্বৰ দুটা স্তৰ কি কি? (Where are the two levels of existence mentioned by Sartre?)

প্রশ্ন ৩ ঃ ছার্টেৰ অস্তিত্ববাদৰ প্রধান বিষয়টো কি? (What is the main theme of Sartre's existentialism?)

প্রশ্ন ৪ ঃ ছার্টেৰ স্বতন্ত্রতাৰ মতবাদটোৱে কেনেধৰণৰ দর্শনৰ প্রচাৰ কৰিছে ? (What type of philosophy does Sartre's theory of freedom promote?)

(খ) চুটি প্রশ্ন (১০০-১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ স্বতন্ত্রতা আৰু নিয়তিবাদ সঙ্গতিপূর্ণ। ছার্টেৰ সন্দর্ভত আলোচনা কৰক।

প্রশ্ন ২ ঃ চেতনা সদায় বস্তু নির্দেশক বা প্রত্যক্ষিত। - আলোচনো কৰক।

প্রশ্ন ৩ ঃ সৎ বিশ্বাস আৰু অসৎ বিশ্বাসৰ মাজত পার্থক্য নির্ণয় কৰক।

(গ) ৰচনাধর্মী প্রশ্ন (৩০০- ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ 'Man is condemned to be free'- আলোচনা কৰক।

প্রশ্ন ২ ঃ সমালোচনাসহ ছার্টেৰ স্বতন্ত্রতাৰ সতবাদটো আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ ৰাইল (RYLE)ৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা
(RYLE'S CRITICISM OF CEARTESIAN DUALISM)

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য

১৪.২ পৰিচয়

১৪.৩ মন বা আত্মা সম্পৰ্কীয় বিভিন্ন মতবাদ

১৪.৪ ডেকার্টৰ মন সম্বন্ধীয় মতবাদ (কার্টেছিয়ান দ্বৈতবাদ)

১৪.৫ ৰাইল্ৰ মন সম্পৰ্কীয় মতবাদ

১৪.৬ প্ৰবৰ্গৰ ভ্ৰান্তি (Category Mistake) ৰ অৰ্থ

১৪.৭ ৰাইল্ৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা

১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৪.৯ অধিক জানিবলৈ

১৪.১০ অগ্ৰগতিৰ খতিয়ান

১৪.১১ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মন বা আত্মাৰ দৰ্শনলৈ আগবঢ়োৱা গিলবাৰ্ট ৰাইল্ৰ কেইটিমান গুৰুত্বপূৰ্ণ অৰিহণা চিনাক্ত কৰিবলৈ।
- মন সম্বন্ধীয় প্ৰাচীন মতবাদসমূহ বৰ্ণনা কৰিবলৈ।
- মন বা আত্মাৰ আচৰণবাদী (Behaviouristic theory) মতবাদৰ ব্যাখ্যা 'Category mistake' ৰ অৰ্থ বুজিবলৈ।
- ডেকার্টৰ দ্বৈতবাদ আৰু গিলবাৰ্ট ৰাইল্ৰ মন সম্বন্ধীয় ইচ্ছামূলক মতবাদৰ মাজত তুলনা কৰিবলৈ।
- ডেকার্টৰ দ্বৈতবাদৰ ওপৰত ৰাইল্ৰ সমালোচনাৰ ব্যাখ্যা কৰিবলৈ।

১৪.২ পৰিচয়

গিলবাৰ্ট ৰাইল্ ১৯০০-১৯৭৬ আছিল এজন বৃটিছ দাৰ্শনিক। তেওঁ সাধাৰণ ভাষা দৰ্শনৰ এজন বাটকটীয়া আছিল। তেওঁ মূলত ঃ তেওঁৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনাৰ বাবে জনাজাত, যাৰ বাবে তেওঁ 'যন্ত্ৰৰ, ভিতৰত আত্মা বা প্ৰেতাত্মা।' (ghost in the machine) এই খণ্ড বাক্যটি উত্থাপন কৰিছে। ৰাইল্ 'The concept of Mind' (1949) নামৰ গ্ৰন্থখন কার্টেছিয়ান

দ্বৈতবাদৰ সমালোচনা ৰ এক ব্যাখ্যাকৰণ।

'The Concept of Mind' অত ৰাইলে মনৰ ধাৰণাটোক এক স্বাধীন মূলসত্ত্বা ৰূপে স্বীকাৰ কৰিছে। তেওঁ ১৭ আৰু ১৪ শতিকাৰ চিন্তাবিদসকল (যেনে ঃডেকার্ট)ৰ ধাৰণাক আক্রমণ কৰিছে যে মানুহৰ প্রকৃতি হৈছে এটা সৰু যন্ত্র য'ত নিহিত থাকে বুদ্ধি (intelligence), স্বতঃস্ফূর্ততা (spantaneity) আৰু এনেধৰণৰ অন্যান্য মানবীয়, সত্যতা বহনকাৰি এক অশৰীৰি আত্মা (ghost)। ৰাইলে দৃঢ়ভাবে স্বীকাৰ কৰিছিল যে মনৰ ক্রিয়াসমূহ শৰীৰৰ ক্রিয়াসমূহৰ পৰা পৃথক নহয়। সেইবোৰ এক আৰু সদৃশ। মানসিক শব্দকোষ হৈছে ক্রিয়াসমূহক ব্যাখ্যা কৰাৰ কেৱল এক পৃথক ৰীতিহে। তেওঁ এই কথা দাবী কৰে যে নির্দিষ্ট অৱস্থা বা পৰিবেশত ক্রিয়া কৰিবলৈ ব্যক্তিৰ যি ইচ্ছাশক্তি, তাৰ দ্বাৰাই ব্যক্তিগত অভিপ্রায়ৰ প্রকৃতিৰ সংজ্ঞা নিৰূপন কৰা হয়। ইয়াত কোনো ধৰণৰ স্পষ্ট অনুভৱ, দুখ, নাইবা শূণ্যতা বা অসাৰতা নাথাকে।

মনৰ দর্শন হৈছে মন সম্পর্কীয় এক দার্শনিক অধ্যয়ন। ইয়াত সেই ধাৰণাসমূহক, যিয়ে মনক সন্নিৱিষ্ট কৰিছে আৰু 'মন'ৰ নিজস্ব ধাৰণাটোকো অন্তর্ভুক্ত কৰিছে, তাক ব্যাখ্য ও পৰীক্ষা কৰিবলৈ এক প্রচেষ্টা কৰা হৈছে। মনৰ দর্শনে ইয়াৰ পৰিসৰ বা বিষয়বস্তুৰ ভিতৰত বিভিন্ন ধৰণৰ মানসিক অৱস্থাক অন্তর্ভুক্ত কৰিছে, যাক তলত দিয়া ধৰণৰে বিভিন্ন শ্রেণীত বিভক্ত কৰা হৈছেঃ

ক) সংবেদন (Sensationas) ঃ পীড়া, বিষ, কুটকুটনি, খজুৱতি, ধিপধিপনি, সিৰসিৰণি।

খ) জ্ঞান (Cognition) ঃ বিশ্বাস, জনা, বোধ, ধাৰণা, চিন্তা, যুক্তি বা বুদ্ধি ইত্যাদি।

গ) প্রত্যক্ষ সদৃশ (Perception) ঃ দেখা, শুনা, সোৱাদ লোৱা, ঘ্রাণ, স্পর্শ ইত্যাদি।

ঘ) প্রত্যক্ষ সদৃশ (Quasiperceptual) ঃ সপোন, কল্পনা, মনৰ চকুৰে দেখা, ভ্রম, কল্পনাতীত প্রত্যক্ষ ইত্যাদি।

ঙ) ইচ্ছামূলক অৱস্থা (Conative states) ঃ কর্ম কৰা, চেষ্টা কৰা, ইচ্ছা কৰা, অভিপ্রায়, কামনা কৰা ইত্যাদি।

এইদৰেই মনৰ দর্শনৰ বিভিন্ন ধৰণৰ মানসিক অৱভাস থকা দেখা যায়। মনৰ দর্শনৰ আটাইতকৈ গুৰুত্বপূর্ণ সমস্যাটো হ'ল মানসিক আৰু শাৰিৰীক গুণৰ মাজৰ সমস্যাৰ সন্দর্ভত থকা সমস্যা। ইয়াক কোৱা হয় 'মন আৰু শৰীৰৰ সমস্যা' (The mind - body problem)। ইয়েই হৈছে মনৰ দর্শনৰ মূল সমস্যা। এই মন-শৰীৰৰ দ্বৈতবাদ পোনপ্রথম বাৰৰ বাবে আবঢ়াইছিল ৩০০ বছৰৰ পূর্বে ৰেনে ডেকার্টে। ডেকার্টে যুক্তি প্রদর্শন কৰিছিল যে মন নাইবা আত্মা ইয়াৰ শৰীৰৰ পৰা পৃথক। এনেধৰণৰ মতক 'দ্রব্য দ্বৈতবাদ' (substance dualism) বুলি আখ্যা দিয়া হয়। এই মতবাদ অনুসৰি, এটা সাংগঠনিক সত্ত্বা দুটা স্পষ্ট দ্রব্যৰে নির্মিত, এটা হৈছে অবস্তুগত মন (immaterial mind) আৰু এটা হৈছে বস্তুগত শৰীৰ (material body)।

১৪.৩ মন সম্বন্ধীয় বিভিন্ন মতবাদ

মন আৰু শৰীৰৰ মাজৰ সম্পর্ক বর্ণনাৰ ক্ষেত্রত কেইবাটাও মতবাদ আগবঢ়োৱা দেখা যায়। ইয়াৰ ফলস্বৰূপে আমি বিভিন্ন ধৰণৰ মতবাদ দেখিবলৈ পাওঁ, যেনে— ক্রিয়া-প্রতিক্রিয়াবাদ

(Interactionism),উপলক্ষ্যবাদ বা সাময়িক কাৰণবাদ, পূৰ্বপ্রতিষ্ঠিত শৃংখলাবাদ (Preestablished harmony), সমান্তৰালবাদ(Parallelism), উপবস্তুবাদ (Epiphenomenalism) ইত্যাদি। তাৰোপৰি, বিভিন্ন দার্শনিকৰ মন সম্বন্ধীয় বিভিন্ন মতবাদ যেনে ঃ দ্বৈতবাদ (Dualism), মানসিক অদ্বৈতবাদ (Mentalistic Monism), অপক্ষপাতী অদ্বৈতবাদ (Neutral Monism) ইত্যাদি। ১৯ শ শতিকাৰ সময়ছোৱাত আমি মন সম্বন্ধীয় কেতবোৰ মুখ্য মতবাদ দেখিবলৈ পাওঁ। আমি এই মতবাদসমূহক তিনিটা প্রধান শ্রেণীত যেনে— জড়বাদী মতবাদ (Materialistic teheories), ভাৱবাদী মতবাদ (Idealistic tehories) আৰু দ্বি-ভঙ্গীবাদ (Double aspect theories) অত বিভক্ত কৰিব পাৰো।

মনৰ জড়বাদী মতবাদে স্বীকাৰ কৰে যে জড়ৰ বাহিৰে আন কোনো সত্ত্বা থাকিব নোৱাৰে। মন হৈছে জড়ৰ এক আকাৰ নাইবা ক্রিয়া। গ্রীক দার্শনিক ডেম'ক্রেটাছে এই জড়বাদী মতবাদ স্বীকাৰ কৰিছে। ডেম'ক্রেটাছে ভাৱে যে আত্মা শৰীৰৰ দৰেই পৰমাণুৰ দ্বাৰা সংগঠিত হয়। উপবস্তুবাদ হৈছে জড়বাদী এক দার্শনিক মতবাদ। এই শব্দটো পোনপ্রথমবাৰৰ বাবে ব্যৱহাৰ কৰিছিল হাক্সলে (Huxley) য়ে। ই নির্দেশ কৰে যে মন প্রাকৃতিক প্রক্রিয়াসমূহৰ এটা উপাদান নহয়। মন হৈছে এটা উপবস্তু অর্থাৎ কেৱল সামান্য গুৰুত্বৰ বস্তুহে। মন হৈছে মস্তিষ্কৰ ক্রিয়াৰ নিশ্চিত আকাৰবোৰৰ ওপৰত থকা এক প্রকাৰ ক্রিয়াবিহীন সঙ্গী, শৰীৰৰ পৰা হোৱা এক প্রকাৰৰ ছায়া।

ৰাছিয়াত পেলভে আচৰণবাদ নামেৰে যি পুৰণি যান্ত্রিকতাবাদ মতবাদ গঢ়লৈ উঠিছিল, তাক পোষণ কৰে। ৰাইলে তেওঁৰ গ্রন্থ 'The concept of Mind' অত এক পুংখানুপুংখ আচৰণবাদী দৃষ্টিভঙ্গী গ্রহণ কৰিছিল আৰু তেওঁ স্নায়ুবিক যন্ত্র (শৰীৰ)ত অস্থায়ীভাৱে মন বা আত্মা থকা ধার্মিক ধাৰণাটো প্রত্যাখ্যান কৰিছিল। মানসিক ঘটনাৰাজিক জীৱ দেহৰ সম্বন্ধলৈ প্রতিবর্ত্তন কৰি, আচৰণবাদে এই, যান্ত্রিক সোঁত মনোবিজ্ঞানত অবিৰতভাৱে চলাই আনিছে।

১৪.৪ ডেকার্টৰ মন বা আত্মা সম্বন্ধীয় মতবাদ

ডেকার্টৰ মন বা আত্মাসম্বন্ধীয় মতবাদক দ্বৈতবাদ (dualism) বুলি জনা যায়। এই মতবাদ জনলক্‌কৰ দ্বাৰাও গৃহীত হয় আৰু স্কটিছ স্কুলৰ প্রভাৱৰ মাজেৰে আমেৰিকাত ই জনাজাত হৈ পৰে। এই মতবাদ অনুসৰি, মন আৰু শৰীৰ সম্পূর্ণ পৃথক আৰু উভয়েই দুটা চিৰন্তন সত্যক প্রতিনিধিত্ব কৰে। ১৯ শ শতিকাৰ ওচৰে-পাজৰে আমেৰিকাৰ উইলিয়াম জেম্‌চ আৰু বৃটেইনৰ বেছিভাগ আগশাৰীৰ মনোবৈজ্ঞানিক যেনে ঃ ৰার্ড, ষ্টাউট্, এম.চি. ড'গাল আৰু তেওঁলোকৰ শিষ্যসকল মন সম্বন্ধীয় এই দ্বৈতবাদৰ লগত সাঙুৰ খাই পৰিছিল। ডেকার্টে মন আৰু শৰীৰৰ মাজত ক্রিয়া-প্রতিক্রিয়াবাদ (ineractionism) মতবাদটো পোষণ কৰিছিল। মন আৰু শৰীৰ দুয়োটাই ঈশ্বৰে সৃষ্টি কৰা দুটা পৃথক আৰু স্বতন্ত্র দ্রব্য। ডেকার্টে ভাৱে যে এই দুটা দ্রব্যই ক্রিয়া-প্রতিক্রিয়া কৰে আৰু উভয়ৰ মাজত এক কার্য কাৰণ সম্পর্ক আছে। মন, যি এক আধ্যাত্মিক দ্রব্য

আৰু মস্তিষ্কৰ পিনিয়েল গ্ৰন্থি (Pineal gland) ত ইয়াৰ এক নির্দিষ্ট অৱস্থান আছে। ই শৰীৰৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু মস্তিষ্কৰ প্ৰক্ৰিয়াৰ দ্বাৰা ক্ৰিয়াশীল হৈ পৰে। ক্ৰিয়া-প্ৰতিক্ৰিয়াবাদ অনুসৰি কোনো সময়ত শাৰীৰিক প্ৰক্ৰিয়াবোৰক মানসিক অভিজ্ঞতাবোৰৰ কাৰণ বুলি ভবা হয় আৰু আন সময়ত শাৰীৰিক প্ৰক্ৰিয়াবোৰ সিহঁতৰ দ্বাৰাই উদ্ভৱ হয়। এইদৰেই ডেকার্টৰ মতে, বিবেক অর্থাৎ বিস্তৃতি বা মন আৰু শৰীৰ ইটো আনটোৰ পৰা স্বতন্ত্ৰ আৰু ইটো-সিটোৰ বিস্তৃতিত জড়িত নহয়। এইদৰেই, তেওঁ দুটা স্বতন্ত্ৰ দ্ৰব্যৰ উপস্থিতি মানি লৈছে, যাক মন আৰু শৰীৰ বুলি কোৱা হয়।

ডেকার্টৰ মানুহ সম্বন্ধীয় মতো সমানে দ্বৈতবাদী। তেওঁ যুক্তি দর্শাইছে যে, আত্মাবিহীন আৰু জীৱবিহীন শাৰিৰীক যন্ত্ৰ কৌশল এক বৌদ্ধিক বা চিন্তাশীল আত্মাৰ সৈতে যুক্ত হৈ থাকে।

এই ক্ৰিয়া-প্ৰতিক্ৰিয়াবাদৰ অসুবিধাবোৰৰ পৰা এৰাই চলিবৰ বাবে ডেকার্টৰ অনুগামীসকলে উপলক্ষ্যবাদ বা সাময়িক কাৰণবাদ (Occasionalism) মতবাদটো পোষণ কৰিছে। দুজন দার্শনিক, যিয়ে এই মতবাদটো পোষণ কৰিছে, সেয়া হৈছে আৰণ'ল্ড গেলিংক্স আৰু নিক'লাচ দি মেলবাঞ্চ। উপলক্ষ্যবাদ বা সাময়িক কাৰণবাদ অনুসৰি মন আৰু শৰীৰৰ সামঞ্জস্য বা যোগাযোগ সম্ভৱ হয় ঈশ্বৰৰ দ্বাৰা। যেতিয়া দেহ আৰু মনত কিবা পৰিবর্ত্তন ঘটে, তেতিয়াই ঈশ্বৰে আনটোত অনুৰূপ পৰিৱর্ত্তন ঘটায়। কিন্তু এই ব্যাখ্যা কোনোপধ্যে গ্ৰহণযোগ্য নহয়।

উইলিয়াম ড'গলাচে তেওঁৰ মন সম্বন্ধীয় দর্শনৰ ক্ষেত্ৰত Animism শব্দৰ ব্যৱহাৰ কৰিছে, যি সাধাৰণ আত্মাৰ মতবাদৰ বাহিৰে আন একো নহয়।

এইদৰেই ডেকার্টে আৰু তেওঁৰ পৰৱর্ত্তী অনুগামীসকলে মন সম্বন্ধীয় দ্বৈতবাদটো ভুলকৈ সৃষ্টি কৰিছে। ডেকার্টে পোষণ কৰা ক্ৰিয়া-প্ৰতিক্ৰিয়াবাদ মতবাদটো নির্বিচাৰবাদ (dog-matism) ত পৰিণত হোৱা পৰিলক্ষিত হয়। কিন্তু মন আৰু শৰীৰৰ মাজৰ চৰম দ্বৈতবাদক নাকচ কৰিব পৰা যাব তেতিয়াহে যদিহে আমি এই সমস্যাটোৰ যিকোনো এক সমাধানত উপনীত হওঁ ।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ তলৰ বক্তব্যসমূহ সত্য নে অসত্য উল্লেখ কৰা ।

ক) গিলবার্ট ৰাইল্ সাধাৰণ ভাষা দর্শনৰ এজন বাটকটীয়া আছিল।

খ) ডেকার্টে মন সম্বন্ধীয় দ্বৈতবাদৰ পোষকতা কৰিছিল।

গ) গিলবার্ট ৰাইলে ডেকার্টৰ মনৰ দ্বৈতবাদী মতবাদ গ্ৰহণ কৰিছিল।

প্ৰশ্ন নং ২ ঃ খালী ঠাই পুৰোৱা ঃ

ক) ৰাইল্ৰ গ্ৰন্থ .....হৈছে কার্টেছিয়ান দ্বৈতবাদৰ এক ব্যাখ্যাকৰণ।

খ) ৰাইলে ..... মতবাদটো পোষণ কৰিছে।

গ) ডেকার্টৰ মতে মনৰ ..... ওপৰত ক্রিয়া- প্রতিক্রিয়া কৰে।

প্রশ্ন নং ৩ ঃ উপবস্তুবাদ বুলিলে কি বুজা?

.....

.....

প্রশ্ন নং ৪ ঃ ক্রিয়া-প্রতিক্রিয়া কি?

.....

.....

প্রশ্ন নং ৫ ঃ কোনে উপলক্ষবাদ বা সাময়িক কাৰণবাদ মতবাদৰ পোষকতা কৰিছে?

.....

.....

১৪.৫ গিলবার্ট ৰাইলৰ কাটেছিয়ান দ্বৈতবাদ সম্পর্কীয় সমালোচনা

ৰাইলে তেওঁৰ প্রখ্যাত গ্রন্থ (The Concept of Mind) অত মন আৰু শৰীৰৰ দ্বৈতবাদৰ অসৰতা প্রদর্শন কৰিবলৈ ভাষাজনিত বিশ্লেষণৰ আটাইতকৈ উপযুক্ত পদ্ধতিটো ব্যৱহাৰ কৰিছে। ৰাইলে অভিযোগ কৰে যে ডেকার্টে দার্শনিকসকলৰ মন আৰু শৰীৰৰ দ্বৈতবাদৰ পৌৰাণিক কথা বা গল্পৰ আৰম্ভণি কৰিছে। ডেকার্টে মন আৰু শৰীৰক দুটা পৃথক দ্রব্য, যাৰ দুটা পৰস্পৰ বিপৰীত গুণ আছে বুলি দ্বৈতবাদক প্রতিষ্ঠা কৰিছে। উদাহৰণস্বৰূপে মানৰ শৰীৰ দেশ (space) ত বর্তমান আৰু ই যান্ত্রিক নিয়মৰ অধীন। জ্ঞাত শাৰীৰিক অৱস্থা আৰু প্রক্রিয়া সমূহ আনৰ দ্বাৰা নিৰীক্ষত হ'ব পাৰে। কিন্তু মন, দেশত উপস্থিত নাথাকেও আৰু ইয়াৰ ক্রিয়াসমূহ যান্ত্রিক নিয়মৰো অধীন নহয়। মনৰ ক্রিয়াসমূহ আনৰ দ্বাৰা প্রমাণিত নহয়। ইয়াৰ বাহক ব্যক্তিজনৰ নিজৰেই এক প্রধানযোগ্য কাম। আনৰ মনত কি ঘটি আছে, তাক কোনেও জানিব নোৱাৰে। মানুহজনেহে কেৱল তেওঁৰ নিজৰ মনৰ অৱস্থা আৰু প্রক্রিয়াসমূহ প্রতক্ষ্যভাৱে চিনাক্ত কৰিব পাৰে। এজন মানুহৰ মানসিক অৱস্থা আৰু প্রক্রিয়াসমূহ সম্পূর্ণৰূপে আৰু পোনপটীয়াকৈ প্রতক্ষ্য কৰিব পাৰে কেৱল তেওঁহে যিয়ে সেইবোৰ বহন কৰে। ডেকার্টে ভাবে যে মন আৰু বস্তুৰ মাজত এক মূলগত পার্থক্য আছে। কিন্তু ৰাইলে কয় যে, এই ধাৰণাটো এক 'প্রবর্গৰ ভ্রান্তি' (Category mistake), কাৰণ ই মন আৰু বস্তুৰ সম্পর্কক বিশ্লেষণ কৰিবলৈ প্রয়াস কৰিছে যেন ইহঁত উভয়েই একেটা তর্কীয় 'বর্গ' ৰ পদহে।

ৰাইলৰ মতে, ডেকার্টৰ দ্বৈতবাদ মানসিক প্রক্রিয়াসমূহক বিশ্লেষণ কৰাৰ এক প্রচেষ্টা, যেন মন শৰীৰৰ পৰা পৃথকহে। তেওঁ ব্যাখ্যা কৰে যে এটা কাম কৌশলপূর্ণভাৱে কেনেকৈ সমাধা কৰিব পাৰি, তাক জনাটো সম্পূর্ণ ভাৱমূলক চিন্তা বা অনুমানৰ বিষয় নহয়। এটা কাম কৌশলপূর্ণভাৱে কৰিবলৈ জনাটো এক যুক্তিপূর্ণ আৰু ব্যৱহৃতভাৱে চিন্তা কৰিবলৈ আৰু লগতে ব্যৱহাৰিক চিন্তাক কার্যত প্রতিপন্ন কৰিবলৈ সক্ষম হোৱাৰ বিষয়হে। ৰাইলৰ মতে, মানসিক

প্রক্রিয়াবোৰ বৌদ্ধিক ক্রিয়াৰ বাহিৰে আন একো নহয়। এনেধৰণৰ কোনো মানসিক প্রক্রিয়া নাই, যি বৌদ্ধিক ক্রিয়াৰ পৰা পৃথক। সেয়ে, স্মৰণ, সপোন, জনা বা জ্ঞান আদি ক্রিয়া সুপ্তাৱস্থাত থকা কেতবোৰ মানসিক প্রক্রিয়াৰ ইংগিত মাত্র নহয়। ইয়েই মানসিক প্রক্রিয়া বা বৌদ্ধিক ক্রিয়াসমূহৰ সংজ্ঞা প্রদান কৰে। ৰাইলে যুক্তি প্রদর্শন কৰে যে, এটা যান্ত্রিক সজুঁলি শচশৰীৰগ্ন ৰ ভিতৰত কোনো অশৰীৰি আত্মাৰ অদৃশ্যমান সত্বা শচমনগ্ন থাকিব নোৱাৰে। মনৰ ক্রিয়া এটা স্বতন্ত্র যন্ত্র কৌশল নহয়, যিয়ে শৰীৰৰ ক্রিয়াক পৰিচালনা কৰে। মনৰ ক্রিয়া শৰীৰৰ ক্রিয়াৰ পৰা পৃথক নহয়,কিন্তু ইয়াক শৰীৰৰ ক্রিয়াক ব্যাখ্যা কৰাৰ এক উপায় ৰূপে ধাৰণা কৰা হয় ।

ৰাইলৰ নিজা ভাষাত “A person lives through two collatral histories, one consisting of what the other consisting of what happens in and to his mind. The first is public, the second is private. Teh events in the first history are events in the physical world, those in the second are events in the mental world.”(Ryle G. The concept of Mind, P. 13)

১৪.৬ ‘প্রৱর্গৰ’ ভ্রান্তি (CATEGORY MISTAKE)ৰ অর্থ

ৰাইলে কার্টেছিয়ান দ্বৈতবাদক এটা অযুক্তিকৰ মত ৰূপে ককর্থনা কৰিছে, যিয়ে ‘যন্ত্রৰ ভিতৰত অশৰীৰি আত্মা বা ভুত’ এই মতটোক সাঙুৰি লয়। ৰাইলে কয়, “ই মানসিক জীৱনৰ বাস্তৱ তথ্যক প্রতিনিধিত্ব কৰে, যেন সেইবোৰ এটা তর্কীয় আকাৰ বা প্রবর্গৰ (নাইবা আকাৰ বা প্রবর্গৰ শ্রেণী) ৰ অন্তর্ভুক্ত “(The concept of mind, p.17) ৰাইলে অনুভৱ কৰে যে ডেকার্টৰ দ্বৈতবাদৰ এটা মূল ভ্রান্তি আছে, যাক ‘প্রবর্গৰ ভ্রান্তি’ (Category Mistake) আখ্যা দিছে আৰু ৰাইলে ইয়াক তলত দিয়াৰ দৰে বর্ণনা কৰিছে।

ক) প্রথমবাৰৰ বাবে অক্সফ’র্ড নাইবা কেম্ব্রিজ বিশ্ববিদ্যালয় পৰিদর্শন কৰিবলৈ অহা এজন বিদেশীক যদি কেইখনমান মহাবিদ্যালয়, পুথিভড়াল, খেলপথাৰ, সংগ্রহালয়, বৈজ্ঞানিক কার্য বিভাগ আৰু প্রশাসনিক মন্ত্রালয় আদি দেখুওৱা হয়, তেতিয়া তেওঁ প্রশ্ন কৰিব, “বিশ্ববিদ্যালয় ক’ত?’ তেতিয়া তেওঁৰ এই প্রশ্নটোত এক প্রবর্গৰ ভ্রান্তিয়ে দেখা দিব, কাৰণ তেওঁ বিশ্ববিদ্যালয়খনক পুথিভঁড়াল নাইবা সংগ্রাহলয়ৰ দৰে এক সমান্তৰাল সংস্থাপন বুলি ভ্রান্ত ধাৰণা ল’ব। তেওঁ অনুভৱ কৰিব নোৱাৰে যে বিশ্ববিদ্যালয় হৈছে এক সকলোবোৰ সংস্থাৰে কার্য্য-কলাপৰ এক মিলিত ব্যৱস্থা আৰু ইয়াৰ নিজা কোনো পৃথক আনুষঙ্গিক অস্তিত্ব নাই।

খ) বিভিন্ন সৈন্যদল যেনে ঃ অশ্বাৰোহী সৈন্যৰ দল, বৰটোপ কঢ়িয়াই নিয়া সৈন্যৰ দল ইত্যাদিৰ কুচ্-কাৱজ প্রত্যক্ষ কৰি থকা এটা শিশুৰে, যেতিয়া প্রশ্ন কৰে যে ‘দলটো কেতিয়া প্রবেশ কৰিব’, এই ক্ষেত্রটো একেধৰণৰ প্রবর্গৰ ভ্রান্তিয়ে দেখা দিয়ে, কাৰণ শিশুটোৱে বিভিন্ন দলৰ কুচ্কাৱাজ উপভোগ কৰাৰ পাছতো ‘দল’ৰ এক পৃথক অস্তিত্ব আশা কৰে। শিশুটোৱে ভাবিব নোৱাৰে যে এই সকলোবোৰৰ সমষ্টিয়েই এটা ‘দল’ (Division.)

গ) প্রথমবাৰৰ বাবে ক্রিকেট খেল চাই থকা এজন বিদেশীৰ ক্ষেত্রটো এই একেধৰণৰ প্রবর্গৰ ভ্রান্তি ঘটিব। বেট্চমেন, ব'লাৰ, ফিল্ডাৰ, মীমাংসাক (umpire) আদিৰ কার্য্য-কলাপবোৰ চাই তেওঁ জানিব বিচাৰে যে 'কোনে দলৰ উৎসাহত অৰিহণা যোগাব।

ওপৰত উল্লেখিত প্রত্যেক ক্ষেত্রতে এক ভুল তর্কীয় আর্হিৰ প্রশ্ন সোধা হৈছে। সেয়ে, এই সকলোতে প্রবর্গৰ ভ্রান্তি ঘটিছে। ৰাইলে নির্দেশ কৰে যে এটা আর্হিৰ অন্তর্গত বাক্যৰ উৎপাদক আন এটা আর্হিৰ হ'ব নোৱাৰে অর্থাৎ উক্তিৰ এটা ৰূপ যি তর্কীয়ভাৱে কোনো ঘটনাৰ এটা ৰূপ বা আকাৰৰ লগত খাপ খায়, সি তর্কীয় অসঙ্গতিৰ অবিহনে আন এটা ৰূপ বা আকাৰত খাপ খাব নোৱাৰে। ৰাইলৰ বাবে মন হৈছে বিভিন্ন ধৰণৰ মানসিক গুণবাচক ক্রিয়াৰ এটা পথ, যিদৰে বৃটিছ সংবিধানখন বৃটিছ গৃহ-কার্য্যালয় (British Home Office) আৰু ইংলেণ্ডৰ গীর্জাৰ ক্রিয়াৰ এক পথ। ৰাইলে এই কথা পৰিষ্কাৰ কৰে যে মন আৰু শৰীৰ দুয়োটায়ে অস্তিত্বশীল, কিন্তু দুয়োটা একে অর্থত অস্তিত্বশীল নহয়। কার্টেছিয়ান দ্বৈতবাদে দুয়োকে একে অর্থত অস্তিত্বশীল বুলি গ্রহণ কৰিছে। ইয়াৰ মতে, মন আৰু শৰীৰ দুয়োটোয়ে মানৰ শৰীৰত একেলগে অস্তিত্বশীল দ্রব্য, যাৰ নিজস্ব যথার্থ ক্রিয়া ক্ষেত্র আছে। ৰাইল এনেধৰণৰ দ্বৈতবাদৰ বিৰোধী আছিল, আৰু এই কথা সমর্থন কৰিছিল যে মনৰ দৰে সহ-উপস্থিতি সম্পন্ন এক দ্রব্যৰ মুঠতে কোনোধৰণৰ সত্যতা থাকিব নোৱাৰে। এনেধৰণৰ মনক তেও এটা 'প্রেতাত্মা' আখ্যা দিছে আৰু তেওঁ শৰীৰ (যন্ত্র)ত প্রেতাত্মা থাকে' এই ধাৰণাটোৰ সম্পূর্ণ বিৰোধী আছিল। এই মনটো এটা পৌৰাণিক গল্প (myth)। তেওঁৰ গ্রন্থখনৰ মাজেৰে তেওঁ এই পৌৰাণিক গল্পক নিন্দা কৰিবলৈ চেষ্টা কৰিছে । এই পৌৰাণিক গল্পৰ নিন্দাৰ দ্বাৰা তেওঁ কিন্তু মনৰ ধাৰণাটোক নুই কৰা নাই । ৰাইলৰ নিজা মন সম্বন্ধীয় মতবাদ আছে। তেওঁ যাক নুই কৰিছে,সেয়া হৈছে জটিল বাক্য (Idioms) যাৰ দ্বাৰা দ্বৈতবাদীসকলে 'মন'ক বুজায় আৰু বর্ণনা কৰে।

১৪.৭ 'কেনেকৈ জানিব পাৰি (KNOWING HOW) আৰু 'তাক জনা' (KNOWING THAT) ৰ মাজত পার্থক্য

ৰাইলে 'কেনেকৈ জানিব পাৰি' আৰু 'তাক জনা'ৰ মাজত পার্থক্য নির্ণয় কৰিছে। ৰাইলে কয় যে 'কেনেকৈ জানিব পাৰি'ৰ অর্থত 'জনা'টো হৈছে এক ইচ্ছা বা স্বভাৱ। 'জনা'ৰ অর্থ হৈছে কেতবোৰ কার্য কৰাৰ সামর্থতা বা শক্তি। এনেধৰণৰ সামর্থতা বা শক্তিক ইচ্ছা বা স্বভাৱ বুলি কোৱাহয়। ইচ্ছা বা মনৰ ভাৱৰ ক্ষেত্রত নিৰপেক্ষ বুলি একো নাথাকে। মনৰ ভাৱমূলক বা ইচ্ছামূলক উক্তিসমূহ সদায় প্রাকল্পিক উক্তি হয়। ই সদায় 'যদি..... তেন্তে'ৰ দ্বাৰা প্রকাশিত হয়। সেয়ে, ৰাইলে কয় যে 'কেনেকৈ জানিব পাৰি'ৰ অর্থত 'জনাটো' হৈছে বাহ্যিকভাৱে কাম কৰাৰ এক অনিবার্য ইচ্ছা বা স্বভাৱ। এখন মটৰগাড়ী কেনেকৈ চলাব লাগে তাৰ অর্থ হৈছে গাড়ী চলোৱাৰ কেতবোৰ নিয়ম আছে তাক জনা আৰু গাড়ীখন চলাবলৈ সক্ষম হোৱাটো। এইদৰে ৰাইল্ 'মন'ৰ দর্শন কার্টেছিয়ান বিৰোধী আৰু দ্বৈতবাদ বিৰোধী। ই এজন ব্যক্তিৰ জীৱনত আন্তৰিক গোপনীয়তাৰ কোনো স্থান নাৰাখে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ 'প্রবর্গৰ ভ্রান্তি' (Category mistake) ৰ অর্থ কি?

.....

.....

.....

প্রশ্ন নং ৭ ঃ ৰাইল্‌ৰ মতে মন কি?

.....

.....

.....

প্রশ্ন নং ৮ ঃ মনসম্বন্ধীয় ইচ্ছা বা স্বভাৱবাদী মতবাদটো কি?

.....

.....

.....

প্রশ্ন নং ৯ ঃ আচৰণবাদে কি কথা স্বীকাৰ কৰে?

.....

.....

.....

প্রশ্ন নং ১০ ঃ খালী ঠাই পূৰোৱা ঃ

ক) ---------- ৰ অর্থীত জনাটো এক ইচ্ছা বা স্বভাৱ।

খ) ---------- হৈছে কোনো কাম কৰাৰ এক শক্তি।

গ) ইচ্ছামূলক উক্তিসমূহ সদায় ----------উক্তি।

ঘ) ৰাইল্‌ৰ মনসম্বন্ধীয় মতবাদটো ---------- আৰু ---------- ।

ঙ) ৰাইল্‌ আচৰণবাদক ---------- বুলি জনা যায়।

প্রশ্ন নং ১১ ঃ কোনে প্রথমবাৰৰ বাবে দার্শনিকৰ মন আৰু শৰীৰৰ বাস্তৱবাদৰ পৌৰাণিক গল্পৰ অৱতাৰণা কৰিছিল?

.....

প্রশ্ন নং ১২ ঃ যিটো মতবাদৰ পৰা 'প্রেত বা আত্মাৰ মত'টোৰ উৎপত্তি হৈছিল, তাৰ নামটো উল্লেখ কৰা।

.....

প্রশ্ন নং ১৩ ঃ 'কেনেকৈ জানিব পাৰি' (knowing how) আৰু 'জনা' (knowing that) ৰ মাজত পার্থক্য নির্ণয় কৰা দার্শনিকজনৰ নাম লিখা।

.....



১৪.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাইলৰ মুখ্য উদ্দেশ্য আছিল মন সম্বন্ধীয় কার্টেছিয়ান দ্বৈতবাদৰ দোষসমূহ দেখুৱাই দিয়া আৰু মানসিক জীৱনৰ সত্যতাসমূহ পুনৰ নিৰূপণ কৰা। তাৰোপৰি, তেওঁ মনৰ প্ৰকৃতি সম্পৰ্কীয় ধাৰণাবোৰৰো সংশোধন কৰিবলৈ চেষ্টা কৰিছিল।
- ৰাইলে মনৰ ইচ্ছামূলক বা ভাৱমূলক এক বিৱৰণ আগবঢ়াইছে। তেওঁৰ মতে, মন হৈছে মাত্ৰ ইচ্ছা প্ৰকাশৰ উপায় বা পথ। ৰাইলৰ মন সম্বন্ধীয় এই অধ্যয়ন নিৰীক্ষণ আৰু পৰীক্ষণৰ ওপৰত নিৰ্ভৰশীল গৱেষণাগাৰ ভিত্তিক অধ্যয়ন নহয়। ৰাইলে তেওঁ মন সম্বন্ধীয় দৰ্শনত এই কথা প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছে যে আন্তৰিক গোপনীয়তা বুলি কোনো বস্তু মুঠতে থাকিব নোৱাৰে আৰু মন হৈছে আদৰ্শস্বৰূপ মানৱীয় আচৰণৰ কেৱল এক নাম মাত্ৰ। তেওঁৰ মতে, মনক উল্লেখ কৰা বৰ্ণনামূলক উক্তিসমূহ হৈছে বৰ্ত্তমান মানৱীয় আচৰণ সম্বন্ধীয় বিৱৰণ মাত্ৰহে। ৰাইলে মন সম্বন্ধীয় মতবাদ হিচাপে আচৰণবাদক গ্ৰহণ কৰিছে। মনৰ দ্বৈতবাদক অগ্ৰাহ্য কৰাৰ ভিত্তিতে ইয়াৰ সৃষ্টি হৈছে।
- আচৰণবাদে স্বীকাৰ কৰে যে দ্ৰব্য মাথোন এটাই; সেয়া হৈছে শৰীৰ আৰু মন, শৰীৰৰ আচৰণ বা স্বভাৱৰ বাদে আন একো নহয়। ৰাইলৰ আচৰণবাদক দাৰ্শনিক নাইবা বিশ্লেষণাত্মক নাইবা তৰ্কীয় আচৰণবাদ বুলি জনা যায়। দাৰ্শনিক আচৰণবাদে ভাৱে যে নিশ্চয়কৈ বুজোৱা মনৰ অৰ্থবোৰ কেতবোৰ স্পষ্ট আচৰণ বা স্বভাৱৰ অৰ্থত ব্যাখ্যা কৰিবই লাগিব নাইবা ব্যাক্তিমনৰ সেই উক্তি বা ব্যাখ্যাবোৰ আন মানুহে কৰা নিৰীক্ষণৰ বিষয়ে কৰা উক্তিত সম্পূৰ্ণৰূপে বিশ্লেষণ কৰিব পাৰিব লাগিব। ৰাইলে তেওঁৰ দাৰ্শনিক আচৰণবাদৰ দ্বাৰা সকলো মানসিক উক্তি বা বাক্যক ইচ্ছাৰ বা স্বভাৱৰ অৰ্থত ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। ৰাইলে সাব্যস্ত কৰে যে বিভিন্ন স্পষ্ট পদৰ সানমিহলি নাইবা অপব্যৱহাৰৰ দ্বাৰাই দাৰ্শনিক বেমেজালিবোৰৰ উদ্ভৱ হয় আৰু একমাত্ৰ তৰ্কবিজ্ঞান আৰু ভাষাৰ ব্যৱহাৰৰ এক সতৰ্ক বিশ্লেষণৰ দ্বাৰাহে ইয়াক নাইকীয়া কৰিব পাৰি। ৰাইলে স্বীকাৰ কৰে যে মানসিক গুণবাচক নামবোৰ ইচ্ছামূলক বা স্বভাৱমূলক প্ৰকৃতিৰ। ৰাইলে আত্মজ্ঞান (self knwoledge) অৰ্থাৎ আত্মবোধ বা বিবেচনাশক্তি (self consciousness) আৰু অন্তৰ দৃষ্টি (introspection) ৰ পদ্ধতিসমূহক অগ্ৰাহ্য কৰিছে। ৰাইলে অস্বীকাৰ কৰে যে মানসিক পদবোৰে এক আভ্যন্তৰীণ গোপন মানসিক জগতক বৰ্ণনা কৰে। তেওঁ মনৰ ইচ্ছামূলক বা স্বভাৱমূলক বৰ্ণনাহে আগবঢ়াইছে। কোনো নিৰ্দিষ্ট পৰিবেশত কোনো নিৰ্দিষ্ট কাম কৰাৰ এক, শক্তি, মনোবৃত্তি বা প্ৰৱণতা, দায়িত্ব বা ক্ষমতাই হৈছে ইচ্ছা বা স্বভাৱ।
- দাৰ্শনিক সমস্যাবোৰ সমাধান কৰিবলৈ ৰাইলে তৰ্কবিজ্ঞান আৰু ভাষাৰ সত্যতাক ব্যৱহাৰ কৰিছে সেয়ে, এই অৰ্থত, তেওঁ নিশ্চিতৰূপে এজন ভাষাতাত্বিক দাৰ্শনিক। ৰাইলে

পৰম্পৰাগত চিন্তাবিদসকলে ভবাব দৰে মনক শৰীৰতকৈ ওপৰৰ এক দ্রব্য বুলি অস্বীকাৰ কৰিছে আৰু সঠিক অৱস্থাত কোনো নির্দিষ্ট বস্তু বা কামৰ অধীন বুলি ভবা হয়। মন এক ইচ্ছা বা স্বভাৱ, এক নিয়ম, এক দস্তুৰ নাইবা প্রস্তুতিৰ এক জৈৱিক অৱস্থা।

- ৰাইলে কয় যে 'কেনেকৈ জানো' (knowing how) ৰ অর্থত 'জনা' (knowing) টো হৈছে এক ইচ্ছা বা স্বভাৱ। 'knowing' হৈছে কেতবোৰ নির্দিষ্ট কাম কৰাৰ দক্ষতা বা প্রৱণতা। এনেধৰণৰ দক্ষতা বা প্রৱণতাই হৈছে ইচ্ছা বা স্বভাৱ। ইচ্ছা বা স্বভাৱৰ শ্রেণীমূলক বা প্রবর্গমূলক একো নাথাকে। ইচ্ছামূলক বা স্বভাৱমূলক উক্তিবোৰত 'যদি...., তেন্তে'ৰ আর্হি নিহিত থাকে। ৰাইলে দেখুওৱাই যে অভিপ্রায়ৰ দৰে আৱেগ হৈছে এক ইচ্ছা বা স্বভাৱ, আলোড়ণৰ দৰে ই হৈছে এক দায়িত্বৰ অৱস্থা আৰু অনুভৱৰ দৰেই ই শাৰীৰিক সংবেদনৰ বাদে আন একো নহয়। ৰাইলেভাৱে যে ইন্দ্রিয় সংবেদন আৰু নিৰীক্ষণৰ বাবে পার্থিব নাইবা ৰহস্যময়ী আন একো থাকিব নোৱাৰে। তেওঁৰ মতে ইন্দ্রিয় সংবেদনৰ যি মতবাদ সেইবোৰ সাধাৰণ ভাষাৰ দ্বাৰা আবৃত্ত নহয় আৰু সেয়ে ৰাইলে ইয়াক অর্থহীন বুলি স্বীকাৰ কৰে।
- ৰাইলৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনাৰ পৰা, আমি তেওঁৰ আত্ম-জ্ঞান সম্বন্ধীয় বিষয়টো জানিব পৰো। য'ত দ্বৈতবাদীসকলে আত্ম-জ্ঞানক বিবেক আৰু অন্তৰদর্শনৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠা কৰিছে, ৰাইলে ইয়াক আকৌ আগমনৰ ওপৰত ভিত্তি কৰি প্রতিষ্ঠা কৰিছে। শৰীৰৰ বিৰুদ্ধে বিশুদ্ধ অহং বা মই নাইবা বিশুদ্ধ বিবেকৰ কোনো প্রশ্ন থাকিব নোৱাৰে। এইদৰেই ৰাইলে কার্টেছিয়ান দ্বৈতবাদৰ সমগ্র গাঁথনিটো ধ্বংস কৰিবলৈ প্রয়াস কৰিছে আৰু মনৰ আচৰণবাদী মতবাদটোক প্রতিষ্ঠা কৰিছে।



১৪.৯ অধিক জানিবলৈ

1) Aune, B. 1967. Knowledge, Mind and Nature, Kalifornia.
2) Barlinggay, SS. A Critical Survey of Western Philosophy, Macmillan India.
3) Broad C.D, 1962. The Mind and Its place in Nature London.
4) Descartes, Rene, Meditation and other Metaphysical writings, Penguin Books.
5) Descartes, Rene. Discourse on Method, Dulton, New York.
6) Dutta D.M. Chief Currents of Contemporary Philosophy, University of Calcutta.
7) Ewing, A.C. 1951. The Fundamental Questions of Philosophy,

Routledge & Keganpal Ltd.

8) Ewing A.C. 1952. Prof Ryle's attack on Dualism, 9. Kenny, Anthony. Action, Emotion and Will, Routledge.

9) Ryle, Gilbert. 1949. The Concept of Mind, Penguin Books, London, 1949 10. Ryle, Gilbert. Dilemmas 1953, Lectures, Cambridge University.

11) Ryle, Gilber, Systematically Misleading Expression - PAS, Vol.32.

12) Ryle, Gilbert Categories PAS, Vol. 38.

13) Ryle, Gilbert. 1953 Ê. Ordinary Language, The Philosophical Review, Vol.62.

14) Mind A Quarterly Review of Philosophy, Published for the Mind Association by Oxford University Press.

১৪.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য খ) সত্য গ) অসত্য

২ নং প্রশ্নৰ উত্তৰ ঃ ক) The concept of Mind. (1949)

খ) আচৰণবাদ (Behaviourism)

গ) পিনিয়েল (pineal)

৩ নং প্রশ্নৰ উত্তৰ ঃ উপবস্তুবাদ হৈছে জড়বাদী এক শ্রেণী বিশেষৰ দ্বাৰা সমর্থিত মন সম্বন্ধীয় এক মতবাদ। এই 'উপবস্তুবাদ' (Epiphenomenolism) শব্দটো পোনপ্রথমে ব্যৱহাৰ কৰিছিল হা'লেই (Huxley) এই মতবাদে ভাৰে যে 'মন'টো প্রাকৃতিক প্রক্রিয়াৰ এটা উপাদান নহয়, ৰৱঞ্চ মন হৈছে এক উপবস্তু (epiphenomenon) হে।

৪ নং প্রশ্নৰ উত্তৰ ঃ এই মতবাদটোৱে গ্রহণ কৰে যে মন আৰু শৰীৰৰ মাজত এক পাৰস্পৰিক কার্য্য বিদ্যমান যিহেতু ইহঁত দুয়ো দুটা পৃথক আৰু স্বাধীন দ্রব্য, সেয়ে মন আৰু শৰীৰৰ দুয়োটায়ে ঈশ্বৰৰ দ্বাৰা সৃষ্ট। ক্রিয়া-প্রতিক্রিয়াবাদৰ এজন পোষণকাৰী হিচাপে ডেকার্টে ভাবে যে মন আৰু শৰীৰ উভয়েই ইটোৱে-সিটোৰ ওপৰত ক্রিয়া প্রতিক্রিয়া কৰে আৰু ফলস্বৰূপে দুয়োৰে মাজত এক কার্যকাৰণ সম্পর্ক (causal relation) থকা দেখা যায়। মন, যাক এক আধ্যাত্মিক দ্রব্য বুলি ধৰা হয়, মস্তিষ্কৰ পিনিয়েল গ্রন্থিত তাৰ এক অৱস্থান আছে। ই শৰীৰৰ ওপৰত ক্রিয়া কৰে আৰু সেইবাবে মস্তিষ্কৰ প্রক্রিয়াৰ দ্বাৰাও ই প্রভাৱিত হয়।

৫ নং প্রশ্নৰ উত্তৰ ঃ ৰাইলে কয় যে প্রবর্গৰ ভ্রান্তি (category mistake) হৈছে এক মূল ভ্রান্তি

যিয়ে মানসিক জীৱনৰ ঘটনা বা সত্যতাক প্রতিনিধিত্ব কৰে, যেন সেইবোৰ একেটা তর্কীয় আর্হি নাইবা প্রবর্গৰ অধীনত, কিন্তু প্রকৃতার্থত সেইবোৰ আন এটাৰহে অধীনত থাকে।

৬ নং প্রশ্নৰ উত্তৰ ঃ ৰাইলৰ বাবে মন হৈছে বিভিন্ন প্রকাৰৰ নিৰীক্ষণমূলক আচৰণৰ অধীনত থকা এক ইচ্ছা বা স্বভাৱ নাইবা ইচ্ছা ও স্বভাৱৰ সমষ্টি।

৭ নং প্রশ্নৰ উত্তৰ ঃ মনৰ ইচ্ছামূলক বা স্বভাৱমূলক মতবাদটোৱে স্বীকাৰ কৰে যে মনটো হৈছে কোনো এক বিশেষ অৱস্থাত কোনো বিশেষ কাম কৰিবলৈ কৰা শৰীৰৰ ইচ্ছা বা স্বভাৱ।

৮ নং প্রশ্নৰ উত্তৰ ঃ আচৰণবাদে স্বীকাৰ কৰে যে এটাই মাত্র দ্রব্য আছে, সি হৈছে শৰীৰ আৰু মন শৰীৰৰ আচৰণৰ বাদে আন একো নহয়।

৯ নং প্রশ্নৰ উত্তৰ ঃ ক) কেনেকৈ জানো (knowing how)

খ) জনা (knowing)

গ) প্রাকল্পিক (hypothetical)

ঘ) কার্টেছিয়ান বিৰোধী আৰু দ্বৈতবাদী বিৰোধী।

ঙ) দার্শনিক নাইবা বিশ্লেষণাত্মক নাইবা তর্কীয় আচৰণবাদ।

১০ নং প্রশ্নৰ উত্তৰ ঃ ৰাইল

১১ নং প্রশ্নৰ উত্তৰ ঃ কার্টেছিয়ান দ্বৈতবাদ

১২ নং প্রশ্নৰ উত্তৰ ঃ ৰাইল।



১৪.১১ আর্হি প্রশ্ন

ক) অতি চমু প্রশ্ন ঃ

প্রশ্ন ১ ঃ মনৰ দর্শন বুলিলে তুমি কি বুজা?

প্রশ্ন ২ ঃ মনৰ দর্শনৰ মূল সমস্যা বুলি কাক ধৰা হয়?

প্রশ্ন ৩ ঃ মন আৰু শৰীৰৰ দ্বৈতবাদ আগবঢ়োৱা দার্শনিকজনৰ নাম লিখক।

প্রশ্ন ৪ ঃ মন আৰু শৰীৰৰ বিভিন্ন মতবাদসমূহ কি কি?

প্রশ্ন ৫ ঃ 'category mistake' ৰ ধাৰণাটোৰ লগত কোন জড়িত?

প্রশ্ন ৬ ঃ দ্রব্য-দ্বৈতবাদৰ সংজ্ঞা দিয়ক।

প্রশ্ন ৭ ঃ কোনে পোনপ্রথমে 'যন্ত্রৰ ভিতৰত প্রেত বা অশৰীৰি আত্মা'ৰ মতটো উলিয়াইছিল?

প্রশ্ন ৮ ঃ প্রবর্গৰ ভ্রান্তি (category mistake) ৰ এটা উদাহৰণ দিয়ক।

প্রশ্ন ৯ ঃ ৰাইলৰ মন সম্বন্ধীয় দর্শন কার্টেছিয়ান বিৰোধী আৰু দ্বৈতবাদ বিৰোধী হয় নে ?

খ) চমু প্রশ্নাৱলী (১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিবা)

প্রশ্ন ১ ঃ প্রতিক্রিয়াবাদ কি? চমুকৈ আলোচনা কৰা।

প্রশ্ন ২ ঃ ডেকার্টৰ মন সম্পন্ধীয় মতবাদৰ ওপৰত এটা চমুটোকা লিখা।

প্রশ্ন ৩ ঃ ডেকার্টৰ দ্বৈতবাদ সম্পর্কীয় ৰাইলৰ সমালোচনা চমুকৈ আলোচনা কৰা।

প্রশ্ন ৪ ঃ প্রবর্গক ভ্রান্তি কি? চমুকৈ ব্যাখ্যা কৰা।

প্রশ্ন ৫ ঃ ৰাইলৰ প্রবর্গৰ ভ্রান্তিৰ ওপৰত এটা চমু টোকা লিখা।

প্রশ্ন ৬ ঃ knowing How আৰু knowing that ৰ মাজত পার্থক্য নির্ণয় কৰা।

গ) **দীঘলীয়া প্রশ্নাৱলী** (২০০-৩০০ শব্দৰ ভিতৰত)

প্রশ্ন ১ ঃ বিভিন্ন প্রকাৰৰ মন সম্বন্ধীয় মতবাদসমূহ আলোচনা কৰা।

প্রশ্ন ২ ঃ ডেকার্টৰ দ্বৈতবাদ মনবাদটো বিশ্লেষণ কৰা।

প্রশ্ন ৩ ঃ গিলবার্ট ৰাইলৰ কার্টেছিয়ান দ্বৈতবাদৰ সমালোচনা পৰীক্ষা কৰা।

প্রশ্ন ৪ ঃ knowing How আৰু knowing that ৰ মাজত পার্থক্যসমূহ উল্লেখ কৰা।

প্রশ্ন ৫ ঃ গিলবার্ট ৰাইলৰ মনৰ দর্শন ব্যাখ্যা কৰা।

প্রশ্ন ৬ ঃ গিলবার্ট ৰাইলে আগবঢ়োৱা প্রবর্গৰ ভ্রান্তিৰ বিভিন্ন ধৰণৰ ব্যাখ্যাকৰণসমূহ উল্লেখ কৰা।

*** ***** ***

অধ্যায় ১৫ ঃ অষ্টিনৰ কথন ক্ৰিয়া

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য

১৫.২ পৰিচয়

১৫.৩ অষ্টিনৰ কথন ক্ৰিয়া

- ১৫.৩.১ প্ৰদৰ্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্য
- ১৫.৩.২ প্ৰদৰ্শনমূলক আৰু বৰ্ণনামূলক অভিব্যক্তিৰ পাৰ্থক্য
- ১৫.৩.৩ প্ৰদৰ্শনমূলক অভিব্যক্তিৰ অনিবাৰ্য চৰ্তসমূহ
- ১৫.৩.৪ কথন ক্ৰিয়াৰ প্ৰকাৰ

১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১৫.৫ অধিক জানিবলৈ

১৫.৬ অগ্ৰগতিৰ খতিয়ান

১৫.৭ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- অষ্টিনৰ কথন ক্ৰিয়াৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- প্ৰদৰ্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্যবোৰ আলোচনা কৰিব পাৰিব
- প্ৰদৰ্শনমূলক অভিব্যক্তিৰ অনিবাৰ্য চৰ্তবোৰ আলোচনা কৰিব পাৰিব
- কথন ক্ৰিয়াৰ বিভিন্ন প্ৰকাৰ সম্বন্ধে ব্যাখ্যা আগবঢ়াব পাৰিব।

১৫.২ পৰিচয়

এই অধ্যায়টিৰ জৰিয়তে আপুনি অষ্টিনৰ কথন ক্ৰিয়া সম্বন্ধে জানিব পাৰিব। জন লেংশ্ব অষ্টিন হ'ল সাধাৰণ ভাষাৰ দৰ্শন বা ভাষাতাত্ত্বিক দৰ্শনৰ এজন আগশাৰীৰ দাৰ্শনিক। তেওঁ ৰচনা কৰা How to do Things with Words নামৰ গ্ৰন্থখনে তেওঁক সাধাৰণ ভাষাৰ দৰ্শনৰ এজন প্ৰকৃত সমৰ্থক হিচাবে প্ৰতিপন্ন কৰিছে। সাধাৰণ ভাষাৰ দৰ্শনে স্বীকাৰ কৰে যে বিভ্ৰান্তি বা সাঁথৰ (Puzzle) সমাধানা কৰাটো দৰ্শনৰ কাম নহয়। সাধাৰণ ভাষাৰ ওপৰত তেওঁৰ গুৰুত্ব বৰ্ণনামূলক (Constatives) আৰু প্ৰদৰ্শনমূলক (Performatives) অভিব্যক্তিৰ মাজত দেখুওৱা পাৰ্থক্যৰ আধাৰত আলোচনা কৰিব পৰা যায়। অষ্টিনৰ কথন ক্ৰিয়াতত্ত্বৰ পদ্ধতি আৰু শৈলীৰ ক্ষেত্ৰত ৱিটগেনষ্টেইনৰ ভাষাৰ খেল তত্ত্বৰ সৈতে অতি বেছি সামঞ্জস্য থকা দেখা যায়। এই অধ্যায়টোৱে প্ৰদৰ্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্যসমূহ, ইয়াৰ অনিবাৰ্য চৰ্তসমূহ আৰু কথন ক্ৰিয়াৰ ভিন্ন প্ৰকাৰ সম্বন্ধে আলোকপাত কৰিছে।

১৫.৩ অষ্টিনৰ কথন ক্রিয়া

অষ্টিনৰ ভাষাৰ দৰ্শন কথন ক্রিয়াৰ ধাৰণাৰ ওপৰত নির্ভৰশীল। তেওঁ ইয়াক সাধাৰণ ভাষা বিশ্লেষণৰ এক পদ্ধতি হিচাবে গ্রহণ কৰিছে। তেওঁ কৈছে যে শব্দ অথবা বাক্যৰ সহায়ত কথন ক্রিয়াসমূহ পৰিৱেশন কৰা হয়। এই ক্রিয়াসমূহ বিভিন্ন ধৰণৰ হোৱা দেখা যায়। যিদৰে ক্রিকেট বা ফুটবল খেলা বা গহনা তৈয়াৰ কৰা বা ঘৰ সাজি উলিওৱা আদি ক্রিয়াবোৰ পৰিৱেশন কৰা হয় ঠিক তেনেদৰে উল্লেখ কৰা, শপত খোৱা, অৱগত কৰা, প্রশ্ন কৰা আদিৰ দৰে বিভিন্ন প্রকাৰৰ কথন ক্রিয়া আছে। কথন ক্রিয়াৰ ওপৰত অষ্টিনে বিশেষ আগ্রহ প্রকাশ কৰাৰ ক্ষেত্রত ডেভিদ ই কপাৰে দুটা গুৰুত্বপূর্ণ কথা আঙুলিয়াই দিছে। সেই কেইটা হ'ল—

(ক) বাক্যটো কি ক'বলৈ ব্যৱহাৰ কৰা হৈছিল সেয়া আৱিষ্কাৰ কৰিবলৈ আমি বাক্যটোৰ সহায়ত বক্তাই পৰিৱেশন কৰা সম্পূর্ণ ক্রিয়াটো নিশ্চিতভাৱে মন কৰিব লাগিব।

(খ) সম্পূর্ণ কথন ক্রিয়াৰ অংশ হিচাবে বাক্যসমূহৰ বিন্যাসৰ দ্বাৰা বিভিন্ন দার্শনিক বিবাদ অথবা দ্বন্দৰ ক্ষেত্রত অসন্দিগ্ধ সমাধান নিসৃত কৰাৰ থল বিচাৰি পোৱা যায়। ইয়াৰ উপযোগিতামূলক বৈধতা দেখা যায়।

এয়া স্পষ্ট যে অষ্টিনৰ কথন ক্রিয়াৰ ধাৰণা যেনে বর্ণনামূলক আৰু প্রদর্শনমূলক অভিব্যক্তিৰ ধাৰণাই ভাষাৰ বর্হিমুখী আৰু অন্তর্মুখী গাঁথনিৰ অন্বেষণ কৰাত সহায় কৰে। তেওঁ আঙুলিয়াই দিছে যে কথন ক্রিয়া বর্ণনামূলক আৰু প্রদর্শনমূলক হ'ব পাৰে। তেওঁ প্রদর্শনমূলক অভিব্যক্তিৰ (Performatives Utterance) দ্বাৰা বুজাইছে যে ই হ'ল এটা ক্রিয়া সম্পাদিত কৰাৰ এক কথন। ই সত্য বা অসত্য নহয়, বৰং ই এক ক্রিয়া পৰিৱেশনকাৰী কথন । আনহাতে, বর্ণনামূলক অভিব্যক্তি (Constative Utterance) হ'ল এটা বাক্য বা উক্তিৰ এক কথন যি সত্য বা অসত্য হয়। উদাহৰণস্বৰূপে, 'ঢাৰিখনৰ ওপৰত কুকুৰটো আছে, বোলা উক্তিটো সত্য বা অসত্য বুলি প্রকাশ কৰিব পাৰি। আনহাতে, 'মই কথা দিলো', 'মই শপত খালো', 'মই ক্ষমা বিচাৰিছো' আদিৰ দৰে কথনসমূহ সত্যও নহয় আৰু অসত্যও নহয়। কিন্তু তাৰ জৰিয়তে বক্তাজনে কিছু ক্রিয়া পৰিৱেশন কৰিছে। এই ধৰণৰ কথনসমূহ হ'ল প্রদর্শনমূলক অভিব্যক্তি। প্রদর্শনমূলক অভিব্যক্তিৰ ক্ষেত্রত দেখা যায় যে বক্তাজনে কথাটো কোৱাৰ লগে লগে তাৎক্ষণিকভাৱে এটা ক্রিয়া পৰিৱেশন কৰে। প্রদর্শনমূলক অভিব্যক্তিৰ ক্ষেত্রত 'ক্ষমা বিচৰা', শপত খোৱা', "নিশ্চয়তা দিয়া' আদিৰ দৰে ক্রিয়াসমূহ কিবা এটা বর্ণনা কৰিবলৈ অথবা অৱগত কৰিবলৈ ব্যৱহাৰ কৰা নহয়। সেই ক্রিয়াবোৰ কিছুমান নির্দিষ্ট কার্য পৰিৱেশন কৰিবলৈ ব্যৱহাৰ কৰা হয়।

১৫.৩.১ প্রদর্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্যসমূহ

অষ্টিনে প্রদর্শনমূলক অভিব্যক্তিৰ দুটা বৈশিষ্ট্য উল্লেখ কৰিছে।

(ক) প্রদর্শনমূলক অভিব্যক্তিসমূহে কোনো বস্তুকেই বর্ণনা বা অৱগত বা প্রতিষ্ঠা নকৰে। সেয়েহে এইবোৰ সত্য বা অসত্য নহয়।

(খ) বাক্যটোৰ কথন হ'ল এটা কার্য সম্পাদিত কৰাৰ এক অংশ যাক স্বাভাৱিকতেই আকৌ এবাৰ বর্ণনা কৰা নহ'ব অথবা কিবা এটা কোৱা বুলি প্রতিষ্ঠা কৰা নহ'ব।

১৫.৩.২ প্রদর্শনমূলক আৰু বর্ণনামূলক অভিব্যক্তিৰ পার্থক্য

অষ্টিনে কৈছে — আমি সুধিব লাগিব ঃ সঠিক কিবা উপায় আছে নেকি যাৰ দ্বাৰা আমি প্রদর্শনমূলক অভিব্যক্তিক বর্ণনামূলক অভিব্যক্তিৰ পৰা পৃথক কৰিব পাৰো ? বিশেষত ঃ আমি স্বাভাৱিকতেই প্রথমে শোধা উচিত যে বর্ণনামূলক অভিব্যক্তিক প্রদর্শনমূলক অভিব্যক্তিৰ পৰা পৃথক কৰাৰ কিবা বিশেষ বৈয়াকৰণিক মাপকাঠী আছেনে ? অষ্টিনে ইয়াৰ দুটা বিশেষ মাপকাঠী আগবঢ়াইছে। সেয়া তলত দিয়া ধৰণৰঃ

(ক) প্রথম মাপকাঠীটো বৈয়াকৰণিক/ব্যাকৰণগত মাপকাঠী। এই মাপকাঠী মতে বাক্য বা উক্তিটোত ব্যৱহৃত ক্রিয়াটো (Verv) সদায় বর্তমান কালৰ প্রথম পুৰুষ হ'ব লাগিব। উদাহৰণস্বৰূপে, 'তেওঁ শপত খাই আছে', 'মই অনুতাপ কৰিছিলো' আদিক প্রদর্শনমূলক কথন বুলি গণ্য কৰা নহয়। কাৰণ উল্লেখিত কথনসমূহ বর্তমান কালৰ প্রথম পুৰুষত প্রকাশিত হোৱা নাই। ই আকৌ নির্দেশ কৰে যে বাক্যকেইটা কোৱাৰ লগে লগে তাৎক্ষণিকভাৱে কোনো কার্য পৰিৱেশন কৰা হোৱা নাই। আকৌ 'মই অনুতাপ কৰিছিলো', 'তেওঁ সাৱধান কৰি দিছিল' আদি বাক্যকেইটা প্রদর্শনমূলক কথন বুলি গণ্য কৰা নহয়। কাৰণ বক্তজনে বা অন্য কোনো ব্যক্তিয়ে পৰিৱেশন কৰা কার্যটো বর্ণনা বা অৱগত কৰিবলৈ ব্যৱহাৰ কৰা ওপৰোক্ত বাক্য অথবা উক্তিকেইটা অতীত কালত আছে। সেইহেতুকে প্রদর্শনমূলক অভিব্যক্তিক এটা কার্য পৰিৱেশন কৰিবলৈ কেৱল বর্তমান কালৰ প্রথম পুৰুষতহে প্রকাশ কৰা হয়। যেনে- 'মই এই পথটোক লাচিত বৰফুকন পথ বুলি নামাকৰণ কৰিলো' — ইয়াত বক্তজানে কথনটো কিবা অৱগত বা বর্ণনা কৰিবলৈ ব্যৱহাৰ কৰা নাই। বৰং লাচিত বৰফুকনৰ নামেৰে পথটোৰ নামাকৰণ কৰা কার্যটো পৰিৱেশন কৰিবলৈ বক্তাজনে সেই কথাটো ব্যৱহাৰ কৰিছে।

(খ) দ্বিতীয় মাপকাঠীটো হ'ল শব্দাৱলীৰ মাপকাঠী। এই মাপকাঠী মতে বাক্য অথবা উক্তিটোত ইয়াৰ দ্বাৰা' শব্দটো ব্যৱহাৰ কৰা হয়। যেনে-

- 'ইয়াৰ দ্বাৰা' তোমাক কর্তৃত্ব দিয়া হ'ল
- 'ইয়াৰ দ্বাৰা' তেওঁক খালী কৰিবলৈ নির্দেশ দিয়া হ'ল
- 'ইয়াৰ দ্বাৰা' যাত্রীসকলক ৰাস্তা অতিক্রম নকৰিবলৈ সতর্ক কৰি দিয়া হ'ল।

অষ্টিনে 'ইয়াৰ দ্বাৰা' শব্দটোৰ জৰিয়তে দেখুৱাইছে যে ইয়াক সতর্ক কৰি দিয়া, কর্তৃত্ব দিয়া, নির্দেশ দিয়া আদি কার্যৰ ফলপ্রসূ সম্পাদনৰ বাবে এক মাধ্যম/সজুলি

(Instnument) হিচাবে প্রয়োগ কৰা হয় । কিন্তু এটা কার্যযুক্ত কথন আৰু বিষয়বস্তুযুক্ত কথনৰ মাজত এটা পার্থক্য আছে। উদাহৰণস্বৰূপে, 'এই দিনটো বৰ গৰম' বোলা বাক্যটো দুটা দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰিব পাৰি। এটা হ'ল কার্যযুক্তকথনৰ (Utterance as an act) দৃষ্টিকোণৰ পৰা আৰু আনটো হ'ল বিষয়বস্তুযুক্ত কথনৰ (Utterance as content) দৃষ্টিকোণৰ পৰা। পূর্বৱর্তী দিশেটোৱে সূচাইছে যে এটা কথনটো হ'ল সুখজনক বা দুখজনক, ভাল বা বেয়া, ভুল বা শুদ্ধ। আনহাতে, পৰৱর্তী দিশটোৱে সূচাইছে যে এই কথনটো হ'ল সত্য বা অসত্য। সত্যতা আৰু অসত্যতা হ'ল বর্ণনামূলক অভিব্যক্তিৰ বিশেষ বৈশিষ্ট্য আনহাতে সুখী বা দুখী, ভাল বা বেয়া আদি হ'ল প্রদর্শনমূলক অভিব্যক্তিৰ বিশেষ বৈশিষ্ট্য। অষ্টিনে কৈছে 'প্রদর্শনমূলক কথনসমূহ প্রকৃতার্থত অসত্য নহয়, কিন্তু ই স্বাভাৱিকতেই দুখজনক হয়। সেই হেতুকেই যি মতবাদে এই ধৰণৰ কথনসমূহৰ ক্ষেত্রত বিষয়বস্তুবোৰ অশুদ্ধ হ'ব পাৰে বা অশুদ্ধ হয় বুলি কয় তাক অযথার্থ মতবাদ (Docteine of infelicities) বুলি কোৱা হয়।

১৫.৩.৩ প্রদর্শনমূলক অভিব্যক্তিৰ অনিবার্য চর্তসমূহ

অষ্টিনে প্রদর্শনমূলক অভিব্যক্তিসমূহ সুচাৰু কৈ সম্পাদন কৰাৰ বাবে কিছুমান অনিবার্য চর্ত উল্লেখ কৰিছে।

(ক-১) এক নির্দিষ্ট স্বাভাৱিক কার্যযুক্ত এটা গ্রহণযোগ্য সাধাৰণ পদ্ধতি থাকিবই লাগিব। এই প্রক্রিয়াটোৱে বিশেষ পৰিস্থিতি সাপেক্ষে কিছুমান বিশেষ ব্যক্তিৰদ্বাৰা কেতবোৰ বিশেষ শব্দ উচ্চাৰণ কৰা কথাটোক সামৰি লয়।

(ক-২) বিশেষ পদ্ধতিটো বৈধ বুলি দাবী কৰাৰ বাবে এটা প্রদত্ত ঘটনাৰ বিশেষ ব্যক্তিসমূহ আৰু পৰিস্থিতিসমূহে যথার্থ হ'বই লাগিব।

(খ-১) সকলো অংশগ্রহণকাৰী/কর্তাই প্রক্রিয়াটো সঠিকভাৱে সম্পাদন কৰিবই লাগিব আৰু

(খ-২) সকলো অংশগ্রহণকাৰী/কর্তাই প্রক্রিয়াটো সম্পূর্ণভাৱে সম্পাদন কৰিবই লাগিব।

(T-1) যেতিয়া কিছুমান নির্দিষ্ট চিন্তা বা অনুভূতিযুক্ত ব্যক্তিয়ে ব্যৱহাৰ কৰাৰ বাবে অথবা যিকোনো অংশগ্রহণকাৰী জড়িত হোৱাৰ ক্ষেত্রত কিছুমান নির্দিষ্ট পৰিস্থিতিগত আচৰণ উদঘাটনৰ বাবে প্রক্রিয়াটোৰ পৰিকল্পনা কৰা হয় তেতিয়া সেই প্রক্রিয়াটো বৈধ বুলি দাবী কৰা আৰু তাত অংশ লোৱা এজন ব্যক্তিৰ সেই চিন্তা বা অনুভূতিসমূহ দৰাচলতে থাকিবই লাগিব। প্রক্রিয়াটো অংশ লোৱা ব্যক্তিসকলে নিজেই তেনে আচৰণ কৰিবলৈ ইচ্ছা কৰিবই লাগিব।

(T-2) অংশ লোৱা ব্যক্তিসকলে নিজেই প্রকৃতার্থত পৰৱর্তী সময়ত আচৰণ কৰিবই লাগিব।

অষ্টিনে কৈছে যে অভিব্যক্তি প্রকাশ কৰাটো হ'ল এক কথন ক্রিয়া বা কার্য। বক্তাজনে অভিব্যক্তিটো প্রকাশ কৰোতে কার্যটো প্রদর্শিত হয়। কথন কার্যসমূহে বিভিন্ন ধৰণৰ কার্য যেনে- উল্লেখ কৰা, সাৱধান কৰা অথবা কথা দিয়া আদি কার্যক সূচায়। অষ্টিনৰ প্রদর্শনমূলক আৰু বর্ণনামূলক দুয়ো প্রকাৰৰ অভিব্যক্তিয়ে কথন ক্রিয়া বা কার্যক সূচায়। সেয়েহে, যেতিয়া এই দুয়োটা অভিব্যক্তিৰ মাজত পার্থক্যৰ অৱসান ঘটে তেতিয়া কথন ক্রিয়া তত্ত্ব হিচাবে এক নতুন ধাৰণাৰ উন্মেষ ঘটে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ How to do Things with Words নামৰ গ্রন্থখনৰ লিখক কোন?

.....

.....

প্রশ্ন নং ২ ঃ কথন ক্রিয়াৰ বিভিন্ন প্রকাৰবোৰ কি কি?

.....

.....

প্রশ্ন নং ৩ ঃ প্রদর্শনমূলক অভিব্যক্তি কি? এটা উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন নং ৪ ঃ বর্ণনামূলক অভিব্যক্তি কি? এটা উদাহৰণ দিয়ক।

.....

.....

প্রশ্ন নং ৫ ঃ বৈয়াকৰণিক মাপকাঠী বুলিলে কি বুজে?

.....

.....

প্রশ্ন নং ৬ ঃ কার্যযুক্ত আৰু বিষয়বস্তুযুক্ত অভিব্যক্তিৰ মাজত পার্থক্য কি?

.....

.....

প্রশ্ন নং ৭ ঃ বর্ণনামূলক আৰু প্রদর্শনমূলক অভিব্যক্তিৰ বিশেষ লক্ষণসমূহ উল্লেখ কৰক।

.....

.....

১৫.৩.৪ কথন ক্রিয়াৰ প্রকাৰ

অষ্টিনে তিনিধৰণৰ কথন ক্রিয়া উল্লেখ কৰিছে। সেই কেইবিধ ক্রমান্বয়ে তলত দিয়া ধৰণৰ—

(ক) বচন কার্য (Locutionary act)

(খ) বচনেতৰ কার্য (Illocutionary act)

(গ) প্রভাৰী বচন কার্য (Perlocutionary act)

যেতিয়া আমি এটা অভিব্যক্তি প্রকাশ কৰো তেতিয়া আমি এটা ক্রিয়া বা কার্য পৰিৱেশন কৰো। অষ্টিনে এনেধৰণৰ ক্রিয়াক বচন কার্য বুলি অভিহিত কৰিছে। যেনে 'তোমাৰ নাম কি?' ইয়াত আমি এটা ক্রিয়া পৰিৱেশন কৰো আৰু সেয়া হ'ল বচন কার্য। অষ্টিনে কৈছে, 'বচন কার্যই এক নির্দিষ্ট বিন্যাসত কিছুমান নির্দিষ্ট শব্দ আৰু নির্দিষ্ট অর্থৰ সৈতে সিহঁতৰ অভিব্যক্তিক সামৰি লয়।'

এটা বচন কার্য পৰিৱেশন কৰোতে আমি আন এক ক্রিয়াও পৰিৱেশন কৰো। ইয়াক উদাহণৰ সহায়ত দেখুৱাব পাৰি যেনে-- যদি মই সোধো, 'তোমাৰ নাম কি?'— এই ক্ষেত্রত মই এটা বচন কার্য পৰিৱেশন কৰিছো। কিন্তু বচন কার্যই এটা উক্তি কথনৰ পৰিপ্রেক্ষিতত বিভিন্ন ধৰণৰ কথন ক্রিয়াৰ যেনে– কথা দিয়া, নির্দেশ দিয়া অথবা প্রশ্ন সোধা আদি সৃষ্টি কৰিব পাৰে। অষ্টিনে এনেধৰণৰ ক্রিয়াসমূহক বচনতে কার্য বুলি অভিহিত কৰিছে। গতিকে, বচনাত্মক অভিব্যক্তি হ'ল বচনেতৰ কার্য পৰিৱেশন কৰাৰ প্রাৰম্ভিক স্তৰ। ই বচনেতৰ কার্য পৰিৱেশন কৰিবলৈ এক শক্তি দিয়ে। সেয়েহে বচনেতৰ কার্যক বচনেতৰ শক্তি হিচাবেও জনা যায়। এই ক্ষেত্রত তেওঁ কৈছে, "কিবা এটা উল্লেখ কৰা কোৱা মানে নিশ্চিতভাৱে সকলো ক্ষেত্রতে এটা বচনেতৰ কার্য যেনে-পৰিৱেশন কৰাটোকে সতর্ক কৰি দিয়া বুজায়।"

যেতিয়া আমি কিবা এটা কওঁ তেতিয়া আমি এটা বচন কার্য পৰিৱেশন কৰো আৰু সেই কার্যটো পৰিৱেশন কৰোতে আমি অন্য এটা কার্য পৰিৱেশন কৰো যাক অষ্টিনে প্রভাবী বচন কার্য বুলি অভিহিত কৰিছে। ই শ্রোতাজন অথবা বক্তাজনৰ অনুভূতি, চিন্তা বা কর্মৰ ওপৰত কিছুমান বিশেষ প্রভাৱ পেলায়। সেয়েহে ই হ'ল প্রভাবী বচন কার্য। উদাহৰণস্বৰূপে, যেতিয়া মই কওঁ 'এই কামটো কৰা', মই এটা কার্য পৰিৱেশন কৰো আৰু সেয়া হ'ল বচন কার্য অর্থাৎ উক্তিটোৰ কথন। সেই বচন কার্যটো পৰিৱেশন কৰোতে মই কোনো এজন লোকক উদ্দিষ্ট কার্যটো পৰিৱেশন কৰিবলৈ নির্দেশ দিও আৰু সেয়া হ'ল বচনেতৰ কার্য। এই কথনটোৰ জৰিয়তে মই দেখিবলৈ পাওঁ যে কার্যটো পৰিৱেশন কৰা হ'ল আৰু ইয়েই হ'ল প্রভাবী বচন কার্য। চমুকৈ ক'বলৈ হ'লে, ইয়াত মোৰ দ্বাৰা, বচনেতৰ কার্য আৰু প্রভাবী বচন কার্য পৰিৱেশন কৰা হৈছে। অষ্টিনৰ প্রদর্শনমূলক আৰু বর্ণনামূলক অভিব্যক্তিসমূহ আৰু তেওঁৰ কথন ক্রিয়া তত্ব প্রধানতঃ

সাধাৰণ ভাষাৰ লগত জড়িত। তেওঁৰ বচন কার্য, বচনেতৰ কার্য আৰু প্ৰভাবী বচন কার্য হ'ল সাধাৰণ ভাষাৰ দোষসমূহ আঙুলিয়াই দিয়াৰ ক্ষেত্ৰত এক উৎকৃষ্ট আহিলা।

অষ্টিনৰ তিনিধৰণৰ কথন ক্ৰিয়া যেনে— বচন কার্য, বচনেতৰ কার্য আৰু প্ৰভাবী বচন কার্যই ভাষাৰ বিভিন্ন ক্ৰিয়া কাৰিত্বসমূহক নির্দেশ কৰে। ৱিটগেনষ্টেইনৰ ভাষাৰ খেল অথবা জীৱনৰ আকাৰ ধাৰণাৰ দৰে অষ্টিনেও দেখুৱাব, বিচাৰিছে যে ভাষা কেৱল এটা কার্য বা ক্ৰিয়াতেই সীমিত নহয়। ইয়াত অষ্টিনেও পৰৱর্তী ৱিটগেনষ্টেইনৰ দৰে ভাষাৰ বচনেতৰ অথবা প্ৰভাবী বচন শক্তিৰ জৰিয়তে ব্যৱহাৰিক ব্যাকৰণক (Depth Grammar) শক্তিশালী কৰি তুলিব বিচাৰিছে। অষ্টিনে ভাষাৰ, বিভিন্ন কার্যসমূহ প্ৰকাশ কৰাৰ উদ্দেশ্যেই কথন ক্ৰিয়া তত্বটো প্ৰতিপাদন কৰিছে। একেধৰণে ৱিটগেনষ্টেইনেও আমাৰ ভাষাত সন্নিৱিষ্ট ভিন্নমুখী কার্যসমূহ আঙুলিয়াই দিয়াৰ উদ্দেশ্যেই ভাষাৰ খেল অথবা জীৱনৰ আকাৰৰ ধাৰণাটো সাঙুৰি লৈছে। সেয়েহে, ৱিটগেনষ্টেইন আৰু অষ্টিনৰ কথন ক্ৰিয়া তত্ব ইয়াৰ লক্ষ্য আৰু উদ্দেশ্যৰ দিশৰ ফালৰ পৰা একে বুলি ক'ব পৰা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ বচন কার্য কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ বচনেতৰ কার্য কি?

.....

.....

প্ৰশ্ন নং ১০ ঃ প্ৰভাবী বচন কার্য কি?

.....

.....



১৫.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- অষ্টিনৰ ভাষাৰ দর্শন কথন ক্ৰিয়া ধাৰণাৰ ওপৰত নির্ভৰশীল। তেওঁ কৈছে যে ক্ৰিয়াসমূহ শব্দ অথবা বাক্যৰ সহায়ত পৰিৱেশন কৰা হয়। ক্ৰিয়া, বিভিন্ন ধৰণৰ আছে। যিদৰে ফুটবল বা ক্ৰিকেট খেলোতে অথবা গহণা বা ঘৰ তৈয়াৰ কৰোতে ক্ৰিয়াসমূহ পৰিৱেশন কৰা হয়, ঠিক তেনেদৰে বিভিন্ন প্ৰকাৰৰ কথন ক্ৰিয়া আছে যেনে-- উল্লেখ কৰা, শপত খোৱা, অৱগত কৰা, প্ৰশ্ন কৰা আদি।

- অষ্টিনৰ মতে, কথন ক্রিয়া বর্ণনামূলক আৰু প্রদর্শনমূলক হ'ব পাৰে। তেওঁ প্রদর্শনমূলক কথনৰ দ্বাৰা বুজাইছে যে ই হ'ল এটা ক্রিয়া সম্পাদন কৰাৰ এক অভিব্যক্তি। ই সত্য অথবা অসত্য নহয়, বৰ, ই হ'ল এক ক্রিয়াযুক্ত অভিব্যক্তি। আনহাতে, বর্ণনামূলক অভিব্যক্তি হ'ল এটা বাক্য অথবা উক্তিৰ এক উল্লেখ। ই হয় সত্য নহয় অসত্য।
- অষ্টিনে তিনিধৰণৰ কথন ক্রিয়া উল্লেখ কৰিছে। সেইকেইটা হ'ল— (ক) বচন কার্য (খ) বচনেতৰ কার্য, (গ) প্রভাবী বচন কায।
- যেতিয়া আমি এটা অভিব্যক্তি প্রকাশ কৰো তেতিয়া আমি এটা ক্রিয়া বা কার্য পৰিৱেশন কৰো আৰু অষ্টিনে এনেধৰণৰ ক্রিয়াক বচনকার্য বুলি অভিহিত কৰিছে। যেনে- 'তোমাৰ নাম কি? ইয়াত আমি এটা ক্রিয়া পৰিৱেশন কৰো আৰু সেয়া হ'ল বচন কার্য।
- বচনাত্মক অভিব্যক্তি হ'ল বচনেতৰ কার্য পৰিৱেশন কৰাৰ এক প্রাৰম্ভিক স্তৰ। ই বচনেতৰ কার্য পৰিৱেশন কৰিবলৈ এক শক্তি প্রদান কৰে। সেয়েহে, বচনেতৰ কার্যক বচনেত শক্তি বুলিও জনা যায়।
- যেতিয়া আমি কিবা এটা কওঁ তেতিয়া আমি এটা বচন কার্য পৰিৱেশন কৰো আৰু সেই কার্যটো পৰিৱেশন কৰোতে আমি অন্য এক কার্য পৰিৱেশন কৰো। সেয়া হ'ল প্রভাবী বচন কার্য। ই শ্রোতাজন বা বক্তাজনৰ অনুভূতি, চিন্তা অথবা কর্মৰ ওপৰত কিছুমান বিশেষ প্রভাৱ পেলায়। সেইহেতুকে, ই হ'ল প্রভাবী বচন কার্য।
- অষ্টিনে ভাষাৰ বিভিন্ন কার্যসমূহ প্রকাশ কৰাৰ উদ্দেশ্য আগত ৰাখিয়েই তেওঁৰ কথন ক্রিয়া তত্বটো প্রতিপাদন কৰিছে। একেদৰে, ৱিটগেনষ্টেইনেও আমাৰ ভাষাত সন্নিৱিষ্ট ভিন্নমুখী কার্যবোৰ আঙুলিয়াই দিয়াৰ উদ্দেশ্যেই ভাষাৰ খেল অতবা জীৱনৰ আকাৰৰ ধাৰণাটো প্রতিপাদন কৰিছে।



১৫.৫ অধিক জানিবলৈ

1) Austin, J. L. (1961). How to do Things with Words. Clarendon Press, Oxford.

2) Ammerman, R (ed.) (1965). Classics of Analytic Philosophy. Tata Me Graw Hill Publishing Company, Bombay.

3) Bakhle, S. W. (1987). Nature and Development of Linguistic Philosophy. Dattsons, Nagpur.

4) Bhattacharyya, Bhaskar (2014). Analytic Philosophy of Witigenstein. EBH Publishers (india).



১৫.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ অষ্টিন।

২ নং প্রশ্নৰ উত্তৰ ঃ বচন কার্য, বচনেতৰ কার্য আৰু প্রভাবী বচন কার্য।

৩ নং প্রশ্নৰ উত্তৰ ঃ ই হ'ল এটা ক্রিয়া সম্পাদিত কৰাৰ এক কথন। ই সত্য বা অসত্য নহয়, বৰং ই হ'ল এক ক্রিয়া পৰিৱেশনকাৰী কথন। উদাহৰণস্বৰূপে, 'মই কথা দিলো; 'মই শপত খালো'; 'মই ক্ষমা বিচাৰিছো'।

৪ নং প্রশ্নৰ উত্তৰ ঃ ই হ'ল এটা বাক্য বা উক্তিৰ এটা কথন যি সত্য অথবা অসত্য হয়। যেনে— 'ঢাৰিখনৰ ওপৰত কুকুৰটো আছে'।

৫ নং প্রশ্নৰ উত্তৰ ঃ ই হ'ল বর্ণনামূলক অভিব্যক্তিক প্রদর্শনমূলক অভিব্যক্তিৰ পৰা পৃথক কৰাৰ এক বিশেষ মাপকাঠী যিটো দার্শনিক অষ্টিনে প্রতিপাদন কৰিছে। এই ব্যাকৰণগত মাপকাঠী মতে বাক্য বা উক্তিটোত ব্যৱহৃত ক্রিয়াটো (Verv) সদায় বর্তমান কালৰ প্রথম পুৰুষ হ'ব লাগিব।

৬ নং প্রশ্নৰ উত্তৰ ঃ কার্যযুক্ত অভিব্যক্তিয়ে এটা ক্রিয়া সম্পাদন কৰা অথবা পৰিৱেশন কৰা বুজায় আৰু বিষয়বস্তুযুক্ত অভিব্যক্তিয়ে কথনটোৰ সত্যতা বা অসত্যতা নিৰূপণ কৰাটো বুজায়। উদাহৰণস্বৰূপে, প্রথমটোৱে সূচাইছে যে এই কথনটো হ'ল সুখজনক বা দুখজনক, ভাল বা বেয়া, ভুল বা শুদ্ধ। আনহাতে, বিষয়বস্তুযুক্ত অভিব্যক্তিয়ে বুজাইছে যে ই হ'ল সত্য অথবা অসত্য।

৭ নং প্রশ্নৰ উত্তৰ ঃ বর্ণনামূলক অভিব্যক্তিৰ বিশেষ লক্ষণ হ'ল সত্যতা আৰু অসত্যতা। আনহাতে প্রদর্শনমূলক অভিব্যক্তিৰ বিশেষ লক্ষণ হল সুখী বা দুখী আৰু ভাল বা বেয়া।

৮ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া আমি এটা অভিব্যক্তি প্রকাশ কৰো তেতিয়া আমি এটা কার্য পৰিৱেশন কৰো আৰু অষ্টিনে এনে ক্রিয়াক বচন কার্য বুলি অভিহিত কৰিছে। যেনে 'তোমাৰ নাম কি? ই হ'ল এটা বচন কার্যৰ উদাহৰণ।

৯ নং প্রশ্নৰ উত্তৰ ঃ এটা বাক্য উল্লেখ কৰাৰ পৰিপ্রেক্ষিতত আমি প্রসংগক্রমে বিভিন্ন ধৰণৰ কথন ক্রিয়া পৰিৱেশন কৰো আৰু অষ্টিনে ইয়াক বচনেতৰ কার্য বুলি কৈছে। উদাহৰণস্বৰূপে, 'তোমাৰ নাম কি?' বোলা উক্তিটোৱে বিভিন্ন ধৰণৰ কথন ক্রিয়া যেনে- কথা দিয়া, নির্দেশ দিয়া বা প্রশ্ন সোধা আদিক সূচাইছে।

১০ নং প্রশ্নৰ উত্তৰ ঃ যেতিয়া আমি কিবা এটা কওঁ তেতিয়া আমি এটা বচন কার্য পৰিৱেশন কৰো আৰু সেই কার্যটো পৰিৱেশন কৰোতে আমি অন্য এটা কার্যও পৰিৱেশন কৰো। ইয়াক অষ্টিনে প্রভাবী বচন কার্য বুলি কৈছে। ই শ্রোতা বা বক্তাজনৰ অনুভূতি, চিন্তা বা কর্মৰ ওপৰত কিছুমান বিশেষ প্রভাৱ পেলায় আৰু সেয়ে ই হ'ল প্রভাবী বচন কার্য।



১৫.৭ আৰ্হি প্ৰশ্ন

(ক) অতি চমু প্ৰশ্ন

প্ৰশ্ন ১ ঃ How to do Things with Words গ্ৰন্থখনৰ লিখক জনৰ নাম লিখক।

প্ৰশ্ন ২ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তি মানে কি?

প্ৰশ্ন ৩ ঃ বৰ্ণনামূলক অভিব্যক্তি কি?

প্ৰশ্ন ৪ ঃ বৰ্ণনামূলক অভিব্যক্তিৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৫ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তিৰ এটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৬ ঃ বচন কাৰ্য কি?

প্ৰশ্ন ৭ ঃ বচনেতৰ কাৰ্য কি?

প্ৰশ্ন ৮ ঃ প্ৰভাবী বচন কাৰ্য কি?

প্ৰশ্ন ৯ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তিক বৰ্ণনামূলক অভিব্যক্তিৰ পৰা পৃথক কৰাৰ দুটা মাপকাঠী কি চিকি?

(খ) চমু প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তি কি? উপযুক্ত উদাহৰণসহ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ বৰ্ণনামূলক অভিব্যক্তি কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ কথন ক্ৰিয়াৰ তিনিটা প্ৰকাৰ কি কি? উপযুক্ত উদাহৰণসহ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ বৈয়াকৰণিক মাপকাঠী কি? চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ কথন ক্ৰিয়াৰ ওপৰত এটি চমুটোকা লিখক।

(গ) দীঘল প্ৰশ্ন ঃ (৩০০-৫০০ টা শব্দৰ ভিতৰত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিয়ক)

প্ৰশ্ন ১ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তিৰ বৈশিষ্ট্যসমূহ কি কি আলোচনা কৰক।

প্ৰশ্ন ২ ঃ বৰ্ণনামূলক অভিব্যক্তিক প্ৰদৰ্শনমূলক অভিব্যক্তিৰ পৰা কিদৰে পৃথক কৰিব? ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ কথন ক্ৰিয়াৰ প্ৰকাৰসমূহ কি কি? উপযুক্ত উদাহৰণসহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তিৰ অনিবাৰ্য চৰ্তসমূহ কি কি? ব্যাখ্যা কৰক।

প্ৰশ্ন ৫ ঃ প্ৰদৰ্শনমূলক অভিব্যক্তিক বৰ্ণনামূলক অভিব্যক্তিৰ পৰা পৃথক কৰাৰ মাপকাঠীকেইটা কি কি? আলোচনা কৰক।

*** ***** ***



প্রসংগ পুথি

ইংৰাজী গ্রন্থ ঃ

1. Alston, J. 1988, Philosophy of Language. Prentice Hall of India, New Delhi.
2. Camap, R. 1959, Introduction to Semantics, Harvard University Press.
3. Dummet, M. 1981, Frege: Philosophy of Language, Second Edition, Gerald Duckworth and Co. Ltd, London.
4. Frege, G. 1971, On Sense and Meaning, in the Philosophy of Language, ed. by J. R Searle, Oxford University Press.
5. Frege. G. 1960, 'On Sense and Reference' in P. Geach and M. Black (eds.). Translations from the Philosophical Writings of Gottlob Frege, 2nd edition Blackwell, Oxford.
6. Munitz, M. K, 1981, Contemporary Analytic Philosophy, Macmillan Publishing Co., New York.
7. Pradhan, R. C, 2001, Recent Developments in Analytic Philosophy, Indian Council of Philosophical Research, New Delhi.
8. Russell, B. 1972, Our Knowledge of the External World, Sixth Impression, George Allen & Unwin Ltd., London.
9. Russell, B. 1997. My Philosophical Development, Routledge, London and New York.
10. Russell, B. 2002, History of Western Philosophy, Routledge, New York.
11. Russell, B. 2004, The Philosophy of Logical Atomism' in R.C. Marsh (ed.), Logic and Knowledge, Routledge, 29, West 35 Street, London and New York.
12. Russell, B. 2004, Mysticism and Logic, Dover Publications, Inc. Mineola, N.Y.
13. Urmson, J. O. 1956, Philosophical Analysis, Oxford University Press, London 913 be) RoR namimA
14. Wood, A. 1999, 'Russell's Philosophy -A Study of Its Development', In A. D. Irvine (ed.), Bertrand Russell: Critical Assessments, Volume 1-

Life, Work and Influence, Routledge, London and New York.

15. Russell, B. 1937, Principles of Mathematics, 2nd edition, Routledge, London and New York.
16. Ducassae 'Moore's Refutation of Idealism in P.A. Schilpp (ed) the Philosophy of G. E. Moore.
17. G. E. Moore. 'The Refutation of Idealism in Mind 12 (1903). 433-53. Reprinted in Philosophical Studies and in 'G. E. Moore: Selected Writings 23-44.
18. P. A. Schilpp (ed.) The Philosophy of G.E. Moore, Northwestern University Press, Evanston ILL: 1942
19. P. A. Schilpp, 'Moore, George Edward' in Internet Encyclopedia. Iep. utm. idu. moore 30 December 2005, Retrieved 13 April 2011.
20. R. B. Perry, 'Moore on the Refutation of Idealism' in Frederick J.E. Woodbridge (ed.) Journal of Philosophy, Psychoology, and Scien- tific Method vol.1. No.3 February 4.1904.
21. T. Bladurin G.E. Moore. Routledge, London, 1990
22. Baldwin. T. "George Edward Moore", "The Stanford Encyclopedia of Philosophy", Zalta, E.N. (ed) http:// Plato. Stanfurd. Edu/entries/ moore/
22. Moore, G. E. 1925: "A Defence of Common Sense" in J.H. Muirhead Ed., Contemporary British Philosophy London: Allen & unwin, 193-223. reprinted in Moore 1959,126-148, and Moore, 106-33.
23. Moore, G. E. 1939: "Proff on an External World", Proceedings of the British Academy 25, 273-300. Reprinted in Moore 1993, 147-70.
24. Moore, G.E. 1993: Moore: Selected Writings, ed. Thomas Baldwin, London. Routledge.
25. Preston, A. George Edward Moore, Internet Encyclopedia of philosophy, http.// www.iep.utm.edu/moore/#SH2C.
26. Dwivedi, D.N. (1977). A study of Wittgenstein's Philosophy. Darshan Peeth, 177 Tagore Town and Allahabad.
27. Ammerman, Robert R (ed.) (1965). Classics of Analytic Philosophy. Tata Mc Graw Hill Publishing Company, Bombay New Delhi.

---

28. Bakhle, S.W. (1987). Nature and Development of Linguistic Philosophy.

Dattsons, Nagpur.

29. Bhattacharyya, Bhaskar (2014). Analytic Philosophy of Wittgenstein. EBH Publishers India (Ltd).
30. Kenny, Anthony ed. (1994). The Wittgenstein Reader. Blackwell Publishing 31. Gralying, A.C. 1988. Wittgenstein: A Very Short Introduction Oxford Publishing.
32. Gracia, J. E. Jorge, Reichberg M. Gregory & Schumacher N. Bernard. ed. (2003). The Classics of Western Philosophy. Blackwell Publishing.
33. Kenny, Anthony. 2007. Philosophy in the Modern World. Oxford. Clarendon Press.
34. Borchert M. Donald. ed. (2006) Encyclopedia of Philosophy. Maemilan.
35. Bhadra, M.K. (2004), A Critical Survey of Phenomenology and Existentialism, New Delhi: Indian Council of Philosophical Research.
36. Sartre, J.P., (1956), Existentialism is a Humanism, translated by W. Kaufmann, Cleveland: World Publishing, Meridian Books.
37. Solomon, C. Robert, (2005), Existentialism, New York: Oxford University Press.
38. Sinha, J. N. (2006), Introduction to Philosophy, Kolkata: New Central Book Agency Pvt. Ltd.
39. Warhock, M. (1970), Existentialism, New York: Oxford University Press.
40. Bali. D.R: Introduction to Philosophy, Sterling publishers private Ltd., 1984.
41. Eliot, G (Trans): The Essence of christianity, New work, cosimo, The. 2008.
42. Gates, J: The life and thought of Kierkegaard for Everyman, philadelphia, Westminster Press, 1960.
43. Howard, S. A: A Re-Appraisal of Kierkegaard, University Press of America, 1995.
44. Price, G: The Narrow Pass: Study of Kierkegaard's concept of Man, Londow, Hutchinson Publication, 1963.
45. Watts, M: Kierkegaard one-world publications, 2007.
46. Kauffmam, Walter (1974) Nitzsche Philosopher, Psychologist, Novolos Antichrist. Prineeton : Princeton University Press. x

47. Hollingdale, R. J. (1973). Neitzsche The Man and His Philosophy, Routiedge of Kegan Paul.now 88er A priviera
48. Leiter, Brian, (2003). Rultedge Philosophy Guidelbook to Neitzsche beme on morality, Rutledge. predrbie opol. 3. simo
49. May. Simon (1999). Neitzsche's Ethics and his war on Moralily, Rutledge.
50. Surft, Paul. A. (2005). Becoming Neitzsche, Lexington Books.
51. Cox, G. (2006), Sartre: A Guide for the Perplexed New York: Continum.
52. Sartre, J.P. (2007). Existenlialism is a Humanism. (C. Macomber, Trans.) London: York University Press.
53. Sartre, J.P. (1992). Being and Nothingness. An Essay on Wyd Phenomenological ontology. New York: Washington Square Press.
54. Aune, B. 1967. Knowledge, Mind and Nature, Kalifornia.
55. Barlinggay, SS: A Critical Survey of Western Philosophy, Macmillan India.
56. Broad C.D, 1962. The Mind and Its place in Nature London
57. Descartes, Rene, Meditation and other Metaphysical writings, Penguin Books.
58. Descartes, Rene. Discourse on Method, Dulton, New York.
59. Dutta D.M. Chief Currents of Contemporary Philosophy, University of Calcutta.
60. Ewing, A.C. 1951. The Fundamental Questions of Philosophy, Routledge & Keganpal Ltd.,
61. Ewing A.C. 1952. Prof Ryle's attack on Dualism, 9. Kenny, Anthony: Action, Emotion and Will, Routledge.
62. Ryle, Gilbert. 1949. The Concept of Mind, Penguin Books, London, 1949.
63. Ryle, Gilbert. Dilemmas 1953, Lectures, Cambridge University.
64. Ryle, Gilber, Systematically Misleading Expression-PAS, Vol.32.
65. Ryle, Gilbert Categories PAS, Vol. 38.
66. Ryle, Gilbert. 1953: Ordinary Language, The Philosophical Review, Vol.62.
67. Mind. A Quarterly Review of Philosophy, Published for the Mind

Association by Oxford University Press.

68. Austin, J.L. (1961). How to do Things with Words, Clarendon Press, Oxford.
69. Ammerman, R (ed.) (1965). Classics of Analytic Philosophy. Tata MeGraw Hill Publishing Company, Bombay.
70. Bakhle, S.W. (1987), Nature and Development of Linguistic Philosophy. Dattsons, Nagpur.
71. Bhattacharyya, Bhaskar (2014). Analytic Philosophy of Witigenstein. EBH Publishers (india).